# ষষ্ঠদশ অসম বিধানসভাৰ

## বাজেট অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ০৬/০৭/২০২৬ সোমবাৰ

আজি ইংৰাজী ০৬-০৭-২০২৬ তাৰিখে অসম বিধান সভাৰ নৱ নিৰ্মিত সদন কক্ষত অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব্ব নিৰ্দ্ধাৰিত সময় সূচীমতে ৰাতিপুৱা ৯-৩০ বজাত অনুষ্ঠিত হয়। (ৰাষ্ট্ৰীয় গান, ৰাষ্ট্ৰীয় সঙ্গীত আৰু জাতীয় সঙ্গীতেৰে অধিৱেশন আৰম্ভ কৰা হয়)

**মাননীয় অধ্যক্ষঃ** নমস্কাৰ, খুলুম্বাই, কাৰ্দম,জ্যোথাই, আগুলুমি। এতিয়া আমি আহিছো আমাৰ প্ৰশ্নোত্তৰ শিতানলৈ। প্ৰশ্ন নং-১, ড০ আছিফ মহম্মদ নাজাৰ।

**শ্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ড০ আছিফ মহম্মদ নাজাৰ, লাহৰীঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ পাইছো । কিন্তু 'গ' নম্বৰত যিটো উত্তৰ দিছে, তাত মন্ত্ৰী ডাঙৰীয়াই চাহ শ্ৰমিকৰ PF ৰ ধন অনাদায় নাই বুলি কৈছে। কিন্তু মহা হিচাপ নিৰীক্ষক CAG ৰ ২০২৫ ৰ যিটো ৰিপোৰ্ট আছে, সেই ৰিপোৰ্ট মতে ৩১৫.৪৫ কোটি টকা PF বকেয়া থকাৰ কথা উল্লেখ কৰিছে। গতিকে CAG ৰ ৰিপোৰ্টৰ উত্তৰ বেলেগ, মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ বেলেগ। গতিকে CAG ৰ ৰিপোৰ্টো মন্ত্ৰী ডাঙৰীয়াই অস্বীকাৰ কৰে নেকি ?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই আছিফ মহম্মদ নাজাৰ ডাঙৰীয়াক ধন্যবাদ জনাইছো। মই যিখিনি জানো, তেখেতৰ সমষ্টিত এখনো চাহ বাগান নাই। তাৰ পিছতো তেখেতে চাহ শ্ৰমিকৰ বিষয়ে প্ৰশ্ন কৰিছে, সেইবাবে তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে যিটো PF ৰ কথা কৈছে, আজি যিটো আমি হিচাপ দিছো তাত হয়তো ৫০০ বা ১০০০ কমি যাব পাৰে আৰু হয়তো বাঢ়িও যাব পাৰে। এইটো এটা গতানুগতিক প্ৰক্ৰিয়া। চাহ

বাগানৰ এজন শ্ৰমিক যেতিয়া retire হয়, বাগানৰ কতৃপক্ষই ১৫ দিনৰ ভিতৰত ৰিপোৰ্ট কৰিব লাগে যে মানুহজন retire হৈছে। মানুহজনৰ আধাৰ কাৰ্ড, বেঙ্কৰ একাউন্ট বা অন্যান্য যিখিনি কাগজ-পত্ৰ আছে সেইখিনি দিব লাগে। আমাৰ যি regional office থাকে তাৰে এজন field officer গৈ সেইখিনি verify কৰিব আৰু তেওঁৰ যিখনি পাওঁনা আছে সেইখিনি মোকলাই দিয়া হয়। সেইকাৰণে আজি যিটো আমি হিচাপ দিছো সেইটো কমিও যাব পাৰে বাঢ়িও যাব পাৰে। সেইকাৰণে আপোনাক জনাব বিচাৰিছো যে PF ৰ কোনো pending case নাই।

**মাননীয় অধ্যক্ষঃ** Second Supplementary.

**ড০ আছিফ মহম্মদ নাজাৰ, লাহৰীঘাটঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰৰ 'খ' নম্বৰত লিখিছো যে ব্ৰহ্মপুত্ৰ উপত্যকাত ২৮০ টকা আৰু বৰাক উপত্যকাত ২৫৮ টকা কিন্তু আমি সকলোৱে জানো যে চাহ শ্ৰমিকৰ বিভিন্ন সংগঠনে বিগত সময়বোৰত দৈনিক মজুৰী ৫৫১ টকা কৰিবলৈ দাবী উত্থাপন কৰি আহিছে। আমি সকলোৱে জানো যে চাহ শ্ৰমিকৰ যি পৰিয়াল আছে, সেই পৰিয়ালবোৰৰ দৈনিক দুবেলা দুমুঠি আহাৰ, শিক্ষা, স্বাস্থ্য, চিকিৎসা এইবোৰৰ কাৰণে দৈনিক মজুৰী ২৮০ টকা বা ২৫০ টকা সম্পূৰ্ণ হ'ব নে ? গতিকে মই ভাবো যে মাননীয় মন্ত্ৰী মহোদয়ে যদি যিবোৰ চাহ শ্ৰমিক আছে, চাহ শ্ৰমিকৰ চাহ বাগিচাৰ যি সকল মালিক আছে, মালিকবোৰক কিবা ব্যৱস্থাৰে বাধ্য কৰাব পাৰে নেকি যাতে ৫৫১ টকা দৈনিক মজুৰী কৰিব পৰা যায়।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰামেশ্বৰ তেলী, ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু উন্নয়ন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে তেওঁ ৫৫১ টকাৰ কথা কৈছে। আমাৰ বিভাগৰ বিষয়ে অৱগত নহয়, কিন্তু মই মাননীয় সদস্যগৰাকীক জনাব বিচাৰিছো যে আমি বৰাক ভেলী আৰু ব্ৰহ্মপুত্ৰ ভেলীৰ যিটো মজুৰী তাত ২২ টকাৰ difference আছে। আমি ১-৪-২০২৬ তাৰিখত ৩০ টকা বৃদ্ধি কৰিছিলো। বৰাক ভেলীত ৩০ টকা আৰু ব্ৰহ্মপুত্ৰ ভেলীৰ ৩০ বৃদ্ধি কৰা হৈছে। যাৰ কাৰণে ব্ৰহ্মপুত্ৰ উপত্যকাত ২৫০ টকা আছিল

আৰু ২৮০ টকা হৈছে আৰু বৰাক উপত্যকাত ২২৮ টকা আছিল ৩০ টকা বঢ়াই দিয়া হৈছে ২৫৮ টকা হ'ল। ইতিমধ্যে মই কৈছো যে ২২ টকাৰ difference হ'ল। মই কৈছো যে সংগঠন বিলাকে ডিমাণ্ড কৰিছে, চাহ শ্ৰমিকৰ দৰমহাটো বৃদ্ধি কৰিব লাগে আৰু Union, চৰকাৰ আৰু মালিক পক্ষ মিলি দৰমহা বিলাক বৃদ্ধি কৰা হয়।

**মাননীয় অধ্যক্ষঃ** এতিয়া মহেশ্বৰ বড়ো।

**শ্ৰী মহেশ্বৰ বড়ো, (ভেৰগাওঁ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত প্ৰায় ১১ খন চাহবাগিচা আছে আৰু বহুতো ক্ষুদ্ৰ চাহ খেতিয়ক আছে। এতিয়া মই জানিব বিচাৰিছো যে চাহ বাগান গোটেইখিনিৰ মাটি কোম্পানী বা কোনোবা মালিকৰ অধীনত আছে। লাইনত থকা শ্ৰমিক সকলক যি মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা, সেইটো কোম্পানী বা মালিক সকলে এৰি দিব জানো? সেইটোৱে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰামেশ্বৰ তেলী, ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু উন্নয়ন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,প্ৰশ্নটোৰ উত্তৰ বৰ্তমান মোৰ ওচৰত নাই, নিশ্চয় মই পিচত এই বিষয়ত মাননীয় সদস্যগৰাকীক অৱগত কৰিম।

**মাননীয় অধ্যক্ষঃ** পল্লৱ লোচন দাস।

**শ্ৰীপল্লৱ লোচন দাস**, **(বিশ্বনাথ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাবে যোৱা বিধান সভাত এক ঐতিহাসিক পদক্ষেপ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই গ্ৰহণ কৰিছিল যে চাহ শ্ৰমিক সকলক তেখেত সকলৰ ভূমিৰ অধিকাৰ প্ৰদান কৰা আৰু সেই ভূমিৰ অধিকাৰ প্ৰদান কৰাৰ সেই ঐতিহাসিক সিদ্ধান্তই নিশ্চিত ভাৱে প্ৰতি গৰাকী চাহ শ্ৰমিকক এটা স্থায়ী ঠিকনা দিছিল। যোৱা চৰকাৰৰ দিনত কেইখনমান চাহ বাগিচাক নিৰ্বাচিত কৰি সেই চাহ বাগিচাৰ শ্ৰমিক সকলক মাটিৰ পট্টাও প্ৰদান কৰা হৈছিল আৰু চাহ বাগিচাৰ মালিক পক্ষইও তাত সহযোগিতা কৰিছিল। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে সেই প্ৰক্ৰিয়াটো যিহেতু ইতিমধ্যে আৰম্ভ হৈছে আৰু আমাৰ আন এগৰাকী বিধায়কে এই ক্ষেত্ৰত প্ৰশ্ন কৰিছিল যে চাহ বাগিচাৰ মালিক পক্ষই ইতিমধ্যে এইটো Ceiling Act খনৰ পৰা মাটিখিনি কাটি ৰখা হৈছে। তেওঁলোকক যিটো Ceiling ত দিয়া হৈছিল, চাহ বাগিচাৰ শ্ৰমিকৰ এৰিয়াটো কাটি ৰাখিছে। সেই কাৰণে চাহ বাগিচাৰ শ্ৰমিকৰ এৰিয়াৰ প্ৰক্ৰিয়াটো আৰু কিমান সোনকালে কৰা যাব মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম।

**শ্ৰী ৰামেশ্বৰ তেলী, ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু উন্নয়ন মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, দাস ডাঙৰীয়াই এটা ডাঙৰ প্ৰশ্ন কৰিছে তেওঁ আৰু ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বৰ চৰকাৰখনে ইতিমধ্যে এই বিধান সভাত এখন আইন পাছ কৰিছিল যে চাহ শ্ৰমিকৰ যি কোৱাৰ্টাৰ , তাৰ বাবে মাটি দিয়াৰ কথা কৈছিল আৰু পল্লৱ লোচন দাস ডাঙৰীয়াই প্ৰশ্ন কৰিছে যে সেইটো আচলতে ৰাজহ বিভাগৰ হয়। তথাপি মই সদনক অৱগত কৰাব বিচাৰিছো যে প্ৰথম পৰ্য্যায়ত ২০৬ খন চাহ বাগিচাক সামৰি লোৱা হৈছিল। সেই ২০৬ খন চাহ বাগিচাত ২৮৮৩১ টা পট্টা বিতৰণ কৰা হৈছিল আৰু এতিয়া দ্বিতীয় পৰ্য্যায়ত আমি ২৫০ খন চাহ বাগিছাত ১ লাখ ১৪ হাজাৰ চাহ-শ্ৰমিকৰ পৰিয়ালক পট্টা দিয়াৰ কাৰণে ইতিমধ্যে বাগিছা সমূহত জৰীপ প্ৰক্ৰিয়া চলি আছে।

**মাননীয় অধ্যক্ষঃ-** সঞ্চয় কিষাণ।

**শ্ৰী সঞ্চয় কিষাণ, মাকুম (তিনিচুকীয়া):** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে বৰ্তমান অসমত কিমানখন চাহ বাগিছা আচলতে বন্ধ হৈ আছে আৰু এই চাহ বাগিছা সমূহৰ বৰ্তমান শ্ৰমিকসকলৰ পৰিস্থিতি বা কৰ্মচাৰী সকলৰ পৰিস্থিতি কেনেধৰণে আছে, মই মন্ত্ৰী মহোদয়ৰ পৰা অকনমান জানিব বিচাৰিছো।

**শ্ৰী ৰামেশ্বৰ তেলী, ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু উন্নয়ন মন্ত্ৰীঃ**মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পাছত আৰু মই মন্ত্ৰী হোৱাৰ পাছত অসমত প্ৰায় ৪ খন চাহ বাগিছা বন্ধ হৈ আছিল। এতিয়া জনাবলৈ পাই সুখী হৈছো যে Simlitola Tea Estate, Goalpara এই বাগানখন বহুত দিনৰে পৰা বন্ধ আছিল আৰু এই বাগানখনৰ গছবিলাক ইমানেই ডাঙৰ হৈ গ'ল যে হাতী সোমাই থাকিলেও দেখিবলৈ পোৱা নাযায়, ইমান ডাঙৰ ডাঙৰ গছ হৈ গৈছিল । আমি ইতিমধ্যে কেইবালানী আলোচনা কৰাৰ পাছত Simlitola Tea Estate, Goalpara এইখন মুকলি কৰি দিয়া হৈছে ।

চিকনী চাহ বাগিছাৰ বৰ্তমান কেইবালানী আলোচনা হৈছে আৰু মোৰ বিশ্বাস আছে এই কেইদিনতে  চিকনী চাহ বাগিছাও খুলি দিয়া হ'ব। তাৰ উপৰিও চৰাইদেউ পৰ্বত চাহ বাগিছা আপোনালোকে নিশ্চয় গম পাইছে যিহেতু আমি অধিবক্তা নিয়োগ কৰিছো, NCLT ৰ অধিনত আছে ।  আইলাবাৰী চাহ বাগিছা, যিখন শ্ৰীভূমিত আছে, সেইখন ইতিমধ্যে খুলি দিয়া হৈছে। ঠিক তেনেকৈ বৰ্তমান দুখন চাহ বাগিছা বন্ধ আছে।

**মাননীয় অধ্যক্ষ:** প্ৰশ্ন নং ২, হিমাংশু শেখৰ বৈশ্য।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী হিমাংশু শেখৰ বৈশ্য, (পলাশবাৰী):** মাননীয় অধ্যক্ষ মহোদয়, আজি এই প্ৰথম দিনৰ বাজেট অধিবেশনত মই এই প্ৰশ্নটো সুধিবলৈ পাই ধন্য হৈছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাব বিচাৰিছো যে ২০২১ চনত খিলঞ্জীয়া ও জনজাতীয় বিশ্বাস আৰু 'সংস্কৃতি বিভাগটো গঠন কৰি দিয়াৰ বাবে। অসমত ৰাভা, বড়ো, কাৰ্বি, মিচিং, ডিমাচা আদি জনগোষ্ঠীৰ এক বিশেষ গুৰুত্ব আছে। Assam is not merely a geographical entity but civilization mosaic য'ত সকলো জাতি-জনগোষ্ঠী, সকলোৰে নিজৰ ভাষা, সংস্কৃতি, লোক-সংস্কৃতিক লৈ এক বৰ অসম গঢ়ি তুলিছে। কিন্তু কিছু খবৰ অনুসৰি মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে বিভিন্ন ক্ষেত্ৰত তেওঁলোকৰ পৰম্পৰা সমূহ আমি বিলুপ্ত ঘটা দেখা পাইছো। যেনে কিছু সৰু অঞ্চলত ধৰ্মান্তকৰণৰ নিচিনা ঘটনা আমি হোৱা দেখা পাইছো। মোৰ পলাশবাৰী সমষ্টিতে বাবা আশ্ৰমৰ নিচিনা এলেকাত আমি এনেধৰণৰ ঘটনা দেখা পাইছো। তাৰ লগতে মন্ত্ৰী মহোদয়ক মই আৰু এটা কথা সুধিব বিচাৰিছো যে পৰম্পৰাগত ভাৱে হৈ থকা ৰাভাসকলৰ বাইখৌ পূজা, বড়ো সকলৰ বাথৌ পূজা। সেই পূজাসমূহ মোৰ সমষ্টিৰ অঞ্চল বিলাকত হয়, কিন্তু সেই পূজা বা মন্দিৰ বা থান সমূহৰ নিৰ্মাণৰ কাৰণে চৰকাৰখনে কিবা পৰিকল্পনা লৈছে নেকি ? বেলেগ ঠাই সমূহত দেখা পাইছো কিন্তু আমাৰ সেই অঞ্চল

বিলাকত  স্থানীয় মন্দিৰ বা থান বিলাকত তেনেকুৱা ব্যৱস্থা কৰা হোৱা নাই। মন্ত্ৰী মহোদয়ে কিবা তেনে ধৰণৰ ব্যৱস্থা লৈছে নেকি ? মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে সন্মানীয় সদস্যগৰাকীক জনাব বিচাৰিছো যে আজি  Indigenous Tribal Faith and Culture বিভাগে আমাৰ অসমৰ খিলঞ্জীয়া জনজাতি সকলৰ তেওঁলোকৰ ধৰ্মীয় বিশ্বাসৰ পৰা আৰম্ভ কৰি সমাজখনৰ ৰীতি- নীতি ইয়াৰ লগতে ভাষা কলাসংস্কৃতি সেইবোৰ দৈনন্দিন জীৱনত যাতে পৰিচালিত কৰি থাকিব পাৰে তাৰ কাৰণে যিখিনি সহায় কৰিব লাগে চৰকাৰৰ তৰফৰ পৰা ইয়াৰ কাৰণে আজি চৰকাৰে পৰিকল্পনা লৈছে । ইয়াৰ পিছত তেওঁলোকৰ লগত আলোচনা কৰি  তেওঁলোকৰ জীৱনটোত কোনটো কোনটো ক্ষেত্ৰত কেনেকুৱা ধৰণৰ সাহাৰ্য্য লাগে সেই বিলাককো এতিয়া দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। আমাৰ সংস্কৃতিবোৰ সম্পূৰ্ণভাৱে প্ৰথম ঈশ্বৰৰ বিশ্বাস কৰাৰ পৰা আহে, ইয়াৰ পৰাই ধৰ্ম আৰু এইটো পালন কৰাৰ নামত নিয়ম আৰু সেই নিয়মটোৱেই পিছত সংস্কৃতি হয় আৰু সেইবোৰ ধৰি ৰখাৰ কাৰণে সমাজখনত ৰীতি-নীতি থাকে তাৰ কাৰণে গুৰুত্ব প্ৰদান কৰে মুখ্যমন্ত্ৰী ডাঙৰীয়াই। আজি Indigenous and Tribal faith and pride culture বিভাগক গঠন কৰাৰ পিছৰে পৰা বিভিন্ন জনজাতীয় লোকসকলৰ তেওঁলোকৰ ধৰ্মীয় বিশ্বাসত, পূজাস্থলী বিলাকত মন্দিৰ বা অন্যান্য থান বনাই দিয়াৰ কাৰণে পূঁজি দি অহা হৈছে। সন্মানীয় সদস্যজনে যিখিনি কথা কৈছে আজি অসমত বহু ঠাইত বহুতখিনি খিলঞ্জীয়া জাতি-জনগোষ্ঠী আছে। বৰ্তমান পৰ্য্যায়লৈকে সকলো ঠাইত এইটো চৰকাৰে দিবলৈ সক্ষম হোৱা নাই, একেবাৰতে এইটো সম্ভৱ নহয় আৰু তেখেতে যিখিনি কথা কৈছে তেখেতৰ সমষ্টিৰ কাৰণে নিশ্চিতভাৱে ব্যৱস্থা লোৱা হ'ব আৰু মই আমাৰ বিধায়ক ডাঙৰীয়া সকলকো অনুৰোধ কৰো যে এইক্ষেত্ৰত নিজৰ নিজৰ সমষ্টিত সৰু সৰু জাতি জনগোষ্ঠী সকলোক যাতে অলপ মৰম দিয়ে,

তেওঁলোকৰ প্ৰতি যাতে চকু দিয়ে, তেওঁলোকক বিধায়ক পুঁজিৰ পৰা অলপ অলপ যাতে সহায় আগবঢ়ায় যাতে তেওঁলোকৰ সমস্যা লাহে লাহে সমাধান হয় সুৰক্ষিত হয়। ধৰ্মান্তৰৰ কথা কৈছে, এইটো কথা আজিৰ কথা নহয়, বৃটিছৰ দিনৰ পৰাই ধৰ্মান্তৰ ভাৰতত হৈ আহি আছে গতিকে এই ধৰ্মান্তৰ হোৱাৰ সুযোগটো বা কাৰণবিলাক হ'ল বিভিন্ন খিলঞ্জীয়া জাতি-জনগোষ্ঠী বিলাক খুব isolate হিচাপে থাকিবলগীয়া হয়, তেওঁলোকে কাৰো পৰা সহাৰি নাপায়। সেইকাৰণে বিভিন্ন ধৰ্মীয় গুৰুসকলে তেওঁলোকক influence কৰে। তেওঁলোকে তেওঁলোকক বিভিন্ন বিষয়ত সহায় কৰে। যেনেকৈ খ্ৰীষ্টীয়ানীতিৰ কথা যদি আমি ক'বলৈ যাওঁ খ্ৰীষ্টীয়ানীতিৰ ক্ষেত্ৰত ধৰ্ম প্ৰচাৰক সকলে অলপ যিকোনো জাতি-জনগোষ্ঠীক বিভিন্ন বিপদ-আপদত সাহাৰ্য্য কৰে। এটাটো হ'ল তেওঁলোকৰ ধৰ্মীয় বিষয়ত জানিবৰ কাৰণে তেওঁলোকে জাতি-জনগোষ্ঠীৰ ভাষাৰে তেওঁলোকৰ ধৰ্মীয় পুথি ওলাই দিয়ে, য'ৰ পৰা ধৰ্মৰ বিষয়ে তেওঁলোকে খুব ভালকৈ জানে, য'ত আমাৰ সনাতন ধৰ্মৰ বিষয়ে আমাৰ তেনেকুৱা লিখিত পুথি নথকাৰ কাৰণে ঈশ্বৰৰ বিষয়ে বুজোৱা মানুহো নাই, তেনেকুৱা ধৰণৰ গ্ৰন্থ ও নাই। যিখিনি কথা আমাৰ ধৰ্ম গুৰু সকলে কয় সেইবিলাক কথা বুজিবলৈ সক্ষম নহয় তাৰ কাৰণে এই ক্ষেত্ৰত ধৰ্মান্তৰৰ কামবিলাক জনজাতীয় এলেকাবিলাকত হৈ আহিছে। মই ভাৱো এইক্ষেত্ৰত আমি যদি সকলোৱে সহযোগ কৰো তেতিয়া নিশ্চিতভাৱে এই জনজাতীয় লোকসকলক আমি তেওঁলোকৰ যিবিলাক ধৰ্মীয় ৰীতি-নীতি সেইবিলাক উৰ্ধত ৰখাৰ ক্ষেত্ৰত আমি সক্ষম হ'ম, দৈনন্দিন জীৱনত তেওঁলোকৰ পৰম্পৰা  জাতিগত যি নীয়ম-নীতি আছে সেইটো লৈ চলি থাকিব পাৰিব। গতিকে তেনেকুৱা ধৰণৰ আমি উদ্যোগ ল'ব লাগিব, গতিকে ইয়াত অকল বিভাগ নহয় প্ৰত্যেকজন ইয়াত থকা বিধায়কসকলৰো দায়িত্ব আছে। বহুত সৰু সৰু জনগোষ্ঠী আছে, তেওঁলোকক আমি ধন্যবাদ জনাব লাগিব, বিভিন্ন পৰিস্থিতিৰ মাজতো তেওঁলোকে তেওঁলোকৰ ভাষা, কলা-সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতিক অটুট ৰাখি আজি জাতিটো বচাই ৰাখিছে। সেয়েহে তেওঁলোকক

এতিয়া support দিবলৈ ওলাইছো, নিশ্চিতভাৱে তেওঁলোকক আমি  সুৰক্ষিত কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** আপোনাৰ দ্বিতীয় supplementary আছে নেকি ?

**শ্ৰী হিমাংশু শেখৰ বৈশ্য, পলাশবাৰীঃ** মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক আৰু এটা প্ৰশ্ন সুধিব বিচাৰিছো, ৰাজ্যত বিভিন্ন বিদ্যালয়, মহ্যবিদ্যালয় পাঠ্যক্ৰমত অসমত খিলঞ্জীয়া জনজাতিৰ ইতিহাস সংস্কৃতি আৰু ঐতিহ্য অন্তৰ্ভূক্ত কৰাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা হাতত লৈছে নেকি ?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, যুৱ পৰিক্ৰমা...মন্ত্ৰীঃ** বৰ্তমানলৈকে তেনেকুৱা কোনো পৰিকল্পনা নাই। অধ্যক্ষ ডাঙৰীয়া তেখেতে খুব ভাল প্ৰশ্ন উত্থাপন কৰিছে। নিশ্চিতভাৱে এই বিষয়ত আমি জনজাতীয় বিষয়ে মানুহখিনিৰ অলপ হ'লেও অসমৰ প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ বিষয়ে যাতে জানিব পাৰে তাৰ কাৰণে শিক্ষা বিভাগৰ জৰিয়তে অতিৰিক্তভাৱে হ'লেও এটা তেনেকুৱা ধৰণৰ পাঠ্যক্ৰমত সোমাব পাৰি নেকি নিশ্চিতভাৱে সেইটো চোৱা হ'ব আৰু সেইটো যদি হয় তেতিয়া সকলোৰে এটা চেতনা আহিব আৰু চেতনা আহিলে নিশ্চিতভাৱে আমাৰ এই খিলঞ্জীয়া মানে অসমৰ যি অৰিজিনেল খিলঞ্জীয়া জনজাতি তেওঁলোকৰ সংস্কৃতি বিলাক সকলোৱে মূল্য দিবলৈ আৰম্ভ কৰিব।

**মাননীয় অধ্যক্ষঃ** সন্মানীয় বিধায়ক শ্ৰী ভূপেন বৰা।

**শ্ৰী ভূপেন বৰা, বিহপুৰীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভিন্ন খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ যি চহকী পৰম্পৰা আছে, বিভিন্ন বাদ্যযন্ত্ৰ, গীত-মাত, নৃত্য-নাটক, সাহিত্য এই গোটেইখিনিয়ে আমাৰ যিটো জাতীয় চহকী পৰম্পৰা, সেইক্ষেত্ৰত আমাৰ চৰকাৰে বিভিন্ন শিল্পীসকলক উৎসাহিত কৰিবৰ কাৰণে শিল্পী পেঞ্চন বা সাহিত্যিক সকলক উৎসাহিত কৰিবৰ কাৰণে সাহিত্যিক পেঞ্চন দি আহিছে কিন্তু যেতিয়া আমি চাওঁ অসমৰ প্ৰায় ৭৪ টা ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-

জনগোষ্ঠী আছে হয়তো বেছিও হ'ব পাৰে আৰু এই গোটেই জাতি-জনগোষ্ঠীক আমাৰ চৰকাৰে যিটো শিল্পী পেঞ্চন, সাহিত্যিক পেঞ্চন দিছে ৫ বছৰটো যদি আপুনি চেষ্টা কৰে সকলো জাতি বা সংস্কৃতিৰ যি থলুৱা সম্পদখিনি তেওঁলোকে জীয়াই ৰাখিছে বা চৰ্চা কৰি ৰাখিছে তাক উজ্জীৱিত কৰাটো সহজ নহয়। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক এটা আহ্বান জনাব বিচাৰছো যে তেখেতৰ বিভাগৰ জৰিয়তে জনজাতীয় যি পৰম্পৰা, সংস্কৃতি, সাহিত্য, নৃত্য-গীত বা বাদ্যযন্ত্ৰ এইখিনি ক্ষেত্ৰত চহকী পৰম্পৰাক জীৱন্ত ৰূপ দি যুগে যুগে ধৰি ৰখা মানুহখিনিক আমাৰ এই বিভাগটোৱে মাননীয় মন্ত্ৰী মহোদয়ৰ নেতৃত্বত তেওঁলোককো উদগণি দিবৰ কাৰণে শিল্পী পেঞ্চন বা সাহিত্যিক পেঞ্চনৰ সমান্তৰাল বা সেই সদৃশ এটা উদগণিমূলক ব্যৱস্থা চৰকাৰে ল'ব পাৰিব নেকি বা মন্ত্ৰী মহোদয়ে চিন্তা কৰিব নেকি সেই সম্পৰ্কে মই তেখেতৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী বিশ্বজিৎ দৈমাৰী, যুৱ পৰিক্ৰম মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যি কথা কৈছে ইতিমধ্যে আমাৰ Indigenous and Tribal faith and pride culture বিভাগৰ ফালৰ পৰা ইয়াৰ এটা পৰিকল্পনা লোৱা আছে আৰু লৈছে। এতিয়া প্ৰতিটো জাতি-জনগোষ্ঠীক তেওঁলোকৰ যি পৰম্পৰা সংস্কৃতি এই পৰম্পৰা সংস্কৃতিটো আমি তেখেত সকলকে কেনেকুৱা ধৰণৰ চৰকাৰৰ ফালৰ পৰা উদ্যোগ ল'লে তেওঁলোকে  সেইবোৰ দৈনন্দিন জীৱনত পৰিচালনা কৰি থাকিব পাৰে আৰু তেনেকুৱা ধৰণৰ যদি কিবা ধৰ্মীয় পুথি আছে মই বিধায়ক ডাঙৰীয়াক অনুৰোধ কৰিম আপোনাৰ জৰিয়তে আমাক যদি জনায় তেওঁলোকৰ ধৰ্মীয় পুথি, তেওঁলোকৰ সংস্কৃতিৰ যদি কিবা research কৰিবলগীয়া আছে বা ট্ৰেইনিং কৰিবলগীয়া আছে, তেওঁলোকৰ সংস্কৃতি যদি গুৱাহাটী বা অন্য ঠাইত প্ৰদৰ্শন কৰিবলগীয়া আছে সেইবোৰৰ ব্যৱস্থা Indigenous and Tribal faith and pride culture বিভাগে ল'ব। গতিকে বিধায়ক ডাঙৰীয়া সকলোকে মই অনুৰোধ জনাইছো আপোনালোকৰ ওচৰে-পাজৰে থকা খিলঞ্জীয়া জনজাতি সকলৰ যদি তেনেকুৱা ধৰণৰ কিবা বিশেষ থাকে যিটো চৰকাৰৰ পৰা সহায়

কৰিলে তেওঁলোকে তেওঁলোকৰ দৈনন্দিন জীৱনত নিজৰ জাতীয় যি সংস্কৃতি সেইটো বচাই ৰাখিব পাৰে সেইখিনি অৱগত কৰিলে নিশ্চিতভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ । জনজাতীয় বিশ্বাস, সংস্কৃতি পৰম্পৰা ইয়াক আগুৱাই নিব লাগিলে অকল যে চৰকাৰে কৰিব সেইটো নহয়, বিভিন্ন জনগোষ্ঠীয় সংগঠনসমূহ আছে, বিভিন্ন ধৰণৰ autonomous council আছে , তেওঁলোকৰো দায়িত্ব থাকে আৰু সেই দায়িত্ব আজি পালন কৰি যেনেকৈ এইখন অসমীয়া গামোচা নহয়, এইখন দেউৰী গামোচা। আমাৰ দেউৰী autonomous council ৰ পৰা এইখন আগজুনী বুলি কয়। এইখন যদি আজি নিদিলে হেতেন এইখন যে আগজুনী আমি নামটো গম নাপালোহেতেন । গতিকে অকল চৰকাৰে নহয় সমান্তৰাল ভাৱে ৰাইজেও এই ক্ষেত্ৰত সহায়-সহযোগ কৰিলে নিশ্চিত ৰূপত জনজাতীয় বিশ্বাস আৰু পৰম্পৰাক আমি আগুৱাই নিব পাৰিম।

পৰৱৰ্তী প্ৰশ্ন- শ্ৰী সুৰেণ ফুকন।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী সুৰেণ ফুকন ( ডিগবৈ ) :** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। তথাপিও মই মোৰ অঞ্চলৰ ৰাইজৰ মনৰ কথা দুটামান ব্যক্ত কৰিব বিচাৰিছো। ডিগবৈত নতুনকৈ সংযোজিত হোৱা বুঢ়ীদিহিং মৌজাৰ প্ৰায় ৬খন পঞ্চায়তত অতি জৰাজীৰ্ণ পথ আছিল আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক মই আৰু মোৰ সতীৰ্থ বিধায়ক ভাস্কৰ শৰ্মা ডাঙৰীয়াই অনুৰোধ কৰিছিলো আৰু ডিগবৈ, পেঙেৰী, মহং, বৰডুমছাৰ ৪০ কিমি. যি জৰাজীৰ্ণ পথ, উক্ত পথটি খুব সুন্দৰকৈ নিৰ্মাণ কৰাৰ কথা ব্যক্ত কৰিছিলো আৰু অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই তাৎক্ষণিকভাৱে প্ৰায় আঢ়ৈ বছৰ পূৰ্বে ১৩৩ কোটি টকা আৱণ্টন দিছিল। সেই মৰ্মে দুটা ভাগত কাম আৱণ্টিত হয়। বৰ্তমান এটা ২০ কিমি. ৰ পথ নিৰ্মাণ কৰি আছে লালন মৰাণ ডাঙৰীয়াই, খুব সুন্দৰ হৈছে আৰু যি ডিগবৈ, বৰজান, পেঙেৰী- এই অঞ্চলটোত

২০ কিমি. TDLVL, ভাস্কৰ গোস্বামী আৰু মতলেবুদ্দিন আহমেদ নামৰ দুজন ব্যক্তিয়ে আজি দুবছৰ ধৰি যি নিৰ্মাণ কৰি আছে সেয়া অতি নিম্ন খাপৰ। গতিকে সেই নিম্ন খাপৰ নিৰ্মাণ কাৰ্যৰ পিছত সেই অঞ্চলৰ দল-সংগঠন, ৰাইজে বহুবাৰ প্ৰতিবাদ কৰিছে, বহুবাৰ বন্ধও দিছে আৰু সেই প্ৰতিষ্ঠানটোৱে কোনো নিয়ম-নীতি নমনাকৈ যেনেধৰণে কাম কৰিব লাগিছিল তেওঁলোকে কৰা নাই, অতি নিম্নমানৰ কাম কৰিছে। তেওঁলোকে কোনো WBM কৰা নাই, ৰদৰ যদি কোৱালিটি চাই তেনেহ'লে দেখিব য'ত 12 mm ৰদ দিব লাগে তাত 8 mm দিছে। তাৰ উপৰিও তেওঁলোকৰ দোষৰ কাৰণে এজন ১৯ বছৰীয়া ছাত্ৰ দলুপ ফুকনৰ তেওঁলোকে খন্দা গাঁতত পৰি মৃত্যু হৈছে এবছৰ পূৰ্বে আৰু ভীমপথাৰ গাঁৱৰ মণিৰাম সোণোৱাল নামৰ এগৰাকী ৬০ বছৰীয়া বৃদ্ধলোকক তেওঁলোকৰ পানীৰ টেংকাৰে খুন্দিয়াই হত্যা কৰিছে। গতিকে ইমান এটা ব্যস্ততাপূৰ্ণ পথ, ১৩৩ কোটি আৱণ্টন দিয়া হৈছিল এই বৃহত্তৰ অঞ্চলটিৰ জৰাজীৰ্ণ পথটি নিৰ্মাণ কৰাৰ কাৰণে বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বাৰে বাৰে ধন্যবাদ দিছো। মতলেবুদ্দিন আহমেদ আৰু ভাস্কৰ গোস্বামী ডাঙৰীয়াই যি অতি নিম্ন খাপৰ পথ নিৰ্মাণ কৰিছে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উত্তৰত মই পাইছো যে তেওঁলোকৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হ'ব। ইতিমধ্যে এমাহ পূৰ্বে তিনি গৰাকী উচ্চ পদস্থ অভিযন্তাক তালৈ প্ৰেৰণ কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আৰু আস্থা আছে আৰু তেখেতে কঠোৰতকৈ কঠোৰতম ব্যৱস্থা ল'ম বুলি কৈছে। গতিকে সেই অঞ্চলৰ ৰাইজেও জানিব বিচাৰিছে কাৰণ অতি মন্থৰ গতিত কামখিনি আগবাঢ়িছে আৰু একেবাৰে নিম্ন পৰ্য্যায়ৰ কাম হৈছে। গতিকে অধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মই বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে অতি শীঘ্ৰে এই পথটিৰ মেৰামতি কৰিব লাগে যিহেতু ছাত্ৰ- ছাত্ৰীৰ অহা-যোৱা কৰাত অসুবিধা হৈছে। ব্যৱসায়-বাণিজ্যত অসুবিধা হৈছে। বিশেষকৈ উক্ত পথটি ডিগবৈ- অৰুণাচল সংযোগী পথ আৰু অতি ব্যস্ততাপূৰ্ণ। গতিকে আশা ৰাখিছো অতি শীঘ্ৰে ইয়াৰ তদন্ত হ'ব আৰু তেওঁলোকৰ ওপৰত এটা উচিত ব্যৱস্থা ল'ব লাগে বুলি ভাবো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** Thank you. Hon'ble Minister.

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, ডিগবৈ সমষ্টিত অসম মালা ২.০ আঁচনিৰ অধীনত নিৰ্মিত ব্ৰহ্মজান, পেঙেৰী আৰু ডিগবৈ পথৰ মানদণ্ড সম্পৰ্কে উত্থাপিত অভিযোগৰ পৰিপ্ৰেক্ষিতত উৰ্দ্ধতন কৰ্তৃপক্ষৰ নিৰ্দেশ মতে ডিগবৈ সমজিলাৰ নেতৃত্বত এটা পৰিদৰ্শন সম্পূৰ্ণ কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া, সমজিলা প্ৰশাসনৰ প্ৰতিবেদন অনুসৰি Course sampling, materials analysis, dimensional verification, layered thickness deficit, sub-base instability, drainage infrastructure deficiency, CD works deficiency আদিৰ দোষ পৰিলক্ষিত হৈছে। আমাৰ CDC ৰ প্ৰতিবেদনত এই কামটো নিম্ন মানৰ হোৱা বুলি প্ৰতিবেদন দিয়া হৈছে। ইতিমধ্যে তাত উক্ত কামত নিয়োজিত কাৰ্য্যবাহী অভিযন্তা, সহকাৰী কাৰ্য্যবাহী অভিযন্তা আৰু সহ অভিযন্তাক তৎকালীনভাৱে সেই ঠাইৰপৰা বদলি কৰা হৈছে। লোক নিৰ্মাণ বিভাগৰ পৰা মুখ্য অভিযন্তাক উক্ত কামতো কেনচেল কৰিবলৈ পৰামৰ্শ দিয়া হৈছে আৰু মই ভাবো যে অতি সোনকালে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লোৱা হ'ব। অধ্যক্ষ ডাঙৰীয়া, এটা কথা অনিস্বীকাৰ্য্য যে এইখন চৰকাৰৰ দিনত ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কোনো মানুহক নিম্নমানৰ কাম-কাজ কৰি খাই যাবলৈ নিদিয়ে। এই ক্ষেত্ৰত আমি সচেতন। তেখেতে যি দুটা নাম কৈছে বা আন যিয়েই নহওঁক যদি নিম্নমানৰ কাম কৰে তেখেতসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব আৰু কাকো নিম্নমানৰ কাম কৰিবলৈ দিয়া নহ'ব। ধন্যবাদ।

**শ্ৰী সুৰেণ ফুকন ( ডিগবৈ ) :** মাননীয় অধ্যক্ষ মহোদয়, উক্ত পথটিত ১২ লাখ paver block আছিল আৰু সেই ১২ লাখ paver block ঠিকাদাৰ প্ৰতিষ্ঠানটোৱে তাৰ পৰা চুৰি কৰি বিক্ৰী কৰিলে। ইয়াৰ ওপৰতো তদন্ত হ'ব লাগে আৰু যি দুগৰাকী নিৰ্দোষী ব্যক্তি – দলুপ ফুকন, দুৱাৰমাৰা আদৰ্শ গাঁৱৰ ১৯ বছৰীয়া ছাত্ৰ আৰু ভীমপথাৰ গাঁৱৰ ৬০ বছৰীয়া মণিৰাম সোণোৱাল, তেওঁলোকৰ কাৰণে কোনো ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা নাই। কিবা লাম-চাম এটা দিছে, গতিকে

তেওঁলোকৰ দুখীয়া পৰিয়াল দুটাক ঠিকাদাৰ প্ৰতিষ্ঠানটোৰ পৰা সাহাৰ্য্যৰ বাবে উচিত এটা আৰ্থিক অনুদান দিব লাগে বুলি ভাবো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** Thank you.

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, এইটো এটা accidental case, বা যি নহওঁক সেইটো Police Department বা গৃহ বিভাগে চাব। নিশ্চয়কৈ গৃহ বিভাগৰ লগত এই বিষয়ে আলোচনা কৰি পৰিয়ালক কিবা ক্ষতিপূৰণ বা সহায় কৰিব পাৰি নেকি তাৰ কাৰণে চেষ্টা কৰা হ'ব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা বিভাগ) :** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো যে সুৰেণ ফুকন ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে সেইটো কেৱল পথৰ সমস্যাই নহয়, যি দুজন ব্যক্তিৰ নাম তেওঁ উল্লেখ কৰিছে তেওঁলোকে ডিগবৈৰ সামাজিক পৰিৱেশটোও বিনষ্ট কৰিছে। মই যিহেতু সেই ঠাইৰ Guardian Minister আছিলো গতিকে সেই বিষয়টো যেতিয়া মোৰ দৃষ্টিগোচৰ কৰিছিল তেতিয়া মই দেখিছো তাৰ জনসাধাৰণে সৰ্বসাধাৰণ মানুহৰ লগত বিভিন্ন ধৰণৰ পক্ষৰ সৃষ্টি কৰি এটা সংঘাতৰ পৰিৱেশ সৃষ্টি কৰিছিল। গতিকে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ এই দুজন ঠিকাদাৰৰ ওপৰত যাতে ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ :** ঠিক আছে। পৰৱৰ্তী প্ৰশ্ন- শ্ৰী অখিল গগৈ।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** অধ্যক্ষ ডাঙৰীয়া, দীৰ্ঘদিন ধৰি অসমৰ সকলো সচেতন মানুহে লক্ষ্য কৰিছে যে আজি -কালি থানাবোৰত FIR বোৰ ৰেজিষ্টাৰ কৰা নহয়। বোধহয় আমাৰ অতি ভাল চৰকাৰখনে তেওঁলোকৰ নামটো যাতে National Crime Bureau report ত যাতে অপৰাধ অসমত কম হয় সেইটো দেখুৱাবলৈ এইটো কৰি আহিছে। মই ইয়াত যিবোৰ প্ৰশ্ন সুধিছিলো সেইবোৰৰ

একেবাৰে সাধাৰণ উত্তৰ দিছে আৰু ফালৰি কাটি গৈছে। এতিয়া মোৰ প্ৰথম Supplementary Question টো হ'ল যে ১ জুলাই, ২০২৪ ৰপৰা ৩০ জুন, ২০২৬ লৈকে অসমৰ সকলো থানাত বছৰি কিমান কৈ GD entry কৰা হৈছিল? GD entry কৰাৰ পিছত preliminary inquiry কিমান গোচৰত কৰা হ'ল? সেই GD entry আৰু preliminary inquiry ৰ পৰা কিমান FIR ৰেজিষ্টাৰ কৰা হ'ল? মেডিকেল কিমান কৰা হ'ল আৰু মেডিকেল কিমান মানুহক কৰিলে আৰু কিমান মানুহক মেডিকেল কৰোৱাৰ পিছত FIR ৰুজু কৰিলে আৰু কিমানত নকৰিলে? GD entry আৰু FIR ৰ বছৰেকীয়া পাৰ্থক্য, ২০২৪ চনত GD entry মুঠতে কিমান হৈছিল, মুঠ FIR কিমান হ'ল আৰু ২০২৫ চনত GD entry কিমান হৈছিল আৰু FIR কিমান হ'ল? ২০২৬ ত GD entry কিমান হ'ল আৰু FIR কিমান হ'ল? মেডিকেল কিমান হৈছিল আৰু তাৰপৰা FIR কিমান হিচাপে পঞ্জীয়ন কৰা হ'ল তাৰ তথ্য লাগে।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** অধ্যক্ষ ডাঙৰীয়া, সেই তথ্য সদনত দিয়া হৈছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** নাই, দিয়া নাই। মই সুধিছো এটা বেলেগ প্ৰশ্ন, মোক আপোনালোকে যিটো উত্তৰ দিছে সেইটো বেলেগ। কিমান কেচ ৰেজিষ্টাৰ কৰা হ'ল তাৰ তথ্যহে আপোনালোকে দিছে। আপোনালোকে মোক GD entry টো দিয়া নাই। মই এতিয়া Supplementary Question ত GD entry ৰ পৰিমাণটো বিচৰাও নাছিলো, GD entry ৰ কথা উল্লেখহে কৰিছিলো যে GD entry কৰাৰ পিছত আপোনালোকে......

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ) :** তেনেহ'লে আমি কেনেকৈ দিম?

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) :** Supplementary Question তাকেই কয় যে যিটো প্ৰশ্ন ইয়াত দিয়া নাই আপোনালোকে তাৰবাবেও সাজু হৈ আহিব লাগিব।

...............(সদনত হুলস্থূল)............

মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো কৰিছিলো যে চলিত ২০২৬ চনৰ অসমত অপৰাধৰ হাৰ ২৮ শতাংশ হ্ৰাস পাইছে বুলি চৰকাৰে যি দাবী কৰিছে, সেই পৰিসংখ্যা প্ৰস্তুত কৰোতে কেৱল নিয়মীয়া এজাহাৰ ( FIR) সমূহকে গণনা কৰা হৈছে নে থানাসমূহত পঞ্জীয়ণ হোৱা প্ৰতিটো GD Entry আৰু NC গোচৰৰ সংখ্যাকো ইয়াত অন্তৰ্ভূক্ত কৰা হৈছে । মোক সংখ্যাটো দিব লাগে । মই পোনপটীয়াকৈ প্ৰশ্নটো সুধিছো।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সংখ্যাটোৰ কথা কোৱাই নাই ....... Interruption.........

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি উত্তৰটো দিয়ক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় মন্ত্ৰী মহোদয়, আপুনি উত্তৰটো দিয়ক I ....... Interruption.........

**মাননীয় অধ্যক্ষ :** অখিল গগৈ ডাঙৰীয়া, আপুনি বহক । মাননীয় মন্ত্ৰী ডাঙৰীয়াক উত্তৰটো দিবলৈ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ এই ১২৬ জন সদস্যৰ ভিতৰত মই এইবাৰ আৰু যোৱাবাৰৰ বিধায়ক সকলৰ কথা কৈছো। সকলোতকৈ বেছি fake encounter আৰু fake case ৰ কথা কোৱা, পুলিচৰ ক্ষেত্ৰত fake শব্দটো ব্যৱহাৰ কৰা মানুহজন কোন হয় ? মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ বিৰুদ্ধে বিভিন্ন থানাত ৩২ টা কেচ আছে। তেখেতে গোটেইবিলাক fake case বুলি কৈ ফুৰে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিৰুদ্ধে গোটেই অসমত ৩২ টা নহয়, ১৬৫ টা কেচ আছে আৰু ৫০ টা মানত মই এতিয়ালৈকে acquittal পাইছো....... Interruption.........

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে নিৰ্ব্বাচনৰ Affidavit ত ভূল তথ্য কিয় দিছে ?

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, এইবোৰ ব্যক্তিগত কথা ক'ব নালাগে। যিটো প্ৰশ্ন সুধিছো তাৰে উত্তৰ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ দিলে উদাহৰণ দিমেই....... Interruption.........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ মুখ বন্ধ হৈ গৈছে ....... Interruption.........

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ মুখ বন্ধ হ'বই নোৱাৰে। ....... Interruption.........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটোৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ''*"

**মাননীয় অধ্যক্ষ :** আপোলোক বহক । মই এটা কথা ক'বলৈ বিচাৰিছো । মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই কৈছে যে আজিৰ এই প্ৰশ্নটোৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ''**" । এই কথাখিনি আমাৰ Proceedings ৰ পৰা expunge কৰা হ'ল। ....... Interruption.........

---

*** Expunged as orderd by the Chair.**

**** Since Expunged as orderd by the Chair.**

**(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)**

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মোক প্ৰশ্নটোৰ উত্তৰ দিবলৈ দিয়ক। মই উত্তৰ দিয়াই নাই।

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়া, মই আপোনাক উত্তৰ দিবলৈ দিম। মাননীয় অখিল গগৈ ডাঙৰীয়াই কোৱা কথাটো expunged কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন সময়ত বিভিন্ন দায়িত্ব সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক দি যাব পাৰে। তেখেতক সেই হিচাপে দায়িত্ব দিছে। এতিয়া মন্ত্ৰী ডাঙৰীয়া, আপুনি উত্তৰ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, BNS ত বহু কেচ ভুৱা কেচ বুলি কোৱা হ'ল। বহু ব্যক্তিয়ে অন্য মানুহক অন্যায় কৰিবলৈ মিছাকৈ কেচ দিয়ে। গতিকে BNS ত কোৱা হ'ল যে যদি থানাৰ অ' চিয়ে ভাৱে যে এই কেচটো cognizable নহয় non cognizable হয়। .....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মই সুধিছো GD entry ৰ সংখ্যা কিমান ? সেইটোৰ উত্তৰ দিয়ক।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মোক প্ৰশ্নটোৰ উত্তৰ দিবলৈ দিয়ক। মই GD entry ৰ কথাটো বুজাই আছো। মোক কথা ক'বই নিদিয়ে। ....... Interruption......... মই আজি ডাঙৰ কথা ফাদিল কৰি আছো। তেখেতে affidavit ত ভূল তথ্য দিছে। এই মাত্ৰ তেখেতে ক'লে যে তেখেতৰ ১৬৫ টা কেচ আছে আৰু নিৰ্বাচনৰ affidavit ত মাত্ৰ ৩২ টা কেচ থকা বুলি কৈছে। ... interruption.... According to the Govt. data he has 32 cases and he has given in the affidavit that he has only 23 cases. মাননীয় অধ্যক্ষ মহোদয়, ১০ টা কেচ ভূলকৈ দিছে। আমি affidavit খন

লৈ কোৰ্টলৈ যাম। এইটো এটা ডাঙৰ কথা। এতিয়া মই প্ৰশ্নটোৰ উত্তৰ দিম। GD entry মানে কি ? GD entry মানে হৈছে general entry. থানাখনৰ এলেকাত ২৪ ঘণ্টাৰ ভিতৰত যি ঘটনা হৈছে তাৰ entry কৰিব লাগে। সেয়া কেচেই হওঁক বা দোকান এখন জ্বলি গৈছে বা যিকোনো এটা ঘটনা হৈছে আৰু ইয়াৰ খবৰ থানাত পাইছে তাৰ general entry হ'ব লাগে। ৰাতি ১২ বজাৰ ভিতৰত general entry কৰিবই লাগে । এইটো সম্পূৰ্ণ ডিজিটেল প্ৰচেচ । আজিকালি কাগজত লিখা নিয়ম নাই। ....interruption .....

**মাননীয় অধ্যক্ষ :** মাননীয় অখিল গগৈ ডাঙৰীয়া, আপুনি কিয় কথা কৈ আছে ? মাননীয় মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, কথাখিন ক'লেই ফাদিল হৈ যায় কাৰণে আপুনি মোক ক'বলৈ নিদিয়ে। General Diary Entry আৰু FIR দুটা বেলেগ বস্তু। যেতিয়া BNS ত এইটো লক্ষ্য কৰিলে যে বহু মানুহক এনেই কেচ জাপি দিয়া হয় । তেখেতেই ভুৱা এনকাউণ্টাৰ, ভুৱা কেচ বুলি কৈ থাকে। এই ভুৱা কেচ নোহোৱা কৰিবলৈ কৰা হ'ল যে যদি অ' চিয়ে ভাৱে যে কোনো এটা কেচৰ যথাযোগ্যতা নাই, এই কেচটো মানুহ এজনক কষ্ট দিবলৈ কৰিছে তেওঁ ডি এচ পিৰ পৰা অনুমতি ল'ব লাগিব। ডি এচ পিৰ পৰা অনুমতি নোলোৱাকৈ তেওঁ কেচটো তদন্তৰ বাবে forward কৰিব নোৱাৰে। যদি ডি এচ পিয়ে regularized কৰে বা go ahead দিয়ে তেতিয়া তেওঁ এজন Investigation Officer ৰ দ্বাৰা প্ৰাথমিক তদন্ত কৰিব। যদি ভাৱে যে এইটো cognizable হয় তেতিয়া FIR হ'ব আৰু যদি ভাৱে এইটো cognizable নহয় তেতিয়া FIR নহয়। যদি কোনো লোকে ভাৱে যে Investigation Officer বা অ' চি জনে গণ্ডগোল কৰি ৰেজিষ্টাৰ নকৰিলে তেতিয়া তেওঁ এচ পি ৰ ওচৰলৈ যাব পাৰিব। নহ'লে তেওঁ কোৰ্টলৈ ও যাব পাৰিব। এইখিনি ব্যৱস্থা আছে। মই পুনৰবাৰ কৈছো যে মাননীয় অখিল গগৈ ডাঙৰীয়াই কয় যে তেওঁৰ বিৰুদ্ধে সকলো ভুৱা কেচ। তেওঁ সদায় চোৰ-ডকাইত মাৰিলেও ভুৱা এনকাউণ্টাৰ বুলি কয় । এইখিনি প্ৰতিৰোধ কৰিবলৈ FIR ক ১৪ দিনৰ কাৰণে প্ৰাথমিক তদন্তৰ

ব্যৱস্থা কৰা হৈছে। মই আকৌ কৈছো যে GD entry হৈছে General Diary Entry. থানাখনৰ এলেকাৰ ভিতৰত যি কোনো ঘটনা .... Interruption .....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, তেখেতক এল পি স্কুলত পঢ়িবলৈ পঠিয়াই দিয়ক। মই যিটো সুধিছো তাৰ উত্তৰ দিয়ক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কওঁ যে তেখেতে affidavit ত ভূল তথ্য দিছে। তেখেতৰ নিৰ্বাচন কেনচেল হ'ব লাগে । মই উত্তৰটো ভালকৈ দিছো । বুজিব বিচৰা মানুহক ভালকৈ বুজাব পাৰি , নুবুজা মানুহক কেনেকৈ বুজাম ? উত্তৰটো মই ভালকৈ দিলোৱেই। মই কৈছোৱেই যে GD entry আৰু FIR দুটা বেলেগ বস্তু।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, GD entry ৰ সংখ্যা কিমান ? মাননীয় মন্ত্ৰী ডাঙৰীয়াই FIR ৰ সংখ্যা কিমান দিছে। মোক GD entry ৰ সংখ্যা কিমান সেইটো লাগে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অখিল গগৈ ডাঙৰীয়া, GD entry ৰ সংখ্যা লাগে বুলি ক'ত দিছে ? আপুনি মোক দিয়াই নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া সুধিছো। এইটো পৰিপূৰক প্ৰশ্ন । আপুনি ভয় খাব নালাগে । আপোনালোকৰ ভাওঁ ইতিমধ্যে ফুটি গৈছে। জনা মানুহে ইতিমধ্যে গম পাই গৈছে যে এই চৰকাৰখন দুই নম্বৰী চৰকাৰ।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মোক উত্তৰটো দিবলৈ দিয়ক । অসমত ৩০০ খন মান থানা আছে আৰু তাত GD entry কিমান হৈছে এক মিনিটত উত্তৰ দিব পাৰিম নেকি ? মই এক মিনিটত উত্তৰটো ক'ৰ পৰা আনিম ?

**মাননীয় অধ্যক্ষ :** GD entry ৰ বিষয়ে আপুনি পৰিপূৰক প্ৰশ্ন সোধাৰ লগে লগে মাননীয় মন্ত্ৰী মহোদয়ে কেনেকৈ উত্তৰ দিব পাৰিব ?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, দুই নম্বৰ প্ৰশ্নটো চাই লওঁক। মই দুই নম্বৰ প্ৰশ্নত লিখিছো যে চলিত ২০২৬ চনত চৰকাৰে অসমত অপৰাধৰ সংখ্যা ২৮ শতাংশ হ্ৰাস হৈছে বুলি যি দাবী কৰিছে, সেই পৰিসংখ্যা প্ৰস্তুত কৰোতে কেৱল নিয়মীয়া এজাহাৰ (FIR) সমূহকে গণনা কৰা হৈছে নে থানা সমূহত পঞ্জীয়ণ হোৱা প্ৰতিটো GD Entry আৰু  NC গোচৰৰ সংখ্যা ইয়াত অন্তৰ্ভূক্ত কৰা হৈছে ?

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত  GD Entry ৰ সংখ্যাটো ক'ত বিচাৰিলে ?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি এল পি স্কুলত গৈ আকৌ পঢ়ক গৈ। ....interruption ..... মই GD Entry আৰু NC দুয়োটাই সুধিছো আৰু লগতে FIR ৰ সংখ্যাটোও সুধিছো। মোক ইয়াৰ উত্তৰ দিয়ক।

**মাননীয় অধ্যক্ষঃ** আপুনি GD entry ৰ কথা কৈছে, GD entry সংখ্যাটো তেখেতে দিব পৰা নাই কাৰণ এইটো ইমান সহজ কথা নহয়, পৰৱৰ্তী সময়ত আপোনাক GD entry নম্বৰটো সদনৰ মজিয়াত দাখিল কৰা হ'ব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, চেকেণ্ড ছাপ্লিমেন্টৰিটো হ'ল GD entry আৰু FIR যদি পুলিছে ৰেজীষ্টাৰ নকৰে, তেন্তে তাৰ ওপৰত কম্পলেইন কৰিবলৈ কি ব্যৱস্থা আছে? মাননীয় অধ্যক্ষ মহোদয়, মোক কথাটো ক'বলৈ দিয়ক৷ টোল ফ্ৰী নম্বৰ বা ই-মেইল আইডি দিয়া আছে নে? Magistrate ক কিমান GD entry নকৰিলে সেইটো যদি FIR নকৰে, তেতিয়া হ'লে CrPC 156(3) আৰু BNSS 175(3) ৰ অধীনত সেইটো Magistrate ৰ ওচৰলৈ যায়। তেনেকে Magistrate ৰ ওচৰলৈ যোৱাৰ পাছত অসমত কিমানটা

কেচ আকৌ ৰেজীষ্টাৰ, FIR কৰিবলৈ বাধ্য হৈছে? National Human Rights Commission আৰু Assam Human Rights Commission য়ে আকৌ নতুনকে GD entry বিলাকক নতুনকে FIR কৰিবৰ কাৰণে কিমানটা পঞ্জীয়ন কৰিবলৈ নির্দেশ দিছে? পুলিচ একাউণ্টেবিলিটি কমিছনে কিমানটা এনেকুৱা GD entry, পুলিচে এন্ট্রি, FIR নকৰাৰ কাৰণে নির্দেশ দিছে? এই সংখ্যাটো যি Magistrate য়ে দিয়া কিমান ৰেজীষ্টাৰ কৰিবলৈ নির্দেশ দিছে, National Human Rights Commission আৰু Assam Human Rights Commission আৰু পুলিচ একাউণ্টেবিলিটি কাউন্সিলে কিমান এনেকৈ GD entry ৰেজীষ্টাৰ কৰিবলৈ নির্দেশ দিছে? তাৰ অর্থটো হ'ল তেওঁলোকে নির্দেশ দিছে মানে পুলিচে সেইটো ইচ্ছাকৃতভাৱে কৰা নাই। গতিকে সেই পুলিচৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে তাৰ উত্তৰটো লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী৷

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাতত তথ্য থকাৰ মতে এতিয়ালৈকে কোনো তেনেকুৱা কৰা নাই।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, একো তথ্য নাই।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আছে, আপুনি এনেকৈ ক'লে হ'ব নেকি?

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি লুকুৱাব নোৱাৰে।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো কথা ৩২ টা কেচ হৈছে। কোনো তথ্য নাই বুলি কৈছে। আপুনি নিজেই লুকুৱাইছে।

**মাননীয় অধ্যক্ষঃ** আপুনি সন্তুষ্ট হয় হ'ব নহয় নাই, মাজত কিয় কৈছে?

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ উত্তৰটো লাগে। তেখেতেহে লুকুৱাইছে৷ মোক উত্তৰটো লাগে৷ তেখেতে লুকুৱাইছে। উত্তৰটো দিয়ক। পলাই লাভ নাই, সকলোৱে গম পাই গৈছে, উত্তৰটো দিয়ক।  হোম ডিপাৰ্টমেণ্ট শেষ, পুলিচ ডিপাৰ্টমেণ্ট শেষ। এই নাঙঠ হৈ গ'ল চব।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়,  তেখেতে তথ্য লুকুৱাই, আমি নুলুকাওঁ। জলজল পটপটকৈ ওলাই গ'ল। আমাৰ ৰেকৰ্ডত আছে ৩২ টা কেচ তেখেতৰ এগেইনষ্টত আছে। তেখেতে ক'লে ১৬৫ টা কেচ আছিলে। অন ৰেকৰ্ডত যি ভিডিঅ' আছে।  ইলেকচন affidavit ৰ ভিতৰত কিমানটা দিছে? মাত্ৰ ২১ টা কেচ ছাৰ। তথ্য কোনে লুকুৱাই? মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই লুকুৱাই। আমি নুলুকাওঁ ছাৰ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী দীপক দাস৷

**শ্ৰী দীপক কুমাৰ দাস, বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমটো হ'ল GD entry যিটো GD entry টো হ'ল জেনেৰেল ডায়েৰী এন্ট্ৰি। এইটো ৰেগুলাৰ এইটো প্ৰচিডুৰ মেইনটেইন কৰাৰ কাৰণে, যদি এগৰাকী পুলিচ অফিচাৰে অপাৰেশ্বনলৈ যায়, তেতিয়াওতো GD entry টো মানে তেওঁ ৰেজীষ্টাৰ কৰি যাব লাগিব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে উত্তৰ দি আছে নেকি? তেখেত মন্ত্ৰী নেকি ছাৰ?

**মাননীয় অধ্যক্ষঃ** আপোনাৰ প্ৰশ্নটো কৰক।

**শ্ৰী দীপক কুমাৰ দাস, বৰপেটাঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হ'ল GD entry Supplementary চাৰ GD entry যিটো তেওঁ question পুট কৰিব পাৰিছে তেনেকুৱা ইয়াৰ নাই, cognizable আৰু non-cognizable টো পৰা নাই। গতিকে তেওঁ মিছলিড কৰি আছে যে সদনক।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এতিয়া প্ৰশ্ন নম্বৰ ৫।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে৷

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য শ্ৰী মানব ডেকা৷

**শ্ৰী মানব ডেকা, লক্ষীমপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, পবিত্ৰ সদনত যেতিয়া এজনে সদস্যই কথা কয়, সঁচা কথা কব লাগে হয় নে নহয়? তেখেতে ১৬২ টা কেছ আছে বুলি কৈছে, ইলেকচন affidavit ২১ টা দেখাইছে। ইনকোৰাৰি এটা দিব লাগে তেওঁ মেম্বাৰশ্বিপ যাব লাগে। আপুনি ইনকোৰাৰি দিয়ক ইমিডিয়েটলি।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ মাননীয় অধ্যক্ষ মহোদয়, মানৱ ডেকাক সকলোৱে * বুলি জানে।**

---

* Expunged as ordered by the Chair

**মাননীয় অধ্যক্ষঃ** আপুনি বহক৷ এতিয়া প্ৰশ্ন নম্বৰ ৫ মাননীয় সদস্য শ্ৰী আমিনুল হক লস্কৰ।

**শ্ৰী আমিনুল হক লস্কৰ, সোণাইঃ** অধ্যক্ষ মহোদয়, আমার প্রশ্ন ছিল সোনাই সমষ্টিতে আসাম-মালার Project আছে কিনা? উত্তর যেটা পেয়েছি সেটাতে আমি সন্তুষ্ট হতে পারি নাই। এখানে বলা হয়েছে যে আসাম-মালার Project সমষ্টি ভিত্তিক করা হয় না। ঠিক আছে মেনে নিলাম সমষ্টি ভিত্তিক নেওয়া হয় না, কিন্তু এখানে উত্তরে বলা হয়েছে Priority basis. Priority basis various perimeter and traffic intensity. Priority basis এ যদি নেওয়া হয় তাহলে সোনাই সমষ্টিত আসামা-মালার Project দিতে হয় কারণ ২০২৩ Delimitation এর পরে ৬ টা সমষ্টিকে জুড়ে সোনাই সমষ্টি হয়েছে। এজন্য সোনাই সমষ্টিতে Priority খুব দরকার। আর যদি various perimeter হয় তাহলে সোনাই সমষ্টি অতিক্রম করে একটা শিব মন্দির আছে। সেই শিব মন্দিরে হাজার হাজার সনাতনী তীর্থযাত্রীরা শিব রাত্রির দিন যান। কিন্তু সেটাকে various priorityতে রাখতে হয়। এইজন্য আমি মন্ত্রী মহোদয়কে অনুরোধ করছি, এবং লোক নির্মাণ বিভাগের দায়িত্বে আমাদের মুখ্যমন্ত্রী আছেন এইজন্য সোনাই সমষ্টিতে আসাম-মালার Project দেওয়া সম্ভব হয় কিনা আপনারা বিবেচনা করবেন।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমমালা সমষ্টি ভিত্তিক নহয়। অসমমালা অধ্যক্ষ ডাঙৰীয়া তিনিটা কাইটেৰিয়া হয়, যে জিলাখনৰ দুটা বা তিনিটা সমষ্টি লগ কৰিব পাৰি নেকি? অধ্যক্ষ ডাঙৰীয়া চেকেণ্ড হয়, ট্ৰাফিক। অসমমালা ৰাস্তাটো বনাই দিলে নহব, তাৰ ট্ৰাফিক আছেনে নাই? মানে তাৰ গুৰুত্ব আছে নে নাই? ৰাস্তাটোৰ গুৰুত্ব আছেনে নাই? থাৰ্ড অধ্যক্ষ ডাঙৰীয়া প্ৰশ্নটো হ'ল, যে অসমমালা ৰাস্তা বনাওতে কোনো লেণ্ড একুইজিশ্যন খৰছ দিয়া নহব। অধ্যক্ষ ডাঙৰীয়া, land acquisition cost দিয়া নহ'ব। বহুত জেগাত, বহুত সমষ্টিৰ পৰা আমাক, ডিপাৰ্টমেণ্টক আৰু চৰকাৰক অনুৰোধ কৰে যে ইয়াতে "অসম মালা"ৰ ৰাস্তা এটা ধৰিব লাগে। তাৰ পাছত আমি তাত feasibility ৰিপ'ৰ্টৰ কাৰণে প্ৰতিবেদন বিচাৰোঁ। তেতিয়া কয় যে

ইয়াতে ৰাস্তাটো বনাব লাগে কিন্তু land acquisition ৰ সমস্যা আছে । আৰু land acquisition ৰ টকা চৰকাৰে ব্যয় কৰি অসম মালাৰ ৰাস্তা নবনায়। যদি এই তিনিটা criteria কেতিয়াবা উপলব্ধ হয়, প্ৰথম কথা কৈছোঁ importance মানে কিমান traffic আছে ? দ্বিতীয়তে, দুটা বা তিনিটা সমষ্টি আহিব লাগিব ডিষ্ট্ৰিক্টখনত। তৃতীয়তে, যদি land acquisition ৰ cost দিব নালাগে, definitely আমি ভৱিষ্যতে আপোনাৰ সমষ্টিত বা লক্ষীপুৰ সমষ্টিত "অসম মালা"ৰ কাম ধৰিব পাৰিম। এই মুহূৰ্তত অধ্যক্ষ ডাঙৰীয়া, এই কেইটা criteria উপলব্ধ নোহোৱাৰ কাৰণে পৰা নাই।

**মাননীয় অধ্যক্ষঃ আপোনাৰ** Criteria **ঠিক হ'লে এইটো কৰা যাব।**

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ মাননীয় অধ্যক্ষ মহোদয়**, **আমাৰ এটা** Adjournment Motion **আছে।**

**মাননীয় অধ্যক্ষঃ মই কৈ আছো । এতিয়া কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন । অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাবলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধানসভাৰ কাৰ্য উপদেষ্টা সমিতিৰ এখন বৈঠক পুৰণি বিধানসভা ভৱনৰ অধ্যক্ষৰ কাৰ্যালয়ৰ সভাকক্ষত যোৱা ১৬ জুন ২০২৬ তাৰিখে আবেলি** ৪.০০ **বজাত অনুষ্ঠিত কৰা হয় আৰু বৈঠকত আজি ৬ জুলাই ২০২৬ তাৰিখৰ পৰা আৰম্ভ হোৱা অসম বিধানসভাৰ বাজেট অধিৱেশনৰ কাৰ্যসূচীখন আৰু বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰশ্নসমূহৰ বাবে বিভিন্ন বিভাগৰ দিশসমূহৰ ক্ৰমানুসাৰে আবণ্টনৰ লগতে বেলটৰ তাৰিখ প্ৰশ্নসমূহৰ জাননী পোৱাৰ শেষ তাৰিখ দেখুওৱা তালিকাখনো সমিতিয়ে পুংখানুপুংখভাৱে চালি-জাৰি চোৱাৰ অন্তত সৰ্বসন্মতিক্ৰমে অনুমোদন জনায় । অধিৱেশনৰ মুঠ ২১ দিনীয়া কাৰ্যসূচীৰ ভিতৰত দুদিন বেচৰকাৰী সদস্যৰ কাৰ্যসূচী অৰ্থাৎ ২৪ আৰু ৩১ জুলাই তাৰিখে**, **১৪ দিন চৰকাৰী কাৰ্যসূচী আৰু পাঁচ দিন বিভাগীয়ভাৱে সম্পৰ্কীয় স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে নিৰ্ধাৰিত কৰা হয় । সভাত ১০ জুলাই ২০২৬ তাৰিখে অসম**

**চৰকাৰৰ ২০২৬-২৭ বৰ্ষৰ বাৰ্ষিক বিত্তীয়  প্ৰ বিৱৰণী প্ৰাককালীন বাজেট উত্থাপন কৰিব । ১৩, ১৪ আৰু ১৫ জুলাই তাৰিখে বাজেটৰ ওপৰত সাধাৰণ আলোচনা কৰিবলৈ সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে আৰু ১৬ জুলাইৰ পৰা ২১ জুলাই ২০২৬ তাৰিখলৈ বিভাগীয়ভাৱে সম্পৰ্কীয় স্থায়ী সমিতিসমূহৰ বৈঠকৰ বাবে সদন স্থগিত ৰখাৰ লগতে সমিতিসমূহৰ বৈঠকৰ প্ৰতিবেদনসমূহ ২২ জুলাই ২০২৬ তাৰিখে সদনত দাখিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । সভাত ২২ আৰু ২৩ জুলাই ২০২৬ তাৰিখে দাবী মঞ্জুৰীসমূহৰ ওপৰত আলোচনা আৰু ভোটদানৰ উপৰিও ২০২৬-২৭ বৰ্ষৰ মঞ্জুৰীসমূহৰ বাকী থকা দাবীসমূহ সদনত ভোটদানৰ বাবে দাখিল কৰাৰ সিদ্ধান্ত লয় । তথা ২০২৬ বৰ্ষৰ অসম বিনিয়োগ বিধেয়কখন উপস্থাপন, বিবেচনা আৰু পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । অধিৱেশনৰ কাৰ্যসূচী সম্পৰ্কত যদি কিবা অন্তৰ্ভুক্ত কৰিবলগীয়া থাকে, তেতিয়াহ'লে পৰৱৰ্তী সময়ত বৈঠক অনুষ্ঠিত কৰি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব । সভাই চৰকাৰী কাৰ্যসূচী নিৰ্ধাৰিত সময়ত সমাপ্ত নহ'লে সেইদিনা পুনৰ আবেলি ৪.০০ বজাৰ পৰা অনুষ্ঠিত কৰাৰ বাবে সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে । ইতিমধ্যে চলিত বাজেট অধিৱেশনৰ কাৰ্যসূচী দুখনৰ মাননীয় সদস্য-সদস্যা সকলৰ মাজত বিতৰণ কৰা হৈছে । আশা কৰোঁ এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে । কাৰ্যসূচী নম্বৰ ৩ অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাবলীৰ নিয়ম ৯(১) ৰ অধীনত ষষ্ঠদশ অসম বিধানসভাৰ ২০২৬ চনৰ বাজেট অধিৱেশন পৰিচালনা কৰিবৰ বাবে নিম্নোলিখিত মাননীয় সদস্য কেইগৰাকীক সভাপতি হিচাপে মনোনীত কৰা হ'ল । শ্ৰী ভুবন পেগু, শ্ৰী পৃথ্বীৰাজ ৰাভা, শ্ৰী ৰবিৰাম নাৰ্জাৰী, শ্ৰী জাকিৰ হুছেইন শিকদাৰ ।**

## অধ্যক্ষৰ প্ৰসংগ

মাননীয় সদন এতিয়া মই দেশ তথা ৰাজ্যখনক গৌৰৱান্বিত কৰা কেইটামান উল্লেখযোগ্য প্ৰসঙ্গ দাঙি ধৰিব বিচাৰিছো।

মাননীয় সদন আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত  ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসৰ এক স্বৰ্ণিল আৰু ঐতিহাসিক ক্ষণৰ কথা আপোনালোকৰ আগত দাঙি ধৰিবলৈ পাই  মই অত্যন্ত আনন্দিত আৰু গৌৰৱান্বিত বোধ

কৰিছোঁ। আমাৰ দেশ ভাৰতবৰ্ষ কেৱল বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশেই নহয়, ইয়াৰ গণতান্ত্ৰিক ব্যৱস্থাৰ ভেঁটি সুদৃঢ়। শেহতীয়াকৈ এই গণতন্ত্ৰৰ ইতিহাসত এক অনন্য আৰু অভূতপূৰ্ব অভিলেখ সৃষ্টি হৈছে। আমাৰ দেশৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই স্বাধীনোত্তৰ ভাৰতৰ ইতিহাসত আটাইতকৈ দীৰ্ঘদিন কাৰ্য্যনিৰ্বাহ কৰা প্ৰধানমন্ত্ৰী হিচাপে এক নতুন অভিলেখ গঢ়িবলৈ সক্ষম হোৱাৰ লগতে ভাৰতীয় গণতন্ত্ৰৰ ইতিহাসত গৌৰবোজ্বল অধ্যায়ৰ সূচনা কৰিলে। গণতান্ত্ৰিক ব্যৱস্থাৰ জৰিয়তে দীৰ্ঘদিন ধৰি ক্ষমতাত অধিষ্ঠিত হৈ থাকিবলৈ হ'লে সাংগঠনিক বিচক্ষণতা, নেতৃত্ব দিব পৰা দক্ষতা আৰু জনসাধাৰণৰ বিশ্বাসৰ প্ৰয়োজন। নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ ক্ষেত্ৰত এই তিনিওটা দিশ স্পষ্টভাৱে পৰিলক্ষিত হয়। দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণৰ মাজত গঢ়ি তোলা জনপ্ৰিয়তাই তেখেতৰ ৰাজনৈতিক সফলতাৰ অন্যতম ভিত্তি। চলিত বৰ্ষৰ ১০ জুন তাৰিখে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই স্বাধীনোত্তৰ ভাৰতৰ প্ৰধান মন্ত্ৰী হিচাপে নিৰন্তৰভাৱে চাৰি হেজাৰ তিনিশ নিৰানব্বৈ দিন সম্পূৰ্ণ কৰি ভাৰতৰ প্ৰথম গৰাকী প্ৰধান মন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰু ডাঙৰীয়াই নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰা চাৰি হেজাৰ তিনিশ আঠানব্বৈ দিনৰ অভিলেখ অতিক্ৰম কৰিলে। এই ঐতিহাসিক ঘটনা কেৱল এটা পৰিসংখ্যাই নহয়, বৰঞ্চ ই ভাৰতীয় জনসাধাৰণৰ অটুট বিশ্বাস আৰু সুস্থ-সবল গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ এক সফল নিদৰ্শন। প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াৰ এই কৃতিত্বৰ আঁৰত আছে দেশ মাতৃৰ প্ৰতি থকা তেখেতৰ অকুণ্ঠ প্ৰেম, ত্যাগ, কৰ্মনিষ্ঠা আৰু দেশৰ প্ৰতি থকা সেৱাৰ মনোভাৱ।

মোডী ডাঙৰীয়াৰ সবল নেতৃত্বত বিশ্বমঞ্চত ভাৰতৰ স্থিতি শক্তিশালী হৈ উঠাৰ লগতে দেশৰ অৰ্থনীতি, কুটনীতি আৰু কৌশলগত স্বাৰ্থক অগ্ৰাধিকাৰ দি ভাৰতক এক উদীয়মান বিশ্বশক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টা অব্যাহত আছে। তেখেতৰ দূৰদৰ্শিতা আৰু উন্নয়নমুখী দৃষ্টিভঙ্গীয়ে অনাগত দিনত ভাৰতবৰ্ষক বিশ্বৰ শীৰ্ষতম স্থানত উপনীত কৰিবলৈ সক্ষম হ'ব।

দেশৰ উপৰিও সমগ্ৰ বিশ্বত জনপ্ৰিয় তথা কৰ্মদক্ষ নেতা হিচাপে খ্যাতি লাভ কৰা প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াক চৌদি আৰবৰ সৰ্বোচ্চ অসামৰিক সন্মান Sash of King Abdul aziz ৰ লগতে ৰাছিয়া, পেলেষ্টাইন, আফগানিস্তান, U.A.E, মালদ্বীপ, বাহৰেইন, ভূটান, পাপুয়া নিউ গিনি, ফিজি, ইজিপ্ত, ফ্ৰান্স আৰু গ্ৰীচৰ লগতে বহু বিদেশী ৰাষ্ট্ৰই নিজ নিজ দেশৰ বিশিষ্ট অসামৰিক সন্মানেৰে সন্মানিত কৰিছে।

অসম বিধান সভাৰ হৈ মই প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডী ডাঙৰীয়াক আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেখেতৰ কৰ্মদক্ষতাৰ শলাগ লৈ সদনৰ এই পবিত্ৰ মজিয়াৰ পৰা তেখেতৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

মাননীয় সদন বিগত ১০ জুন তাৰিখে আমাৰ ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ এটা সুখবৰ কঢ়িয়াই আনিলে। সংগীত নাটক অকাডেমীয়ে ঘোষণা কৰা ২০২৪-২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় তথা যুৱ পুৰস্কাৰ বঁটাৰ তালিকাত অসমৰ ১১ গৰাকীকৈ শিল্পী অন্তৰ্ভুক্ত হ'ল।

সেই অনুসৰি ৰাষ্ট্ৰীয় সংগীত নাটক অকাডেমী বঁটাৰ বাবে ২০২৪ বৰ্ষত বিশিষ্ট কথক নৃত্যশিল্পী বিপুল চন্দ্ৰ দাস, ২০২৫ বৰ্ষত বিশিষ্টা অভিনেত্ৰী চেতনা দাস, প্ৰসিদ্ধ সত্ৰীয়া শিল্পীদ্বয় ক্ৰমে মল্লিকা কন্দলী আৰু ভাস্কৰজ্যোতি ওজাক নিৰ্বাচিত কৰা হৈছে।

ইয়াৰ লগতে ওস্তাদ বিছমিল্লা খান যুৱ পুৰস্কাৰ বঁটাৰ বাবে ২০২৪ বৰ্ষত সত্ৰীয়া শিল্পী মিনাক্ষী মেধি, লোক সংগীত শিল্পী দিলীপ হীৰা, নাট নিৰ্দেশক বিদ্যুৎ কুমাৰ নাথক নিৰ্বাচিত কৰাৰ বিপৰীতে ২০২৫ বৰ্ষত খোলবাদক দেৱজিৎ শইকীয়া, সত্ৰীয়া নৃত্যশিল্পী নিৰঞ্জন শইকীয়া বৰবায়ন তথা টোকাৰী গীত লোকশিল্পী হীৰকজ্যোতি শৰ্মাক এই বঁটাৰ বাবে নিৰ্বাচিত কৰা হয়।

এই আটাইকেইগৰাকী বৰেণ্য শিল্পীলৈ অসম বিধান সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰি শিল্পী কেইগৰাকীৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

আনহাতে লখিমপুৰৰ জীয়ৰী ৰূপামণি গড়ে এক ঐতিহাসিক সাফল্যৰ জৰিয়তে ৰাজ্যৰ প্ৰথমগৰাকী এভাৰেষ্ট বিজয়ী মহিলা পৰ্বতাৰোহীৰ কৃতিত্ব অৰ্জন কৰি দেশখনলৈ বিৰল গৌৰৱ কঢ়িয়াই আনিলে। এই ক্ষণতে মই ৰূপামণি গড় আৰু তেওঁৰ সহযোগী দলটোক অসম বিধান সভাৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

মাননীয় সদন, মই এতিয়া বিগত ৪ জুলাই, ২০২৬ তাৰিখে অনুষ্ঠিত হোৱা বিধান সভাৰ সৰ্বদলীয় বৈঠকত গ্ৰহণ কৰা এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত আপোনালোকক অৱগত কৰিবলৈ বিচাৰিছো।

আপোনালোক অৱগত যে বিধান সভাত সদনৰ দলপতি তথা মুখ্যমন্ত্ৰী আৰু বিৰোধী দলৰ দলপতি গৰাকীয়ে এক সুকীয়া মৰ্য্যাদা লাভ কৰে। সদনত তেখেতসকলৰ ভূমিকা আৰু বক্তব্যৰ বিশেষ গুৰুত্ব আছে। বহুক্ষেত্ৰত দেখা যায় তেখেতসকলে বক্তব্য ৰখাৰ সময়ত কিছু সদস্যই নিজ বক্তব্য তথা আচৰণেৰে তেখেতসকলক ব্যতিব্যস্ত কৰি তোলে। সদনত সদস্যসকলৰ এনে আচৰণ সদনৰ নিয়মাৱলীৰ নিয়ম ২৭৫ (১১) ৰ পৰিপন্থী আৰু এনে আচৰণে সদনৰ গৰিমা লাঘৱ কৰাৰ লগতে এক অশুভ পৰম্পৰাৰ সৃষ্টি কৰে। সেয়েহে সদনৰ গৰিমা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত উক্ত সৰ্বদলীয় সভাই সদনৰ দলপতি অৰ্থাৎ মুখ্যমন্ত্ৰী তথা বিৰোধী দলৰ দলপতি ডাঙৰীয়াই বক্তব্য ৰাখি থকাৰ সময়ত কোনো বিধায়কে এনে আচৰণ প্ৰদৰ্শন কৰিলে অধ্যক্ষক কঠোৰ হৈ সদস্যগৰাকীৰ বিৰুদ্ধে সদনৰ নিয়ম অনুযায়ী অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

এতিয়া সভাস্থগিত প্ৰস্তাৱ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ, মোৰ এটা সভাস্থগিত প্ৰস্তাৱ আছে।

**মাননীয় অধ্যক্ষঃ** ১ মিনিট। যিহেতু প্ৰথমে কংগ্ৰেছে আনিছিল, কংগ্ৰেছেই ক'ব।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ দলৰ ফালৰ পৰা যিহেতু Adjournment Motion ৰ জাননী আপোনাক দিছোঁ, গতিকে admissibility ৰ ওপৰত মই অলপ ক'ব বিচাৰিছোঁ । অধ্যক্ষ মহোদয়, আজি মই এই পবিত্ৰ সদনত অসমৰ জনসাধাৰণৰ এক অত্যন্ত স্পৰ্শকাতৰ **জৰুৰী আৰু জনস্বাৰ্থ বিষয়ৰ ওপৰত আমাৰ দলৰ তৰফৰ পৰা অনা সভা স্থগিত প্ৰস্তাৱটো আলোচনাৰ বাবে গ্ৰহণ কৰিবলৈ আপোনাক অনুৰোধ জনাবলৈ থিয় হৈছো । মহোদয় বৰ্তমান সমগ্ৰ অসমত অনিয়মীয়া বিদ্যুৎ** , **দিনটোত অলেখবাৰ বিদ্যুৎ কৰ্ত্তন** , **বিদ্যুৎ বিভাগৰ লুকা ভাকু আৰু অনুন্নত মানৰ ট্ৰেন্সফৰ্মাৰৰ বাবে সৃষ্টি কৰা ভয়াবহ পৰিস্থিতিয়ে এক ৰাজহুৱা জৰুৰীকালীন অৱস্থাৰ সৃষ্টি কৰিছে । বিধান সভাৰ কাৰ্য্যপ্ৰনালী নিয়মাৱলীৰ অধীনত এই বিষয়টোৱে এটা স্থগিত প্ৰস্তাৱৰ বাবে প্ৰয়োজনীয় সকলো চৰ্ত্ত পূৰণ কৰে । ই এক নিৰ্দিষ্ট** definite **জৰুৰী** urgent **আৰু ৰাজহুৱা গুৰুত্বপূৰ্ণ** public importance **বিষয়** , **সেয়েহে সদনৰ নিয়মীয়া কাৰ্য্যসূচী স্থগিত ৰাখি ইয়াৰ ওপৰত বিতং আলোচনা হোৱাটো অত্যন্ত প্ৰয়োজনীয় ।**

অধ্যক্ষ মহোদয় চৰকাৰে স্মাৰ্ট মিটাৰ লগাই গ্ৰাহকৰ পৰা নিয়মীয়াকৈ মোটা অংকৰ বিল সংগ্ৰহ কৰিছে। কিন্তু ইয়াৰ বিপৰীতে ৰাইজে কি পাইছে।২৪ ঘন্টীয়া বিদ্যুতৰ প্ৰতিশ্ৰুতি দিয়া চৰকাৰৰ দিনত আজি অসমৰ ৰাইজে ২৪ মিনিটৰ বাবেও নিৰৱচিন্ন বিদ্যুৎ লাভ কৰিবলৈ সক্ষম হোৱা নাই। গৰমৰ দিনত বিজুলীৰ এই লুকা ভাকুয়ে সাধাৰণ জনজীৱন অতিষ্ঠ কৰি তুলিছে। বিশেষকৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়াশুনাত ব্যাঘাত জন্মিছে। চিকিৎসালয়ত ৰোগীৰ হাহাঁকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ক্ষুদ্ৰ উদ্যেগসমূহ বন্ধ হোৱাৰ উপক্ৰম হৈছে। বিজুলী কেতিয়া আহে কেতিয়া যায় তাৰ কোনো সময়সূচী নাই। মহোদয় এতিয়া মই আপোনাৰ জৰিয়তে সদনত এই খণ্ডটোৰ কিছুমান চৰকাৰী পৰিসংখ্যা দাঙি ধৰিব খুজিছো।যাৰ পৰা ৰাজ্যৰ প্ৰকৃত ছবিখন স্পষ্ট হৈ পৰিব। বিদ্যুতৰ প্ৰয়োজন বা চাহিদা অসমত বৰ্তমান গৰমৰ দিনবোৰত বিদ্যুতৰ সৰ্বচ্চ চাহিদা প্ৰায় ২৮৮০ মেগাৱাট পৰা ৩০০০ মেগাৱাটলৈ বৃদ্ধি পাইছে। অতি পৰিতাপৰ বিষয় যে, ইমান বিশাল চাহিদাৰ বিপৰীতে অসমৰ নিজা বিদ্যুৎ উৎপাদন প্ৰতিষ্ঠান APGCL ৰ উৎপাদন ক্ষমতা অত্যন্ত সীমিত। ৰাজ্যখনৰ নিজা জলবিদ্যুৎ আৰু তাপ বিদ্যুৎ প্ৰকল্পসমূহৰ পৰা উৎপাদিত বিদ্যুৎ মাত্ৰ ৪৫০ ৰ পৰা ৫০০ মেগাৱাটৰ ভিতৰতহে সীমাবদ্ধ থাকে অৰ্থাৎ আমাৰ চাহিদাতকৈ ২৫০০ মেগাৱাট বিদ্যুৎ ক'মকৈ উৎপাদিত হয়। এই বিশাল বিদ্যুৎ নাটনি পূৰণ কৰিবলৈ অসম শক্তি বিতৰণ কোম্পানী APDCL য়ে কেন্দ্ৰীয় চৰকাৰৰ কোটা, বিভিন্ন দীৰ্ঘম্যাদী চুক্তি, মুকলি বজাৰৰ পৰা চ'ৰা দামত বিদ্যুৎ ক্ৰয় কৰিব লগা হৈছে। ইয়াৰ বাবে অসম চৰকাৰে দৈনিক প্ৰায় ১৯ কোটি টকা কেৱল বাহিৰৰ পৰা বিদ্যুৎ ক্ৰয় কৰিবলৈ খৰছ কৰিব লগা হৈছে। অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন হ'ল, দৈনিক ১৯ কোটি টকা ৰাজকোষৰ পৰা খৰচ কৰাৰ পিচতো অসমৰ ৰাইজে কিয় নিয়মীয়া বিদ্যুৎ পোৱা নাই। গ্ৰাহকে মাহে মাহে হাজাৰ হাজাৰ টকা বিল পৰিশোধ কৰাৰ পিচতো কিয় এই

হাঁহাকাৰ। এই বৃহৎ পৰিমানৰ ধন খৰচ কৰি বিদ্যুৎ ক্ৰয় কৰা, বিদ্যুৎ সঠিক ব্যৱহাৰ হৈছেনে নাই, ইয়াৰ আঁৰত বৃহৎ আঁসোৱাহ- বা কুপৰিচালনা লুকাই আছে – তাক লৈ ৰাইজৰ মনত সন্দেহৰ সৃষ্টি হৈছে। মহোদয়, এই সংকটৰ অন্য এক প্ৰধান কাৰণ হ'ল আমাৰ বিদ্যুৎ বিভাগৰ অনুন্নত আৰু জৰাজীৰ্ণ  আন্তগাঁথনি। অসমৰ চুকে-কোনে থকা বিদ্যুৎ ট্ৰেন্সফৰ্মাৰৰ মান ইমান নিম্ন পৰ্যায়ৰ যে, সামান্য বতাহ বৰষুণ দিলেই বা অলপ লোড বাঢ়িলেই সেইবোৰ বিকল হৈ পৰে। এটা ট্ৰেন্সফৰ্মাৰ জ্বলি গ'লেই বা বেয়া হ'লে তাক মেৰামতি কৰিবলৈ বা সলনি কৰিবলৈ গ্ৰাহকে সপ্তাহৰ পিচত সপ্তাহ অপেক্ষা কৰিব লগা হয়। বহু ঠাইত স্থানীয় ৰাইজে নিজে চান্দা তুলি ট্ৰেন্সফৰ্মাৰ মেৰামতি কৰিব লগা হোৱাটো অত্যন্ত লজ্জাজনক বিষয়। চৰকাৰে কিয় উন্নত মানৰ আন্ত গাথঁনি আৰু ক্ষমতাসম্পন্ন ট্ৰেন্সফৰ্মাৰ স্থাপন কৰিব পৰা নাই। বিভাগীয় আন্তগাঁথনি উন্নয়ণৰ পুঁজি কলৈ গৈছে? চৰকাৰে ডাঙৰ ডাঙৰ বিজ্ঞাপন দি কয় যে, অসম শক্তিখণ্ডত আত্মনিৰ্ভশীল হ'ব। কিন্তু বাস্তৱক্ষেত্ৰত ৰাজ্যখন সম্পূৰ্ণৰূপে পৰনিৰ্ভশীল হৈ পৰিছে। এই জৰাজীৰ্ণ ব্যৱস্থাৰ বাবে উদ্যোগ খণ্ড আৰু সাধাৰণ গ্ৰাহক সকলে জীয়াতু ভুগিছে। অধ্যক্ষ মেহাদয়, আইন শৃংখলা আৰু যিকোনো  বিষয়ৰ দৰে এই বিদ্যুৎ সংকটটো আজিৰ তাৰিখত আটাইতকৈ ডাঙৰ জৰুৰীকালীন সমস্যা। কাৰণ ই ৰাজ্যৰ প্ৰতিগৰাকী নাগৰিকক প্ৰতিটো পৰিয়ালক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰিছে। সদন চলি থকা অৱস্থাত যদি আমি এই জ্বলন্ত সমস্যাটো লৈ আমি বিতং আলোচনা কৰিব নোৱাৰো তেন্তে এই সকলো বিলাকৰ প্ৰাসংগিকতা ক'ত থাকিব। জন প্ৰতিনিধি হিচাপে ৰাইজৰ দূৰ্দশাৰ কথা সদনত উত্থাপন কৰাটো আমাৰ সাংবিধানিক কৰ্ত্তব্য। সেয়েহে মই সদনত অনুৰোধ জনাইছো যে, অনুগ্ৰহ কৰি আপোনাৰ বিশেষ ক্ষমতা প্ৰয়োগ কিৰ চৰকাৰ পক্ষৰ পৰম্পৰাগত উত্তৰ বা অজুহাত উলিওৱাৰ আগতে এই বিষয়টো গুৰুত্ব বুজি আমাৰ স্থগিত

সকলোবিলাক প্ৰস্তাৱ বাদ দি , কাৰ্য্যসূচী কাষৰীয়া কৰি এই বিষয়েটোৰ ওপৰত এক মুক্ত আৰু দীঘলীয়া আলোচনা কৰিবলৈ সুযোগ দিয়ক যাতে চৰকাৰে ইয়াৰ স্থায়ী সমাধানৰ বাবে বিপুল ধন খৰচৰ হিচাপ লৈ সদনত স্পষ্টীকৰণ দিবলৈ বাধ্য হয় । আমাৰ লাখ লাখ ভূক্তভূগী জনসাধাৰণৰ স্বাৰ্থত আপুনি প্ৰস্তাৱটো গ্ৰহণ কৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

মাননীয় অধ্যক্ষ ঃ এতিয়া বিধায়ক অখিল গগৈ।

শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ অধ্যক্ষ মহোদয়, আমি ৰাইজৰ দলৰ দুজন বিধায়ক, অখিল গগৈ আৰু মেহবুব মুক্তাৰে আজিৰ সদনত এটা সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিছো । এই প্ৰস্তাৱৰ প্ৰয়োজনীয়তা কিয় যে আন সকলো বিষয় বাদ দি এই প্ৰস্তাৱ ইয়াত আলোচনা হ'ব লাগে । এই সম্পৰ্কে মই ক'ব খুজিছো যে , যোৱা দুই বছৰত অসমৰ ছাত্ৰ- ছাত্ৰীৰ সংখ্যা, ২,১২,৭৬৮ গৰাকী চৰকাৰী বিদ্যালয়ত কমি গ'ল। যোৱা ৪ বছৰত ২০২১- ২২ ৰ পৰা অৰ্থাৎ ডঃহিমন্ত বিশ্ব শৰ্মাৰ আগৰ চৰকাৰখন থকাৰ পৰাই অসমৰ চৰকাৰী স্কুল আৰু চৰকাৰী সাহাৰ্যপ্ৰাপ্ত স্কুলখনত প্ৰায় ২৫,৬৭,৭৯৩ গৰাকী ছাত্ৰ ছাত্ৰী কমি গ'ল। এইটো মই কোৱা কথা নহয়- Ministry of Education Department of School Education and Literacy এইটো ভাৰত চৰকাৰে তেওঁলোকৰ প্ৰতিবেদনত স্পষ্টকৈ কৈছে আৰু আমাৰ ৰাজ্য চৰকাৰক বাৰম্বাৰ সকিয়াই দিছে যে কিয় এনেধৰণে ছাত্ৰ-ছাত্ৰী ক'মি গৈছে । অধ্যক্ষ ডাঙৰীয়া আৰু এখন প্ৰতিবেদন য'ত এই কথা উল্লেখ হৈছে –Bussiness Standerd of Times of India পেপাৰত । আগতে u-dice ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আমি পাইছিলো ২৫ লাখ। গতিকে বিজেপি চৰকাৰৰ দিনত চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ পৰা ছাত্ৰ ছাত্ৰী কমি যোৱাটো কিমান এটা ভয়াবহ ইংগিত।

ডাঃৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ অধ্যক্ষ মহোদয়, ভূল তথ্য দিছে । মই তেখেতক ডাটাটো পৰীক্ষা কৰিবলৈ অনুৰোধ জনাও যে, ক'বাত ডাটাটো টেকনিকেলি ভুল হৈছে।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ অধ্যক্ষ মহোদয়, মই ডাটাকেইটা নিজে কোৱা নাই। ভাৰত চৰকাৰ **Ministry of Education Department – U-Dice, SDMIS** তথ্য অনুসৰিহে কৈছো। এই বিষয়ত মন্ত্ৰী ডাঙৰীয়াই **Bussiness Standerd of Times of India** ত সাক্ষাৎকাৰো দিছে। এতিয়া মোৰ প্ৰস্তাৱটো আছিলে ভাৰতৰ শিক্ষা মন্ত্ৰণালয়ৰ প্ৰতিবেদন অনুসৰি অসমৰ ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহত উদ্বেগজনক ভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাইছে। একবছৰতে অসমত চৰকাৰী আৰু চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত বিদ্যালয়ত ২,১২,৭৬৮ গৰাকী ছাত্ৰৰ সংখ্যা ক'মি গৈছে। এইয়া কোনো বেচৰকাৰী তথ্য নহয় ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ৰ প্ৰকল্প অনুমোদন বোৰ্ড অৰ্থাৎ **PAB** বৈঠকত উন্মোচিত হোৱা তথ্য। **PAB** প্ৰতিবেদনত উল্লেখ কৰা তথ্যমতে ২০২৩-২৪ বৰ্ষত অসমত চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়সমূহত নাম ভৰ্তিৰ সংখ্যা আছিলে ৫১,৮৯৯৩১ গৰাকী। কিন্তু দুৰ্ভাগ্যজনকভাৱে তাৰ পিছৰ অৰ্থাৎ ২০২৪-২৫ বৰ্ষত অসমৰ চৰকাৰী আৰু চৰকাৰী সাহাৰ্য্য প্ৰাপ্ত বিদ্যালয়ত নাম ভৰ্তি ছাত্ৰ ছাত্ৰীৰ সংখ্যা হলগৈ ৪৯ লাখ ৭৭ হাজাৰ ১৬৩ জন। তাৰ অৰ্থটো হ'ল মাত্ৰ এটা বছৰত অসম চৰকাৰ আৰু চৰকাৰী সাহাৰ্য্যপ্ৰাপ্ত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ সংখ্যা প্ৰায় ২ লাখ ১২ হাজাৰ ৭৬৮ জন। এনেকৈ হঠাতে ইমান সংখ্যক ছাত্ৰ ছাত্ৰী চৰকাৰী বিদ্যালয়ৰ পৰা কমি যোৱাত ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয় প্ৰকল্প বৰ্ডে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে আৰু উদ্বেগজনক তথ্য বিদ্যালয় ভিত্তিক ছাত্ৰ-ছাত্ৰীৰ হ্ৰাসৰ তথ্য সমূহ অসম চৰকাৰৰ শিক্ষা বিভাগক বিশ্লেষণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে। ভাৰত চৰকাৰৰ শিক্ষা প্ৰকল্প অনুমোদন বৰ্ডে আন কিছুমান উদ্বেগজনক তথ্যও প্ৰকাশ কৰিছে। সেই তথ্য অনুসৰি অসমত এতিয়াও চৰকাৰী বিদ্যালয়ত এজনীয়া শিক্ষকৰ বিদ্যালয়ৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধিহে হৈছে, কমি যোৱা নাই। ২০২৩-২৪ বৰ্ষত ২৪৪৮ খন প্ৰাথমিক বিদ্যালয়ত এজনীয়া শিক্ষক আছিল ইয়াৰ বিপৰীতে ইয়াৰ বিপৰীতে ২০২৪-২৫ বৰ্ষত সেই সংখ্যা বৃদ্ধি হৈ ২৬৯১ খন প্ৰাথমিক বিদ্যালয় হ'লগৈ। একে সময়তে ১৪ খন উচ্চ প্ৰাথমিক বিদ্যালয়ত অকল এজন শিক্ষক আছে আৰু এতিয়া

কেইখন  ১৪ খনৰ ঠাইত ২৩ খন হ'লগৈ। এনে উদ্বেগজনক আৰু ৰাজহুৱা শিক্ষা খণ্ডৰ বাবে ভয়াবহ তথ্য প্ৰকাশ কৰি ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰণালয়ে প্ৰকল্প অনুমোদন বৰ্ডে উদ্বিগ্নতা প্ৰকাশ কৰিছে আৰু সংশোধনীমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। কেৱল সেয়াই নহয় দিনে দিনে অসমত চৰকাৰী বিদ্যালয়ৰ সংখ্যা হ্ৰাস পাই যাবলৈ ধৰিছে। বন্ধ হৈছে হাজাৰ হাজাৰ চৰকাৰী স্কুল। এফালে অসম চৰকাৰে শিক্ষা খণ্ডৰ উন্নয়নৰ ঢাক ঢোল বজাইছে। গুণোৎসৱ পাতিছে। ছাত্ৰ-ছাত্ৰীক বিভিন্ন আঁচনি দিছে।

(সদনত হুলস্থূল পৰিবেশৰ সৃষ্টি হয় )

**শ্ৰী মানব ডেকা, লক্ষীমপুৰঃ** ছাৰ এটা পইন্ট অফ অৰ্ডাৰ আছে। ছাৰ আপুনি Adjournment motion accept কৰিছে নেকি ?

**মাননীয় অধ্যক্ষঃ** আপুনি বহক। পইন্ট অফ অৰ্ডাৰ তেনেকুৱা নহয়।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** National Education Policy খৰধৰকৈ প্ৰযোজ্য কৰি অসমত শিক্ষাগত সাংঘাতিক এটা বিশৃংখল আৰু শিক্ষা অবিহনে আৰু অৰাজকতাৰ মাজত..

(সদনত হুলস্থূল পৰিবেশৰ সৃষ্টি হয় )

**শ্ৰী মানব ডেকা, লক্ষীমপুৰঃ** আপুনি Adjournment motion accept কৰিছে নেকি ? হাউছ এনেকৈ চলিব নেকি ?

**শ্ৰী ৰণজিৎ কুমাৰ দাস, অধ্যক্ষঃ** তেওঁ এডমিচিবিলিটিৰ ওপৰত কৈছে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** অসমীয়া প্ৰতিদিনত ইমান ডাঙৰ ডাঙৰ খবৰ ওলাইছে এইটো অসমৰ ভাৰত চৰকাৰৰ শিক্ষা বিভাগৰ তথ্যত ওলাইছে সাংঘাতিক ধৰণে অসমৰ বিদ্যালয় বিলাকত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাইছে। ছাৰ দুটা বাক্য মোক ক'বলৈ দিয়ক। হায়াৰ চেকেণ্ডেৰীবিলাকত বৃত্তিমূলক শিক্ষাৰ বাবে ৫৬ টা ডিপাৰ্টমেন্টত শিক্ষক নাই। ইংৰাজী ডিপাৰ্টমেন্টৰ মানুহে ডিজাইন ফেশ্বনিংৰ ওপৰত ক্লাছ কৰিবলগীয়া হৈছে  আৰু চাৰি বছৰীয়া যিটো ডিগ্ৰী কোৰ্চ তাত বৃত্তিমূলক শিক্ষা দিলে বৃত্তিমূলক শিক্ষা দিয়া কোৰ্চ দিয়াৰ পিছতো কিন্তু তাত এতিয়ালৈক শিক্ষক নিযুক্তি নিদিয়াৰ কাৰণে শিক্ষা খণ্ডত

ভয়াবহভাৱে অৰাজকতা হৈছে, সেইকাৰণে অসমৰ শিক্ষা খণ্ডক বচাবৰ কাৰণে আজি সকলো কাৰ্য্যসূচী বন্ধ কৰি এই বিষয়টোৰ ওপৰত তৎকালীনভাৱে আলোচনা কৰিবৰ কাৰণে মই দাবী উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বদৰুদ্দিন আজমল।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁ**ঃ ছাৰ মই Adjournment motion আনিছো।

**মাননীয় অধ্যক্ষঃ** তেখেতে উঠিছিল নহয়। আপোনাৰ লিডাৰ।

**শ্ৰী মজিবুৰ ৰহমান, দলগাওঁ ঃ** মই কম ছাৰ। মাননীয় অধ্যক্ষ মহোদয়, মৌলানা বদৰুদ্দিন আজমল চাহাব আৰু মই এটা Adjournment motion আনিছো ইয়াৰ admissibility ৰ ওপৰত দুআষাৰ কথা কবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ। মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিনৰ পৰা পেপাৰ পত্ৰিকা মিডিয়াত এটা গুৰুত্বপূৰ্ণ বিষয় পাব্লিছ হৈ আছে, সেইটো হৈছে যে অসমৰ পৰা বিদেশী বিতাৰণ বা পুছ বেক কৰা হৈ আছে। ঠিক আছে পুছ বেক কৰিছে অসম চৰকাৰে এইটো ভাল কথা। আমি বিচাৰিছো যে অসমত কোনো বিদেশী থাকিব নালাগে, বিদেশী ইয়াৰ পৰা উৎখাত কৰিব লাগে । কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এই বিদেশীৰ নামত স্বদেশী প্ৰকৃত ভাৰতীয় মানুহক যি অন্যায় অত্যাচাৰভাৱে ইয়াৰ পৰা বিতৰণ কৰাৰ কাৰণে ৰাতিৰ আন্ধাৰত সেই বাংলাদেশ বৰ্ডাৰত অমানৱীয়ভাৱে আপোনাৰ এৰি থৈ অহা হৈছে । এইটো ক্লিয়াৰ Violation of Human rights International Law Violation কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিম বাংলাদেশৰ লগত এটা প্ৰত্যাৰ্ৱতন চুক্তি অতি সোনকালে কৰি যদি বিদেশী নাগৰিক ইয়াত আছে থৈ আহক। কিন্তু সেই থৈ অহাৰ নামত আমাৰ অসমৰ যুগ যুগ ধৰি বসবাস কৰা বিশেষকৈ মই এটা কথা কলো আপুনি আচৰিত হৈ যাব এজন খিলঞ্জীয়া ব্যক্তি নাম হ'ল তাইৰ চাকিনা বেগম নলবাৰী সমষ্টিৰ বৰকোত ঘৰ। সেই মহিলাজনী আজিৰ পৰা এক বছৰ আগত ধৰি বাংলাদেশৰ ৰংপুৰ গাঁৱত এখন জেলত ৰখা হৈছে ছাৰ। সেই মানুহজনী যে ইমান চিঞৰ বাখৰ কৰি কৈছে মই অসমৰ মানুহ, মই বাংলাদেশ বুজি নাপাও, বাংলাদেশ কি বস্তু । মোক ৰাতিৰ আন্ধাৰত ধৰি আনি

অমানৱীয়ভাৱে মোক ইয়াত ৰখা হৈছে । এইটো টিভিতো দেখুওৱা হৈছে । গতিকে মই সদনত সজোৰে অনুৰোধ ৰাখিম যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীক যিহেতু পাৰ্লিয়ামেন্টৰী মন্ত্ৰী ইয়াত আছে গতিকে আপোনালোকে ইয়াৰ ওপৰত গুৰুত্ব দিব লাগিব। আমাৰ নলবাৰীৰ এগৰাকী খিলঞ্জীয়া অসহায় মহিলা। যদি সেই মহিলাজনী আপোনাৰ বা মোৰ মাতৃ হ'লেহেতেন তেনেহলে কি অৱস্থা হ'লহেতেনে ? এনেকুৱাটো হ'ব নালাগিছিল। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দেশত আইন কানুন আছে। ডিটেনশ্বন কেম্পৰ পৰা মানুহ হেৰাই যায়। কি চলি আছে এই দেশত। কি আইন চলি আছে এই দেশত ? কেইদিনমানৰ আগতে নগাওঁৰ মমতাজ বেগম আৰু জাহানাৰা ডিটেনশ্বন কেম্প গোৱালপাৰাত আছিল। তাৰ পৰা ৰাতিৰ আন্ধাৰত উঠাই লৈ আহি বাংলাদেশ বৰ্ডাৰত ৰাখিছে বা ক'ত এৰি থৈ আহিছে ? কোনো কব নোৱাৰে। অসমৰ পুলিচ অসহায় হৈছে। আপোনাৰ ডিটেনশ্বন কেম্পৰ যি সকল বিষয়া তেখেতসকল অসহায় হৈ পৰিছে । মাননীয় অধ্যক্ষ মহোদয় এই দেশত আইন কানুন নাই নেকি ? যদি আইন কানুন আছে সকলোৰে জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে ন্যায় সংহতভাৱে বিচাৰ কৰিব লাগে। বিচাৰ প্ৰক্ৰিয়া চলিব লাগে। গতিকে মই ভাবো আজি এই গুৰুত্বপূৰ্ণ এটা বিষয়ৰ ওপৰত Human Rights Violation হৈছে, যত International Law Violation হৈছে। গতিকে ইয়াৰ ওপৰত ডিচকাচন কৰিবৰ কাৰণে আজিৰ সভা স্থগিত ৰাখি আমাক সুযোগ দিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী ভূবন পেগু, জোনাই** ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অফ অৰ্ডাৰ এটা আছে । যিটো আমাৰ Rules and Procedures Conduct of Business of the Assembly, ইয়াতে মই চালো যদি সদনত ভুল তথ্য দাঙি ধৰে এইটো উত্থাপন কৰি আপোনাৰ দৃষ্টিগোচৰ কৰাৰ কাৰণে পইন্ট অফ অৰ্ডাৰটো আছে। অলপ আগতে খুব দুখ লগা কথা এজন সন্মানীয় সদস্যই চিঞৰি চিঞৰি কৈ আছে যে অসমত তেখেতৰ এগেনষ্টত ১৬৫ টা কেচ আছে বুলি । কিন্তু ইলেকচন affidavit ২১ টা কেচ দেখাইছে। So it is misleading to the House and it is

misleading to Election Commission. গতিকে আমি হাউছে আজি Congregate হৈ তেখেতৰ যিটো ইলেকশ্বন affidavit ত ভূল তথ্য দিয়াৰ কাৰণে তেখেতৰ বিৰুদ্ধে একচন লোৱাৰ কাৰণে প্ৰস্তাৱ গ্ৰহণ কৰাটো মই বিচাৰিছো। ধন্যবাদ।

**শ্ৰী ভূপেন ৰয়, অভয়াপুৰীঃ** ছাৰ পইন্ট অফ অৰ্ডাৰ, Adjournment motion ৰ কাৰণে কেইজন সদস্যই চহী কৰিব লাগে সেই কথাটো আপুনি স্পষ্ট কৰিলে ভাল হ'ব। ধন্যবাদ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** ছাৰ মোৰ এটা পইন্ট অফ অৰ্ডাৰ আছিল।

**माननीय अध्यक्षः** आपुनि पिछत कब।

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ পইন্ট অফ অৰ্ডাৰ সদন পৰিচালনাৰ ওপৰত হয় । ছাৰ পৰহি আপোনাৰ অধ্যক্ষতাত বোধহয় এখন অল পাৰ্টিৰ মিটিং বহিছিল, সেই মিটিংত এটা সিদ্ধান্ত লৈছিল যে- মন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু লিডাৰ অফ অপজিচনৰ কথাৰ মাজত কোনেও মাত মাতিব নোৱাৰিব, যদি মাত তেতিয়াহলে দিনটোৰ কাৰণে তেওঁক চাচপেন্ড কৰা হ'ব। এইটো কথা আপোনালোকে সিদ্ধান্ত লোৱা বুলি আপোনাৰ সংবাদ মাধ্যমৰ জৰিয়তে আমি জানিবলৈ পালো। ছাৰ, ইয়াৰ আগত মই পাঁচ বছৰ এই বিধান সভাৰ সদস্য আছিলো। মোৰ কথাটো হ'ল যে এইটো এটা অগণতান্ত্ৰিক সিদ্ধান্ত এইটো উঠাই লব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে আপুনি বহক। আমাৰ ভূৱন পেগু ডাঙৰীয়াই যিখিনি কথা কলে মই নিশ্চিত ভাৱে ইয়াৰ ওপৰত সদনৰ মজিয়াতে ৰায় দিম। এতিয়া তৎকালীনভাৱে ৰায়টো দিব নোৱাৰিম কাৰণ মই পেপাৰখিনি চোৱা নাই। গতিকে মই papers খিনি চাই নিশ্চিত ভাৱে ইয়াৰ ওপৰত ৰায় দিম। অখিল গগৈ ডাঙৰীয়া, আপুনি যি point of order আনিলে মই আপোনাক seriously সুধিব বিচাৰিছো যে আপুনি কেৱল কথা কয় নে কথা শুনেও? সদনত কি কথা কৈ থাকে কি কথা নকয় আপুনি শুনে নে নাই? ....interruptions.....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** চাৰ, মই আটাইতকৈ মনোযোগেৰে শুনা এজন বিধায়ক। যেতিয়া ভুল আৰু অসমৰ বিৰুদ্ধে তথ্য দিয়ে তেতিয়া তাৰ লগে লগেই প্ৰতিবাদ কৰা এজন বিধায়ক ...interruptions....

**মাননীয় অধ্যক্ষঃ** Please বহক। মই অলপ আগতে এটা ঘোষণা কৰিলো। ঘোষণাত লিখা আছে যে- মাননীয় সদন, মই এতিয়া বিগত ৪ জুলাই, ২০২৬ তাৰিখে অনুষ্ঠিত হোৱা বিধান সভাৰ সৰ্বদলীয় বৈঠকত গ্ৰহণ কৰা এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত আপোনালোকক অৱগত কৰিবলৈ বিচাৰিছো । আপোনালোক অৱগত যে বিধান সভাত সদনৰ দলপতি তথা মুখ্যমন্ত্ৰী আৰু বিৰোধী দলৰ দলপতি গৰাকীয়ে এক সুকীয়া মৰ্যাদা লাভ কৰে । সদনত তেখেতসকলৰ ভূমিকা আৰু বক্তব্যৰ বিশেষ গুৰুত্ব আছে। বহু ক্ষেত্ৰত দেখা যায় যে তেখেতসকলে বক্তব্য ৰখাৰ সময়ত কিছু সদস্যই তেওঁলোকৰ নিজ বক্তব্য তথা আচৰণেৰে তেখেতসকলক ব্যতিব্যস্ত কৰি তোলে। সদনত সদস্য সকলৰ এনে আচৰণ সদনৰ নিয়মাৱলীৰ নিয়ম ২৭৫ (১১) ৰ পৰিপন্থী আৰু এনে আচৰণে সদনৰ গৰিমা লাঘৱ কৰাৰ লগতে এক অশুভ পৰম্পৰাৰ সৃষ্টি কৰে। সেয়েহে সদনৰ গৰিমা অক্ষুন্ন ৰখাৰ স্বাৰ্থত উক্ত সৰ্বদলীয় সভাই সদনৰ দলপতি অৰ্থাৎ মুখ্যমন্ত্ৰী তথা বিৰোধী দলৰ দলপতি ডাঙৰীয়াই বক্তব্য ৰাখি থকাৰ সময়ত কোনো বিধায়কে এনে আচৰণ প্ৰদৰ্শন কৰিলে অধ্যক্ষক কঠোৰ হৈ সদস্য গৰাকীৰ বিৰুদ্ধে সদনৰ নিয়ম অনুযায়ী অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায় । কিন্তু আপুনি ইয়াত মন্ত্ৰীৰ কথা আনিলে য'ত মন্ত্ৰীৰ কথাই নাই। তাৰ মানে আপুনি কথা নুশুনে। মই কথাখিনি কোৱাৰ পাছতো যে আপুনি seriously কথা নুশুনে সেইটো ইয়াত প্ৰমাণ হৈছে । .....interruptions....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ**অধ্যক্ষ মহোদয়, মই কৈছো যে এইটো উঠাই ল'ব লাগে। এইটো অগণতান্ত্ৰিক সিদ্ধান্ত ...interruptions....

**মাননীয় অধ্যক্ষঃ** এইটো সৰ্বদলীয় সিদ্ধান্ত ...interruptions....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** চাৰ, এইটো অগণতান্ত্ৰিক বুলি কৈছো। ইয়াক উঠাই ল'ব লাগে। ইয়াৰ ওপৰত মই আপোনাৰ মন্তব্যটোহে বিচাৰিছিলো।

**মাননীয় অধ্যক্ষঃ** মোৰ মন্তব্য এইটোৱেই যে এইটো সৰ্বদলীয় সিদ্ধান্ত । অধ্যক্ষক empower কৰা আছে। Ruleৰ অধীনত অধ্যক্ষৰ যি কৰিবলগীয়া আছে, আগন্তুক দিনত সিদ্ধান্ত গ্ৰহণ কৰিব। সেইটোৱেই মোৰ সিদ্ধান্ত।

**শ্ৰী বদৰুদ্দিন আজমল ( ধুবুৰী)ঃ** চাৰ, Rule 54 ......interruptions.....

**মাননীয় অধ্যক্ষ ঃ** এতিয়া এইটো বিষয় অহা নাই। এইটো পিছত আছে, আপোনাক জনাম।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৫৬ ৰ অধীনত মই সভা স্থগিত প্ৰস্তাৱৰ দুখন জাননী যথাক্ৰমে শ্ৰী ওৱাজেদ আলী চৌধুৰীৰ লগতে আন পাঁচগৰাকী সদস্য আৰু আনখন মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ লগতে আন এগৰাকী সদস্যৰ পৰা লাভ কৰিছো। দুয়োখন জাননীৰে উত্থাপন কৰিব বিচৰা দুয়োটা প্ৰসংগ ৰাজহুৱা স্বাৰ্থজনিত বিষয়ৰ লগত জড়িত হ'লেও প্ৰসংগকেইটা হঠাৎ উদ্ভৱ হোৱা এটা জৰুৰী বিষয় নহয় । সভা স্থগিত প্ৰস্তাৱ উত্থাপনৰ মূল নীতিয়েই হৈছে হঠাৎ উদ্ভৱ হোৱা যিকোনো ৰাজহুৱা স্বাৰ্থজনিত অতি গুৰুত্বপূৰ্ণ বিষয় সদনত আলোচনা কৰাৰ অৱকাশ নাথাকিলে সভা স্থগিত প্ৰস্তাৱৰ যোগেৰে উত্থাপন কৰা হয়। চলিত বিধান সভা অধিবেশনত দীৰ্ঘদিনীয়া কাৰ্য্যসূচীৰ কালছোৱাত মাননীয় সদস্যসকলে বিধান সভাৰ নিয়মাৱলীৰ বিভিন্ন প্ৰক্ৰিয়াৰ যোগেৰে ৩০১ য়েই হওঁক বা ৫৪ বা অন্য device ৰ যোগেৰে এনে ধৰণৰ ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় সমূহ আলোচনা কৰাৰ বহুত অৱকাশ লাভ কৰিব। বিধান সভাৰ বিভিন্ন প্ৰক্ৰিয়াৰ যোগেৰে উত্থাপন কৰিব বিচৰা প্ৰতিটো বিষয় সমানেই গুৰুত্বপূৰ্ণ। সেয়েহে এনে গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰাৰ বাবে পূৰ্ব নিৰ্ধাৰিত গুৰুত্বপূৰ্ণ বিষয়সমূহ স্থগিত ৰাখি সভা স্থগিত প্ৰস্তাৱটো আলোচনা কৰাটো উচিত নহ'ব। এনে পৰিপ্ৰেক্ষিতত সভা স্থগিত প্ৰস্তাৱৰ জাননী দুখনৰ গ্ৰাহ্যতা মই নাকচ

কৰিলো । আনহাতে মাননীয় সদস্য শ্ৰী বদৰুদ্দিন আজমল আৰু এগৰাকী সদস্যৰ নামত আন এখন সভা স্থগিত প্ৰস্তাৱৰ জাননী মই লাভ কৰিছিলো। এই জাননীখন নিৰ্ধাৰিত সময়ৰ পিছত লাভ কৰা হৈছিল যদিও মই জাননীখন বিবেচনা কৰিছিলো । কিন্তু ইতিমধ্যে এই বিষয়টো লৈ তেখেতে ৫৪ টো যিহেতু আমাক জনাইছে গতিকে ৫৪ device ত এই বিষয়টো আলোচনা কৰিব পৰা যাব । সেয়েহে এই জাননীখনো ইতিমধ্যে উল্লেখ কৰা জাননী দুখনৰ দৰে বিবেচনা কৰাৰ অন্তত জাননীখনৰ গ্ৰহণযোগ্যতা মই নাকচ কৰিলো । ......interruptions.....

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)**ঃ চাৰ, আমাৰ বিষয়টো অত্যন্ত জৰুৰী বিষয় । গোটেই অসম গৰমত জ্বলা পোৰা খাই আছো৷ বিদ্যুৎ যোগান দিব পৰা নাই। ......interruptions.....

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** চাৰ বিষয়টো আলোচনা হ'ব দিব লাগে। চাৰ, আপুনি স্কুল ধ্বংস হোৱাটো বিচাৰে নেকি ? ......interruptions.....

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয় । বিৰোধী দলৰ মাননীয় সদস্যসকলে বিভিন্ন সমস্যা উল্লেখ কৰি হাতত প্লেকাৰ্ড লৈ সদনত মাননীয় অধ্যক্ষৰ আসনৰ সন্মুখত আহি প্ৰতিবাদ প্ৰদৰ্শন কৰে।)

**মাননীয় অধ্যক্ষঃ** আপোনালোকে Rule 275 ৰ অধীনত সদনৰ ভিতৰত প্লেকাৰ্ড display কৰিব নোৱাৰে । আপোনালোকৰ দলপতিক এই কথাষাৰ জনোৱা হৈছিল। আপোনালোকৰ দলপতিকেই আপোনালোকে নামানে। Please don't exhibit this type of playcard under Rule 275 . আপোনালোকৰ বিদ্যুতৰ সমস্যাৰ বিষয়টো আমি বেলেগ device ত আলোচনা কৰিম। তাৰ বাবে সভা স্থগিত কোনো কাৰণতেই হ'ব নোৱাৰে৷ সদনৰ প্ৰতিটো কথাই গুৰুত্বপূৰ্ণ।

( সদনত বিৰোধী সদস্যসকলে তেওঁলোকৰ সমস্যাসমূহ লৈ প্ৰতিবাদ কৰি শ্ল'গান দিয়ে )

**মাননীয় অধ্যক্ষঃ** আপোনালোকে Under Rule 275 সদনৰ ভিতৰত কোনো শ্ল'গান দিব নোৱাৰে । সদন ত্যাগ কৰিব পাৰে কিন্তু শ্ল'গান দিব নোৱাৰে । আপোনালোকে সদনৰ ভিতৰত শ্ল'গান দিব নোৱাৰে । এতিয়া মই মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থক দৈনিক যুগশঙ্খ বাতৰি কাকতত প্ৰকাশিত ''বৰাকে স্থায়ী High Court Bench ৰ দাবীতে জোৰদাৰ জনমত গঠনেৰ উদ্যোগেৰ আলোচনা সভা আজ'' আৰু এই বিষয়টো উত্থাপন কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী কমলাক্ষ্ দে পুৰকায়স্থঃ** মাননীয় অধ্যক্ষ মহোদয়, 'দৈনিক যুগশঙ্খ' পত্রিকায় প্রকাশিত 'বরাকের স্থায়ী হাইকোর্ট বেঞ্চের দাবীতে জোড়দার জনমত গঠনের উদ্যোগে আলোচনা সভা আজ ।' বিষয়টা সদনে উত্থাপন করার সুযোগ দেওয়ার জন্য ধন্যবাদ জ্ঞাপন করছি আপনাকে । আমাদের শাষণ ব্যবস্থা Legislature, Judiciary,Adminstrator এই তিনটা ভাগে ভাগ করা হয়েছে। ভিম রাও আমেদকর বলে গিয়েছেন সংবিধান যতই ভালো হোক না কেন যারা এটা পরিচালনা করছেন তারা যদি ভালো না হয় তবে সেটা খারাপ প্রমানিত হবে। যারা শাসন ব্যবস্থার সাথে যুক্ত তাদের সুস্থ মানসিকতা ও তারা যাতে সুন্দরভাবে শাসন ব্যবস্থা পরিচালনা করে। আমরা সবাই জানি ৭০ বছর কাদের হাতে শাসন ব্যবস্থা ছিল অর্থাৎ তোষামোদের রাজনীতি, সেই সময় একটা বিশেষ সম্প্রদায়ের জন্য আইন প্রণয়ন করা এবং সব মিলে দেখা যায় যদি এই যে Secularism নামে তোষামোদের একটা বাতাবরণ সৃষ্টি হয়েছিল, অনেকগুলো আইন প্রণয়ন করা হয়েছিল। আমি বিশ্বাস করি আমাদের মুখ্যমন্ত্রী এবং প্রধানমন্ত্রীর নেতৃত্বে বর্তমানে Secularism কাকে বলে ভিমরাও আম্বেদকরের সংবিধানে সেটা অক্ষরে অক্ষরে পালন করা হচেছ। কয়েকদিন আগে Uniform civil code পারিত করা হল। আমি ধন্যবাদ জ্ঞাপণ করছি। আইন সবার জন্য সমান। সেই মর্মে আমাদের মুখ্যমন্ত্রী যে ভাবে আসামকে পরিচালনা করছেন সেটা সত্যি প্রশংসনীয়। ২০২১ থেকে শুরু করে আজ অবধি মানুষের মনের মধ্যে একটা উদ্দীপনা, উৎসাহ দেখা যায়। বিগত পাঁচ বছরে মাননীয় মুখ্যমন্ত্রী উন্নয়নের ক্ষেত্রে অসমকে যে জায়গায় নিয়ে গেছেন তাতে মানুষের মধ্যে একটা বিশ্বাস স্থাপন

হয়েছে। বরাক ভেলির বিধায়ক ও মন্ত্রীরা এখানে আছেন। বরাক ভেলিতে Mini Secretariat স্থাপন করা হয়েছে, বরাক ভেলিতে Barak developed department গঠন করা হয়েছে। অধ্যক্ষ মহোদয় আমি ৩টা বিষয়ের উপর discussion করছি। Point no. 1. Access to judiciary. হাইকোর্ট বেঞ্চ করার যে মানসিকতা আমি দেখতে পারলাম তা সত্যিই প্রশংসনীয়। মধ্যপ্রদেশে হাইকোর্ট বেঞ্চ আছে সেখানে ইন্দোরে একটা আর গোয়ালিয়রে একটা আছে সেটা ২০০ কিলোমিটারের ভিতরে। রাজস্থানের জয়পুরে হাইকোর্ট বেঞ্চ আছে সেখানের দূরত্ব হচ্ছে ৩৩০ কিলোমিটার। মুম্বাইয়ে ৩টা হাইকোর্ট বেঞ্চ আছে। ঔরাঙ্গাবাদ, নাগপুর আর কোলাপুরে তিন জায়গায় হাইকোর্ট বেঞ্চ আছে। দূরত্ব হচ্ছে ৩৪২,৩৪৭। এলাহাবাদ হাইকোর্ট বেঞ্চের দূরত্ব লখ্‌নো বেঞ্চের থেকে ৩০৩ কিলোমিটার। আমাদের বরাক ভেলির থেকে গুয়াহাটী হাইকোর্ট বেঞ্চের দূরত্ব ৩৩০ থেকে ৪০০ কিলোমিটার। গুয়াহাটীতে এসে একটা case র জন্য লড়াই করতে হলে বিরাট একটা ব্যপার। আমাদের এই অঞ্চলের গণদাবী মুখ্যমন্ত্রী যেভাবে আমাদের বরাক ভেলিতে Mini secretariat দিয়েছেন সেভাবে বরাক ভেলিতে একটা হাইকোর্ট বেঞ্চও যাতে দেওয়া হয় তার জন্য মাননীয় মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ থাকলো। Point no 2. Cencus - ২০২৬ Cencus হবে। ২০১১ Cencus এ মিজোরামে দশ লক্ষ সাতানব্বই হাজার দুশো ছয় জন population. 2026 যে Cencus হবে তাতে প্রায় ১৩ থেকে ১৪ লক্ষ হবে। Nagaland এ ১৯ লাখ ২০২৬ ২৪ থেকে ২৫ লাখ হবে। মণিপুরে ২৮ লাখ সেখানে ৩৫ থেকে ৩৬ লাখ হবে। মেঘালয়ে ২৯ লাখ সেখানে ৪০ থেকে ৪১ লাখ হবে। ত্রিপুরায় ৩৬ লাখ সেখানে ২০২৬ Cencus এ ৪৬ থেকে ৪৮ লাখ হবে। বরাক ভেলিতে প্রায় ৩৫ লাখ সেখানে ২০২৬ Cencus এ ৪২ থেকে ৪৪ লাখ হবে। আর ডিমাহাসাওকে যদি আমরা সংযুক্ত করি সেখানে আরও তিন লাখ। ডিমাহাসাও আর বরাক ভেলিকে নিয়ে ২০২৬ এর Cencus হলে আমাদের population হবে ৪৫ লাখ থেকে ৪৭ লাখ। ছোট ছোট রাজ্যের জনসংখ্যা থেকেও আমাদের বরাক ভেলির জনসংখ্যা অনেক বেশী। মুখ্যমন্ত্রীর বিকশিত অসম গড়ার যে দৃঢ়তা ও সংকল্প বিধায়ক হিসাবে আমি ধন্যবাদ জ্ঞাপন করছি। Point no. 3. বরাক ভেলি থেকে

একজন মানুষকে কোন কেসের জন্য আগের দিন আসতে হয় একদিন গুয়াহাটী থাকতে হয় তার পরের দিন যেতে হয় প্রায় ২৫ থেকে ৩০ হাজার টাকার দরকার। তাই আমি মনে করি যদি হাইকোর্ট বেঞ্চ হয় তাহলে মানুষের যে প্রত্যাশা, মানুষের যে আশা-ভরসা সেগুলো পূরণ হবে। মিজোরামে ২০০০ case pending. আমদের বরাক ভেলিতে ৪০০০ case pending. আমি এই পবিত্র্ সদনে অনুরোধ করছি বরাক ভেলির জন্য পৃথক হাইকোর্ট বেঞ্চ করা হোক। মুখ্যমন্ত্রী বিগত ৫ বছরে যেভাবে অসমের উন্নয়ন সাধন করে অসমকে ভারতবর্ষের সঙ্গে যুক্ত করে নিয়ে যাচ্ছেন, মুখ্যমন্ত্রী পারবেন বরাক ভেলিতে একটা হাইকোর্ট বেঞ্চ দিতে। আমাদের বরাক ভেলির গণদাবী বরাক ভেলিতে যেন একটা হাইকোর্ট বেঞ্চ দেওয়া হয়। সব শেষে আমি একটা কথাই বলবো অধ্যক্ষ মহোদয়, দুটা শব্দ আছে এখানে সফল হওয়া এবং সার্থক হওয়া। নর্থ কোরিয়ার প্র্ধানমন্ত্রীও সফল। আমাদের রামায়নের রাবণ উনার সোনার লঙ্কা ছিল উনিও সফল। একজন পিতার পুত্র যখন চাকরি পায় ভালো মার্কস নিয়ে পাশ করে, পয়সা অর্জন করে তখন সে সফল। কিন্তু একজন পিতা তখনই সফল হন যখন তার পুত্র আদর্শবান হয়, নৈতিক চরিত্রের অধিকারী হয়। আমি বিশ্বাস করি আমাদের অসমের মুখ্যমন্ত্রী যেভাবে অসমের সভ্যতা, সংস্কৃতির জন্য দৃঢ়তার সঙ্গে লড়াই করছেন, আমাদের সমাজ ব্যবস্থাকে সুষ্ঠ সমাজ ব্যবস্থায় পরিণত করেছেন আমি মনে করি আজকের দিনে আমদের মুখ্যমন্ত্রী যেভাবে সফল সেভাবেও সার্থকও। আমি চাই হাইকোর্ট বেঞ্চ করা হোক, এবং বরাক ভেলির প্রত্যেকটা মানুষের আশা পূরণ হোক। এই কথা বলে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**শ্ৰী পৃথ্বিৰাজ ৰাভা, (তেজপুৰ)**ঃ ধন্যবাদ। মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থই বিষয়টো উত্থাপন কৰি দিলে। এই বিষয়টোৰ ওপৰত মাননীয় ন্যায় বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**(Hon'ble Chairman in the Chair)**

**শ্ৰীসুশান্ত বৰগোহাঁই, মাননীয় ন্যায় বিভাগৰ মন্ত্ৰীঃ** Hon’ble Chairman Sir, Hon’ble Member Shri Kamalakhya Dey Purkayashta, he has very concerned issue and in this I want to reply that Two memorandum have been received in the Judicial Department regarding the establishment of a Circuit Bench and Permanent Bench of the Gauhati High Court in Barak Valley, namely:

The memorandum has been given on dated 21.04.2026 received through e-mail from Shri D. K. Dey, Former Professor & Principal, Ramkrishna Sarani, C.R. Avenue, Silchar; and another memorandum dated 13.03.2026 submitted by Shri Dharmananda Deb, Advocate, Silchar, forwarded by Governor's Secretariat.

In connection with the above representations, the Department addressed letters to the Registrar General, Gauhati High Court on 24.04.2026 and the second one was on 17.06.2026, respectively, for information of the High Court on the matter. Further, an e-mail was also forwarded to the Registrar General, Gauhati High Court, enclosing the extract of the decision taken in the Cabinet Meeting held on 13.05.2026 at the Conference Hall of No. 1 State Guest House, Koinadhara, Khanapara, Guwahati along with the relevant extract of the Government Manifesto, 2026. At the Page No. 76 of the Manifesto, the Government has made the commitment to "Establish High Court Benches in Dibrugarh as well as in Silchar to improve access to justice." As he said ealier.

In this regard, it is submitted that the proposal relating to the establishment of Circuit Bench and Permanent Bench of the Gauhati High Court in Barak Valley has already been referred to the Registrar

General, Gauhati High Court for the needful of the Hon'ble High Court and is presently under its consideration. Further action by the Government shall be taken on the receipt of the views/recommendations of the Gauhati High Court, in accordance with the applicable constitutional and legal provisions. আৰু আমাৰ চৰকাৰখনে এইখিনি কৰাৰ কাৰণে যি commitment ৰাখিছে আমি ভৱিষ্যতে গুৱাহাটী হাই কোৰ্টৰ এটা বেঞ্চ আমাৰ বৰাক ভেলী আৰু ডিব্ৰুগড়ত কৰিবলৈ লোৱা হৈছে আৰু তাৰ বাবে যিখিনি ব্যৱস্থাপনা কৰিবলগীয়া আছে সেইখিনি আমি সোণকালে আপোনাক জনোৱাৰ ব্যৱস্থা কৰিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগঁড়াঃ** মাননীয় মন্ত্ৰী মহোদয়ৰ ৰিপ্লাইৰ কাৰণে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো৷

**মাননীয় সভাপতিঃ** ধন্যবাদ মন্ত্ৰী মহোদয়, এতিয়া মই মাননীয় সদস্য শ্ৰী ভূৱন পেগু ডাঙৰীয়াক flood divastation and its aftermath in Jonai Co-District in the last week এই শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী ভূৱন পেগু, জোনাইঃ** মাননীয় সভাপতি মহোদয়, যোৱা সপ্তাহ, ২৮ জুন তাৰিখে যিটো ভয়াবহ বানপানীয়ে অৰুণাচলৰ পৰা ঢল নামি আহি Jonai Co-District ৰ অধীনত যি ধ্বংসলীলাৰ সৃষ্টি কৰিলে, আমাৰ preliminary estimate মতে এতিয়া ১৬০ খন গাওঁ effect হৈছে আৰু একেবাৰে গোটেই ধ্বংস হৈ যোৱা ঠাই প্ৰায় ৬০ খন মান গাওঁ চিহ্নিত হৈছে। মাননীয় সভাপতি মহোদয়, যিধৰণে ধ্বংস হৈছে তাক অনুমান কৰি ভাবি চাওঁক যে train ৰ দলং যেতিয়া উটুৱাই নিব পাৰিছে , সেই পানী গৈ যেতিয়া গাওঁ বিলাকত সোমাইছে তেতিয়া কেনেকুৱা এটা অৱস্থা হৈছে। মিচিং মানুহৰ চাংঘৰ খিনিৰ প্ৰায় চাৰি, পাঁচ বা ছয় ফুট থাকে । এই চাংঘৰলৈকে যেতিয়া জাঁৱৰ-যোথৰ লৈ পানী গৈ যেতিয়া ধ্বংসলীলাৰ সৃষ্টি কৰিছে আপুনি কল্পনা কৰি চাওঁক যে কেনেকুৱা এটা ধ্বংসাত্মক পৰিস্থিতিৰ সৃষ্টি হৈছে। এই পানীত মানুহৰ ঘৰ শেষ হৈ গৈছে। ৰাতিপুৱা ন বজাৰ সময়ত মানুহ খেতি-বাতিৰ কামত লাগি আছিল । এই মানুহখিনিয়ে তেতিয়া নিজৰ জীৱন

বচাওঁ নে ঘৰ বচাওঁ এই কামত লাগি থাকোতে গৰু, ছাগলী, গাহৰি আদিৰ উপৰিও ঘৰৰ একো সামগ্ৰী বচাব নোৱাৰিলে । ৰাস্তা-পদুলিটো শেষ হৈছেই, ইয়ৰোপৰি water Supply, JJM Mission ৰ সকলো আঁচনি শেষ হৈ গৈছে । ইলেক্ট্ৰিক খুটা আদি সকলো পৰি গৈছে। মই এতিয়া এই বিষয়টো এই কাৰণেই সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আগতেও বানপানী হয়, পানী আহে গুছি যায়। কিন্তু এনেকৈ ঢল আহি নদী সলাই গাওঁ ধ্বংস কৰা এইটো প্ৰথম উদাহৰণ। এইটো কিয় হৈছে বুলি ক'লে অৰুণাচলত যোৱা ১০-১৫ বছৰ ধৰি বহুত উন্নয়ণৰ কাম-কাজ হৈ আছে। ৰাস্তাৰ উন্নয়ণৰ কাম হৈ আছে, তাত বৃহৎ নদীবান্ধবোৰ নিৰ্মাণ হৈ আছে। এইবোৰ হ'ব লাগে। কিন্তু সমস্যাটো হ'ল যে এই কামবোৰ কৰোতে পাহাৰ কাটি যেতিয়া hill excavate কৰি কামবোৰ কৰে তেতিয়া পাহাৰবোৰ লৰাই পেলাইছে আৰু পাহাৰবোৰ লৰাৰ বাবে গোটেই পাহাৰবোৰ একেবাৰতে নামি আহে । আগতে আমাৰ নদীবোৰ দ' আছিল । চিমেন নদী, ডিকাৰী নদী, লেকু, চিলে নদী, বেকী নদী আদি নদীবোৰ বহুত দ' আছিল আৰু নদীৰ গৰাবোৰ বহুত ওখ আছিল। তেতিয়া আমাৰ মথাউৰিৰ ও প্ৰয়োজন নাছিল । এতিয়া পানীবোৰ আহি বালি পেলাই যেতিয়া নদীবোৰ বাম হৈ গৈ আছে । সেয়েহে এতিয়া এনেকুৱা ঢল আহিলে য'ত-ততে গৈ ধ্বংসাৱলীলাৰ সৃষ্টি কৰিছে। সেইকাৰণে এই বিষয়টো মই সদনৰ দৃষ্টিগোচৰ কৰিছো যে অৰুণাচলত যিখিনি development ৰ কাম-কাজ হৈ আছে ইয়াৰ এটা rethink কৰাতো প্ৰয়োজন যে কেনেকৈ আগুৱাই নিলে ভাল হয়। কিয়নো এইবাৰ আমাৰ যিমান ধ্বংস হৈছে তাতকৈ বেছি অৰুণাচলৰ হৈছে। সেইকাৰণে অৰুণাচলৰ যিখিনি development plan এইটোত অলপমান অৰুণাচলৰ topography, অৰুণাচলৰ পাহাৰৰ যিটো অৱস্থান এইবিলাক চাই-মেলি planning কৰিব লাগে । অৰুণাচলত যেতিয়া ধ্বংসলীলা হ'ব ইয়াৰ পানীয়ে আমাক মাৰিব। সেইকাৰণে আমিও ভুক্তভোগী। সেয়েহে দুখন ৰাজ্যই মিলি এই কাম-কাজবোৰ কৰিব পৰাকৈ কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ বিচাৰিছো । মই আজি আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো যে যিদিনা ধ্বংসলীলা হৈছে তাৰ তৎক্ষাণিক ভাৱে

পিছদিনা ৰাতিপুৱাই মাননীয় কেবিনেট মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়া আৰু সুশান্ত বৰগোঁহাই ডাঙৰীয়াক তৎকালীন ভাৱে পঠাই গোটেই বিষয়টো পৰ্যবেক্ষণ কৰাইছে। তাৰোপৰি মই মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে তাৰ দুদিনৰ পিছত কেন্দ্ৰীয় মন্ত্ৰী মাননীয় শিৱৰাজ সিং চৌহান ডাঙৰীয়া আৰু কিৰণ ৰিজেজু ডাঙৰীয়াক পৰ্যবেক্ষণৰ বাবে পঠাইছে। এইটো প্ৰথমবাৰ  হৈছে যে বানপানী হোৱাৰ লগে লগে চৰকাৰে তৎকালীন ভাৱে নিজৰ দায়িত্ব পালন কৰিছে। Rehabilitation ৰ  যিখিনি পেকেজ  চলি আছে, ইয়াৰ গোটেই কাম-কাজ সমূহৰ কাৰণে মোৰ এটা অনুৰোধ আছে যে যিটো ধ্বংস হ'ল সেইটো কম পুঁজিৰে মীমাংসা কৰিব নোৱাৰি। এতিয়া আমি যিখিনি পালো যে পানী যোগানৰ আঁচনিবোৰ revive কৰাৰ কাৰণে যেনেতেনে চেষ্টা কৰি পানী যোগান কৰিছো, ৰিলিফ দি আছো আৰু যেনেতেনে যাতায়াত সুচল কৰাৰ কাৰণে প্ৰশাসন আৰু চৰকাৰ আমি সকলোৱে লাগি আছে, কিন্তু  long term rehabilitation ত মানুহৰ গোটেই জীৱনটো স্বাভাৱিক কৰাৰ কাৰণে যিটো প্ৰয়োজন হ'ব তাৰবাবে এটা বৃহৎ পুঁজিৰ প্ৰয়োজন হ'ব আৰু তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ মই বিচাৰিছো  আৰু পুঁজি দিয়াৰ কাৰণে দাবী জনাইছো। তৃতীয় কথাটো হ'ল যে নদীবোৰে এতিয়া গতি সলাই পেলাইছে। গতিকে অতি সোনকালে তাত মথাউৰি দি strengthen কৰি bank protection programme লৈ মথাউৰি বনাই নদীৰ গতিটো সলাব নোৱাৰাকৈ আৰু তেনেকুৱা বানপানী এতিয়া বছৰে বছৰে আহিয়েই থাকিব। যিটো এতিয়া হৈ আছে। আৰু এনেকুৱা ঢল আহিয়েই থাকিব। সেই ঢলবোৰ নদীৰ মাজেৰে যাওঁক। তাত আমাৰ আপত্তি নাই। সেই নদীবোৰ ভাঙি-মেলি একেবাৰে গতি সলাই গাওঁবোৰত সোমাই ধ্বংসলীলা সৃষ্টি কৰিব পৰাকৈ পৰিৱেশটো আমি নিয়ন্ত্ৰণ কৰিব পৰাকৈ মথাউৰি কৰিব লাগে। যেনে চিমেন, ডিমৌ, বেকী, ৰাজাখানা, চিলেই, লেকো নদীয়েই হওঁক এই গোটেই নদীবোৰৰ মথাউৰিবোৰ কটকটীয়া কৰি bank protection বোৰ লোৱাৰ কাৰণে যিটো বৃহৎ পুঁজিৰ প্ৰয়োজন হ'ব তাৰ কাৰণে মই সদনত কথাবোৰ অৱগত

কৰিছো আৰু চৰকাৰৰ ও দৃষ্টিগোচৰ কৰিছো যাতে কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰ্যাপ্ত পৰিমাণে পুঁজি পাওঁ। মাননীয় সভাপতি মহোদয়, এই মানুহবোৰক এতিয়া ৰিলিফ দি আছো। কিন্তু এই মানুহবোৰৰ সৰ্ব্বচ্চ গুছি গ'ল। ৪-৫ ফুট মাটিৰে পুতি দিলে। লেট্ৰিণবোৰ ব্যৱহাৰ কৰিব পৰা অৱস্থাত নাই। কাৰেণ্ট নাই, ৰাস্তা-পদুলিবোৰ শেষ হৈ গ'ল, কালভাৰ্টবোৰ নোহোৱা হৈ গ'ল , স্কুলবোৰৰ অৱস্থা নাই, অংঙ্গনবাড়ী কেন্দ্ৰবোৰ শেষ হৈ গ'ল, অংঙ্গনবাড়ীবোৰৰ সৰু-সৰু ল'ৰা-ছোৱালীবোৰে ব্যৱহাৰ কৰা লেট্ৰিণ-বাথৰুমবোৰ শেষ হৈ গ'ল। তাৰোপৰি খেতি-বাতিবোৰ শেষ হৈ গ'ল। গৰু, ছাগলী, গাহৰি, মুৰ্গী আৰু নিজৰ ঘৰৰ সা-সামগ্ৰী একোৱেই বচাব নোৱাৰিলে। এনেকুৱা সময়ত মই ভাবো যে যিটো rehabilitation ৰ পেকেজ হ'ব সেইটো যাতে পৰ্যাপ্ত পৰিমাণৰ হৈ তেখেত সকলে স্বাভাৱিক জীৱন আৰম্ভ কৰিব পৰাকৈ যাতে চৰকাৰে ব্যৱস্থা লয় তাৰকাৰণে মই বিষয়টো উত্থাপন কৰি সদনৰ দৃষ্টিগোচৰ কৰি অতি সোনকালে ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। এই বিষয়বোৰত আমাৰ ফালৰ পৰা প্ৰশাসনক লগাই যিমান পাৰো চেষ্টা কৰি আছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো গুৰুত্ব সহকাৰে বিষয়টো লৈছে তাৰবাবে ধন্যবাদ জনাইছো। কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব সহকাৰে বিষয়টো লৈছে তাৰবাবে ধন্যবাদ জনাইছো আৰু মই ভাবো সদনে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ ভৱিষ্যতে এই ডিবেটবোৰত মই ভাবো অংশগ্ৰহণ কৰি আমাৰ জোনাই সমষ্টিৰ যিখিন এফেকটেড মানুহ সকলোকে সকাহ দিব পাৰকৈ ব্যৱস্থা যাতে গ্ৰহণ কৰে তাৰ কাৰণে বিষয়টো উত্থাপন কৰি, সকলোৰে দৃষ্টিগোচৰ কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় সভাপতিঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী ভূৰণ পেগু ডাঙৰীয়াই যি বক্তব্য সদনত উত্থাপন কৰিছে এইটো এটা খুব গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়টো লৈ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে দুআষাৰ উত্তৰ দিব।

**শ্ৰী সুশান্ত বৰগোহাই মন্ত্ৰীঃ মাননীয় সভাপতি মহাশয়, আমাৰ মাননীয় সদস্য শ্ৰী ভূৱন পেগু ডাঙৰীয়াই বানক লৈ যিখিনি কথা কৈছে বা মোক অৱগত কৰিলে সেইটো অতি চিন্তিত বিষয়। বিষয়টো এই কাৰণে**

**চিন্তিত কাৰণ অসমৰ যিকেইখন নদীয়ে সেই সময়চোৱাত** Flash Flood **জৰিয়তে কাষৰীয় অঞ্চলত এটা বিধংসী পৰিবেশৰ সৃষ্টি কৰিলে যিখিনি কথা আজি নিজে নেদেখিলে বৰ্ণনা কৰিব নোৱাৰি । এই সমস্যাটো একেবাৰে অসমৰ মাজেদি গৈছে কিন্তু ইয়াৰ উদ্ভাৱন হৈছে অৰুনাচল প্ৰদেশত । এই সমস্যাটো এইবাৰ যিহেতু অৰুণাচল প্ৰদেশত হৈছে, ভৱিষ্যতে যে নহব তাৰ কোনো গেৰাণ্টী নাই । সেই কাৰণে আমি** Downstream **অঞ্চলটোত কিমান স্থায়ী ভাৱে নিৰাপত্তাৰ লগতে মঠাউৰি সমূহ নিৰ্মাণ কৰি যাতে আমি ওচৰৰ দ অঞ্চলত থকা মানুহৰ জীৱনৰ লগতে সম্পতি ৰক্ষা কৰিব পাৰো, তাৰ বাবে আমি কাম কৰিবলৈ আৰম্ভ কৰিছো । ইয়া বাবে মই ভূৱন পেগু ডাঙৰীয়াৰ লগতে সাংসদ প্ৰদান বৰুৱা ডাঙৰীয়াকো ধন্যবাদ জনাইছো কাৰণ আমি যোৱাৰ আগদিনা ৰাতিলৈকে তেওঁলোকে ৰাইজৰ মাজত থাকি জিলা প্ৰশাসণৰ জৰিয়তে নিৰাপদ স্থানলৈ ৰাইজক উলিয়াই আনিলে । এই ক্ষেত্ৰত আমাৰ বহুতো পশু ধন নষ্ট হৈছে সেইখিনি এতিয়ালৈকে জিলা আয়ুক্তকে ধৰি আমাৰ বিভগীয় কতৃপক্ষই তথ্য সংগ্ৰহ কৰিছে যে কিমানখনি নষ্ট হ'ল । এই ক্ষেত্ৰত মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাম যে কাৰণ এনেকুৱা এটা ভয়াবহ পৰিবেশত মাত্ৰ এজন মানুহৰ মৃত্যু হৈছে তাকো তেওঁ সেই সময়ত নদীত ওপঙী অহা কাঠ ধৰিবলৈ যাওঁতে সন্ধানহীন হয় আৰু এতিয়ালৈকে কোনো সন্ধান পোৱা নাই । মই আগৰ জলসম্পদ মন্ত্ৰীক ধন্যবাদ জনাম কাৰণ তেওঁলোকে যিটো** GEO TUBE **ৰ জৰিয়তে মঠাউৰি বোৰ নিৰ্মাণ কৰিলে, তাৰ ফলত আগতে নদীয়ে যিবোৰ ঠাইত ভয়াবহৰ পৰিবেশৰ সৃষ্টি কৰিছিল সেইবোৰ এতিয়া নাই । এতিয়া আমি যি ৪/৫ খন নদীৰ কথা কৈছো সেই বিষয়ে যেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰীক কৈছিলো তেতিয়া আমাৰ কেবিনেট মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াও গৈছিল আৰু তাৰ পিছতে যেনে ধৰণে কলে আৰু কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী শিৱৰাজ সিং চৌহান আৰু কিৰেন ৰিজিজু ডাঙৰীয়া আহিলে আৰু**

তেওঁলোকে আমাৰ ৰঙানদী বান্ধৰে পৰা আদি কৰি জোনাই অঞ্চলটো পৰিভ্ৰমণ কৰি আমাৰ ক্ষয় ক্ষতিৰ বাবে আমাৰ কৃষি মন্ত্ৰী, মই আৰু কেশৱ মহন্ত ডাঙৰীয়াই, তেখেত সকলৰ লগত বহিলো । আজি সকলোতকৈ ভাল কথাটো হৈছে যে এটা High level ৰ দল এটা তালৈকে গৈছে আৰু আমাক জনাইছে যে আমাৰ জলসম্পদ বিভাগটোৰ ভবিষ্যতৰ কাৰণে যিমানখিনি কাম কৰিলে, যাতে ভবিষ্যতে আমি এনে ধৰণৰ বিপদত পৰিব নালাগে। তাৰ বাবে তেওঁলোকে এটা Assessment আৰম্ভ কৰিছে, তাৰ বাবে মই মুখ্যমন্ত্ৰীক ধন্যবাদ জনাইছো আৰু আমাৰ গৃহ মন্ত্ৰী ডাঙৰীয়া অমিত শ্বাহক। তেওঁলোকৰ তৎপৰতাত আজি এসপ্তাহৰ ভিতৰত এনেধৰণে Assessment হোৱা আমি আগতে দেখা নাই । মই ভাৱো ভাৰত চৰকাৰে আমাক যিখনি সহায় কৰিব লগতে অসম চৰকাৰৰ জলসম্পদকে ধৰি আন আন বিভাগবোৰে কাম কৰিব পৰা যিখিনি ক্ষমতা আছে, আমি সকলোৱে মিলি লৈ অনাগত সময়ত অৰুনাচলত হোৱা Cloud brust বা বানপানীৰ যোগেদি হোৱা ভয়াবহতাৰ পৰা আমাৰ অঞ্চলত যাতে জীৱন আৰু সম্পত্তি বচাই ৰাখিব পাৰি তাৰ বাবে আমি ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি অতি কম সময়ৰ ভিতৰত যিখনি নিৰ্মাণ কৰিবলগীয়া আছে সেইখনি কৰিম । মই এই সুযোগতে পুনৰ ভূৱন পেগু আৰু প্ৰদান বৰুৱা ডাঙৰীয়াক এই কাৰণে ধন্যবাদ জনাম কাৰণ সকলোতকৈ আগতে তেওঁলোকে যুজি সকলোৰে জীৱন আৰু সম্পতি যথেষ্ট পৰিমাণে ৰক্ষা কৰিবলৈ সক্ষম হৈছে। মই শেষত আৰু এটা কথা কম যে আমাৰ বিভাগীয় কতৃপক্ষ সকলক ইতিমধে নিৰ্দেশ দিছো আৰু আমাৰ ৰাইজ সকলোকো কৈছো আমাৰ যিটো আজি কেন্দ্ৰীয় দল গৈছে তেওঁলোকক যাতে একেবাৰে শেষৰ পৰ্য্যয় লৈকে চিগা মঠাউৰি খিনি আৰু চিগা পৰ্য্যায় পোৱা মঠাউৰি খিনি আৰু যিখিনি মঠাউৰি আমি বহুদিন ধৰি উচ্চ আৰু সবল কৰা নাই সেইবোৰ মঠাউৰিৰ ওপৰেৰে যাতে পানী বাগৰী যাব নোৱাৰাকৈ নিৰ্মাণ

কৰে যাতে তাৰ বাবে মই ৰাইজক এখন স্মাৰক পত্ৰ দিবলৈকে অনুৰোধ জনাই মোৰ ভাষণ সামৰিলো।

শ্ৰী ভূব্ৰন পেগু,জোনাইঃ  মাননীয় সভাপতি ডাঙৰীয়া আমাৰ মন্ত্ৰী মহোদয়ে এই কথাখনি সদনৰ দৃষ্টিগোচৰ কৰিছে আৰু যি উত্তৰ দিছে তাৰ বাবে মই ধন্যবাদ জনাইছোঁ।

শ্ৰী ভূপেন কুমাৰ বৰা, বিহপুৰীয়াঃ মই মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি এটা  বিশেষ অনুৰোধ জনাব বিচাৰিছো যে বিহপুৰীয়া সমষ্টিত অৰুনাচলৰ এটা সীমামৰিয়া অঞ্চল সোনজুলি তাত এখন সোনজুলি নদী আছে আৰু তাত সীমান্ত পথ নিৰ্মাণকাৰী সংস্থাৰ দ্বাৰা এখন দলং নিৰ্মাণ কৰা হৈছিল কিছু বছৰ আগতে। কিন্তু সোনজুলি নদীখনে সোতটো বদলাই দলং খনৰ তলেদি নদী খন নাগৈ কাষেৰে নদী খন গ'ল। যাৰ ফলত দলং খনৰ দুইটা মূৰ চিঙি পেলালো গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে প্ৰথম কথা নদীখনে পুৰণা খুটিটো এৰি দিয়াৰ কাৰণে এক বৃহৎ অঞ্চলৰ মানুহৰ খেতিবাতি নষ্ট হ'ল দ্বিতীয় পৰিতক্ত হৈ আছে কাৰণ নদীখনৰ দুইটা মূৰ চিঙি গৈছে সেইটো আমি পুতিব পৰা নাই। নদীখন ভেতা দিয়াৰ আগতে নদীখন পুৰণা সুতিলৈ আনিব লাগিব । গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে সোনজুলি নদীক তাক প্ৰকৃত সুতি লৈ নিয়াৰ বাবে কিবা ব্যব্ৰস্থা গ্ৰহণ কৰিব নেকি ? আৰু যদি ব্যব্ৰস্থা গ্ৰহণ কৰি নদীখনক দলং খনৰ তলেদি পুৰণা সুতিলৈকে নিয়াৰ ব্যব্ৰস্থা কৰে, তেতিয়া সেই অঞ্চলৰ বহুতো ৰাইজ উপকৃত হব।

মাননীয় অধ্যক্ষঃ বৰা ডাঙৰীয়া শূন্যকালীন ঘন্টাত পৰিপূৰক প্ৰশ্ন নাথাকে । যিহেতু মন্ত্ৰীয়ে এই ক্ষেত্ৰত প্ৰস্তুত হৈ অহা নাই, গতিকে তেখেতৰ উত্তৰ দিয়াত অসুবিধা হ'ব । প্ৰথম আমাৰ ভূব্ৰন পেগু ডাঙৰীয়াই যিখনি কথা সুধিচিল সেইখিনি তেখেতে উত্তৰ দিব পাৰিছিল

**কাৰণ তেখেতে সেইখিনিৰ কাৰণে প্ৰস্তুত হৈ আহিছিল। কিন্তু আপুনি কৰা প্ৰশ্নটোত তেখেতে প্ৰস্তুত নহয়।**

**শ্ৰী সুশান্ত বৰগোহাই মন্ত্ৰীঃ আমাৰ পাহাৰৰ পৰা নামি আহা যিবোৰ নদী আছে সেইবোৰে সময়ে সময়ে সুতিবোৰ সলনি কৰে। কেতিয়াবা আমাৰ বেচি জনসংখ্যাৰ বাবে বা অন্যান্য কিছুমান কাৰণত নদীৰ তলী সমূহ ওপৰলৈ উঠি যায় যাৰ ফলত সুতিবোৰ পৰিবৰ্তণ হব পাৰে। এই বিষয়ে মই বিভাগীয় কতৃপক্ষৰ লগত আলোচনা কৰিম যাতে সুতিটো আগৰ থাইলৈকে লৈ যাব পাৰো তেতিয়া অন্তত আমাৰ খেতি পথাৰ সম্পতি বাচিব। গতিকে মই মাননীয় সদস্য গৰাকীক আশ্বাস দিছো যে এদিন মই তালৈকে যাম আৰু কাম খিনি যেনেকে কৰিব পৰা যায় কৰি দিম।**

**মাননীয় অধ্যক্ষঃ এতিয়া মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰৰ আপোনাৰ বিষয়টো হৈছে** Divisional Forest Office at  Charideou **।**

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰঃ** মাননীয় অধ্যক্ষ মহোদয় আমাৰ চৰাইদেউ জিলাৰ পৃথক বন সংমণ্ডল বিষয়ে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো। চৰাইদেউ জিলা খন ২০১৫ চনতে গঠিত হৈছিল আজি এই চৰাইদেউ জিলাত এটা পৃথক বন সংমণ্ডলৰ কাৰ্য্যালয় নোহোৱাৰ বাবে আমাৰ যথেষ্ট অসুবিধা হৈছে। আমাৰ জিলা খনত কেইবাখনো সংৰক্ষিত বনাঞ্চল আছে। আৰু এই বনাঞ্চল সমূহ বিশেষকৈ আমাৰ দুখন ৰাজ্য অৰুনাচল আৰু নাগালেণ্ডৰ লগত লাগি আছে অভয়পূৰ সংৰক্ষিত বনাঞ্চল ইত্যাদিত বেদখলৰ লগতে গছ গছনি সমূহ কাটি অৰুণাচলৰ লগতে নগালোকে তহিলং কৰিছে আৰু বহুতো মাটি দখল কৰিছে। ইয়াৰো পৰি আমাৰ গাওঁসমূহৰ পৰা গৰু ম’হ চুৰ কৰি লৈ যায়। আজিৰ পৰা প্ৰায় এসপ্তাহ আগত এজন যুৱকক গৰু লৈ যাওতে ৰাস্তাত কাটি থৈ যায়। গতিকে এনেকুৱা ধৰণৰ ঘটনাবোৰ ঘটি থাকে। বৰ্তমান চৰাইদেউ জিলাৰ অন্তৰ্গত সোণাৰি আৰু বৰহাট বন ৰেজৰ অধীনত অভয়পুৰ, চলা, দিবৈ, দিল্লী আৰু সাপেখাতী সংৰক্ষিত বনাঞ্চল আছে। এই

বনাঞ্চলসমূহে জিলাখনৰ পৰিৱেশগত ভাৰসাম্য ৰক্ষা কৰাৰ লগতে বহু লোকৰ জীৱিকা আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ইমান বৃহৎ বন সম্পদৰ সঠিক সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ বাবে পৃথক বন সংমণ্ডল স্থাপন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। পৃথক বন সংমণ্ডল গঠন কৰিলে বন বিভাগৰ প্ৰশাসনিক কাম কাজ অধিক দ্ৰুত আৰু-ফলপ্ৰসূ হ'ব। বন সংমণ্ডল  সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ, ক্ষেত্ৰ পৰ্যায়ৰ তদাৰক, বন অপৰাধ ৰোধ আৰু জনসাধাৰণৰ সমস্যা সমাধানৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। বৰ্তমান একেটা সংমণ্ডলৰ অধীনত শিৱসাগৰ আৰু চৰাইদেউ দুয়োখন জিলাৰ বনাঞ্চল পৰিচালিত হোৱাৰ ফলত শিৱসাগৰ জিলাৰ পৰাই বিভাগীয় বিষয়াসকলৰ ওপৰত অধিক কামৰ বোজা পৰে, যাৰ ফলত বহু ক্ষেত্ৰত তৎকালীন ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়।

ইয়াৰ উপৰিও চৰাইদেউ জিলাৰ নাগালেণ্ড আৰু অৰুণাচলৰ  সৈতে দীঘলীয়া আন্তঃৰাজ্যিক সীমান্ত আছে। এই এলেকাৰ বনসমূহ যি দখল হৈ আছে, সেইসমূহ ৰোধ কৰিবৰ কাৰণে আমাৰ বন বিভাগৰ অধিক মানুহৰ প্ৰেয়োজন আছে আৰু তাত যি বীট অফিচ আছে সোই সমূহত খুব কম-বেছি পৰিমাণে মানুহ থকাৰ কাৰেণ আমি বহুখিনি সমস্যাৰ সন্মুখীন হৈছো। গতিকে চৰাইদেউ জিলাত বনজ সম্পদ, বন পৰিবহণ অনুমতি, কাঠ আৰু অন্যান্য বনজ সামগ্ৰীৰ ব্যৱস্থাপনাৰ জৰিয়তে চৰকাৰী ৰাজহ সংগ্ৰহৰ যথেষ্ট সম্ভাৱনা আছে। পৃথক সংমণ্ডল থাকিলে ৰাজহ সংগ্ৰহ, নিৰীক্ষণ আৰু নথপত্ৰ - পনা ব্যৱস্থাপনা অধিকব পাৰে। ইয়াৰ লগতে MMDR Act আৰু District Mineral Foundation Trust (DMFT)-ব সৈতে জড়িত বিষয়সমূহো অধিক দক্ষতাৰে পৰিচালনা কৰিব পৰা যাব। খনিজ সম্পদ আহৰণ, পৰিৱেশ সুৰক্ষা আৰু চৰকাৰী পাওনা সংগ্ৰহৰ ক্ষেত্ৰত ইয়াৰ ইতিবাচক প্ৰভাৱ পৰিব। বৰ্তমান চৰাইদেউ জিলাত বহুতো পথ, দলং, শিক্ষা, স্বাস্থ্য আৰু অন্যান্য উন্নয়নমূলক প্ৰকল্প ৰূপায়ণ হৈ আছে। এনে প্ৰকল্পসমূহৰ বাবে বন অনুমোদন, বনভূমি স্থানান্তৰ, ক্ষতিপূৰণমূলক বনানীকৰণ আৰু বিভিন্ন পৰিৱেশগত অনুমতিৰ

প্ৰয়োজন হয়। পৃথক বন সংমণ্ডল থাকিলে এই প্ৰক্ৰিয়াসমূহ অধিক দ্ৰুত, স্বচ্ছ আৰু সহজভাৱে সম্পন্ন হ'য় যাৰ ফলত উন্নয়নমূলক কামকাজো গতি লাভ - কৰিব।

ইয়াৰ লগতে CAMPA, Green India Mission, সামাজিক বনানীকৰণ, বৃক্ষৰোপণ অভিযান আদি কেন্দ্ৰীয় আৰু ৰাজ্যিক আঁচনিসমূহ অধিক ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিব পৰা যাব। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ মোকাবিলা, বনাঞ্চল বৃদ্ধি আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰতো ই বিশেষ সহায়ক হ'ব। পৃথক সংমণ্ডল থাকিলে স্থানীয় পৰ্যায়ত বন সজাগতা কাৰ্যসূচী, বিদ্যালয়ভিত্তিক পৰিৱেশ শিক্ষা আৰু জন অংশগ্ৰহণমূলক বন সংৰক্ষণ কাৰ্যসূচী অধিক শক্তিশালী কৰিব পৰা যাব। লগতে আমাৰ চৰাইদেউ এখন ঐতিহাসিক আৰু বিশ্বজুৰি পৰিচিত জিলা। ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰা চৰাইদেউ মৈদামসমূহে জিলাখনৰ সুনাম বৃদ্ধি কৰিছে। এই ঐতিহ্যমণ্ডিত অঞ্চলৰ পৰিৱেশ, বনজ সম্পদ আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ বাবে এক শক্তিশালী আৰু স্বতন্ত্ৰ বন প্ৰশাসনিক ব্যৱস্থা সময়ৰ দাবী। তদুপৰি পৃথক বন সংমণ্ডল স্থাপন কৰিলে নতুন চৰকাৰী পদ সৃষ্টি হ'ব, স্থানীয় যুৱক যুৱতীৰ বাবে-কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধি পাব আৰু জনসাধাৰণে বন বিভাগৰ সেৱা সহজে লাভ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, সেয়েহে চৰাইদেউ জিলাৰ স্বতন্ত্ৰ প্ৰশাসনিক মৰ্যাদা, দুটা বন বিভাগ, পাঁচটা সংৰক্ষিত বনাঞ্চল, আন্তঃৰাজ্যিক সীমান্তৰ কৌশলগত গুৰুত্ব, বন সংৰক্ষণৰ বৰ্ধিত প্ৰয়োজনীয়তা, ৰাজহ বৃদ্ধিৰ সম্ভাৱনা, DMFT আৰু MMDR-সম্পৰ্কীয় বিষয়সমূহৰ দক্ষ পৰিচালনা, উন্নয়নমূলক প্ৰকল্পসমূহৰ ৰূপায়ণ আৰু পৰিৱেশ সংৰক্ষণৰ স্বাৰ্থত চৰাইদেউ জিলাত মুখ্য কাৰ্যালয়সহ এক পৃথক ) চৰাইদেউ বন সংমণ্ডল"Charaideo Forest Division)" গঠনৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক শীঘ্ৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ বিনম্ৰভাৱে অনুৰোধ জনাইছোঁ। এই গুৰুত্বপূৰ্ণ বিষয়টো সদনত উত্থাপন কৰিবলৈ সুবিধা দিয়া বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, বন বিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই চৰাইদেউ জিলাত এটা বন সংমণ্ডল স্থাপনৰ কথা কৈছে। শিৱসাগৰ জিলাৰ পৰা ২০১৫ চনত চৰাইদেউ জিলাৰ উৎপত্তি হোৱাৰ পিছত সেই জিলাত এতিয়ালৈকে শিৱসাগৰ বন সংমণ্ডলেই কামখিনি চাই আছে। এই জিলাত পাঁচখন ৰেঞ্জ আছে, অভয়পুৰ, চলা, দিৰৈ, দিল্লী আৰু সাপেখাতী । এই পাঁচটা ৰেঞ্জৰ ভিতৰত প্ৰায় ১৬০৩৫ হেক্টৰ ভূমি আছে। ঠিক তেনেদৰে শিৱসাগৰ জিলাত দুটা ৰেঞ্জত ৮০৬৯ হেক্টৰ ভূমি আছে। নিশ্চয়কৈ এই কথা অনস্বীকাৰ্য যে অসমৰ বৰ্তমান ফৰেষ্টৰ বিভিন্ন ঠাইত যি ধৰণৰ বনাঞ্চল বৃদ্ধি হৈছে বা কৰবাৰ বনাঞ্চল হ্ৰাস হৈছে, ইয়াক লক্ষ্য কৰি বন সংমণ্ডলসমূহ নতুনকৈ reorganized কৰাৰ প্ৰয়োজন আছে আৰু এই কথাটো বন বিভাগৰ দৃষ্টিটো আছে, যিহেতু কাজিৰঙা, মানসকে ধৰি যথেষ্ট অভয়াৰণ্যত আমাৰ নতুন নতুন অঞ্চল সংযোজন হৈছে, গতিকে তাত সেই অনুযায়ী বন সংমণ্ডল বা বিভিন্ন বন কৰ্মীৰ প্ৰয়োজন আছে। এই কথাবিলাকক লক্ষ্য ৰাখি বন বিভাগে ভৱিষ্যতৰ দিনত নিশ্চয়কৈ এই কথাবিলাক চিন্তা কৰি বন সংমণ্ডলসমূহৰ reorganize কৰাক কথা চিন্তা কৰিব। তাৰ লগে লগে তেখেতে কৈছে যে সেই অঞ্চলত বন কৰ্মীৰ সংখ্যা বৃদ্ধিৰ প্ৰয়োজন আছে। ইতিমধ্যে চৰাইদেউ আঞ্চলিক বা চৰাইদেউ যিটো বন সংমণ্ডল ৰেঞ্জসমূহ আছে, এই ৰেঞ্জত প্ৰায় ৬২ জন আৰু শিৱসাগৰ জিলাত প্ৰায় ৬৮ জন বন কৰ্মী আছে। আমি নিশ্চয়কৈ এই কথা লক্ষ্য ৰাখিম যে খুব কম দিনৰ ভিতৰত অসমৰ প্ৰয়োজন অনুসৰি অন্ততঃ division সমূহ নতুনকৈ reorganize নোহোৱালৈকে প্ৰয়োজন অনুসৰি দৰকাৰ হ'লে ক'ৰবাত যদি সংৰক্ষণৰ কাৰণে আমি ডেপুটেশ্যন বা অন্যান্য এটাচমেণ্টত দিও ৰাখিব লাগে, এই কথাখিনিও চিন্তা কৰিম। তেখেতৰ লগত মই সেই সম্পৰ্কেও আলোচনা কৰিম।

তাৰ লগে লগে তেখেতে যিখিনি addsector ৰ কথা কৈছে, অসম নাগালেণ্ড সীমান্তত, সেই সীমান্তত ইতিমধ্যেই আমাৰ মাননীয় মুখ্যমন্ত্ৰী

ডাওঁৰীয়াই নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ ডাওঁৰীয়াৰ লগত আলোচনা কৰি কিছুদিন আগত তাত এটা পুলিচ বেটেলিয়ন স্থাপন কৰিছিল। গতিকে এই বেটেলিয়নটো স্থাপনৰ পিছত তাত এটা সুন্দৰ পৰিৱেশ হৈছে। গতিকে মই ভাবোঁ যে চৰকাৰে ইতিমধ্যে তেখেতৰ যিখিনি কনচাৰ্ন যে বন কৰ্মীৰ অভাৱ বা তাত প্ৰটেকশ্যনৰ অভাৱৰ কাৰণে এটা সংমণ্ডলৰ প্ৰয়োজন সেই অভাৱবিলাক আমি ডিভিজন নহ'লেও কেনেকৈ ফুলফিল কৰিব পাৰোঁ তাৰ লক্ষ্য আমি ৰাখিম। কিন্তু এখেতৰ যিটো demand সেই demand টোৰো ন্যায্যতা আছে। অসমত খুব সোনকালে আমি চেষ্টা কৰিম যে নতুনকৈ বন সংমণ্ডলসমূহ reorganized কৰি প্ৰয়োজন সাপেক্ষে য'ত বন্যভূমি বাঢ়িছে তাত হয়তো ষ্টাফৰ প্ৰয়োজন হ'ব, য'ত বন্যভূমি কমিছে তাৰ পৰা আমি বেলেগলৈ আনিব পাৰিম আৰু খুব কম দিনৰ ভিতৰত ইতিমধ্যে আমাৰ বন বিভাগে এটা সিদ্ধান্ত লৈছে যে আমাৰ বিভিন্ন সময়ত টেৰিট'ৰিয়েল বা ছ'চিয়েল ফৰেষ্ট্ৰিত যিসকল লোক আছে যদি তাত প্ৰয়োজন কম আছে তেতিয়াহ'লে তাৰ পৰা আমি ৱাইল্ডলাইফ ৰেঞ্জলৈকে বা ৱাইল্ডলাইফলৈকে নিয়াৰো পৰিকল্পনা কৰিছোঁ। এইটো এই মাহৰ ভিতৰতে বা অহা এক মাহৰ ভিতৰতে এই কামখিনি হ'ব আৰু সম্পূৰ্ণ এটা স্বচ্ছ পদ্ধতিৰ মাজেৰে আমি প্ৰয়োজন সাপেক্ষে বন কৰ্মী যাতে বিভিন্ন ঠাইত থাকিব পাৰে আৰু তাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিম। গতিকে তেখেতৰ যিখিনি কনচাৰ্ন সেই কনচাৰ্নখিনি বন সংমণ্ডলটোৰ লগত জড়িত যিখিনি কনচাৰ্ন সেইখিনি আমি immediately fulfil কৰিম আৰু বন সংমণ্ডলটো যেতিয়াই ৰিঅৰগেনাইজ হ'ব তেতিয়া আমি নিশ্চয়কৈ এই কথাটো বিবেচনালৈ আনিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য বদৰুদ্দিন আজমল ডাঙৰীয়াই বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং দফাৰ অধীনত ২০২৬ চনৰ ২৪ জুন তাৰিখে 'অসমীয়া প্ৰতিদিন' কাকতত প্ৰকাশিত 'চৰকাৰৰ পৰা বুজন পৰিমানৰ ৰাজ সাহাৰ্য্য লাভ কৰিও থলুৱাক নিদিয়ে নিযুক্তি' , 'ৰাজ্যৰ উদ্যোগ প্ৰতিষ্ঠানত কৰ্মৰত ৬০ শতাংশ বিষয়া কৰ্মচাৰীয়ে বহিৰাগত' । শীৰ্ষক বিষয়টো উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ  কৰিলো।

**মঃ বদৰুদ্দিন আজমল, বিন্নাকান্দিঃ** Sir, thank you very much, মোক সদনত বক্তব্য ৰাখিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছোঁ।

মোৰ যিটো প্ৰশ্ন আছিল বা মই যিটো বিচাৰিছিলো Industrial Development বা Industrial Employment Report সেইটোৰ ওপৰত ৯০০ টা উদ্যোগ আমাৰ ইয়াত static হিচাপে আছে I total employment 77,844 and for your concern, total employees 31,138 local employees only and outsider 47,000 I অৰ্থাৎ বাহিৰৰ employees double or more than double. Sir, this my concern. 60,000 outsiders on record in Govt. of Assam, why, sir ? This is my question because our youths and boys, they are not getting job in our state and the outsiders are coming and they are getting jobs and this is my concern, and maybe I think the whole House will be concerned about this because our boys, when they are going out, they are getting only fourth-grade, not fourth - grade, lower than fourth grade also they are getting the jobs. But in our state, when they are coming from outside, they are getting more and more good jobs. আৰু সেইটো সকলোতকৈ ডাঙৰ problem হয়, facilities of government. মই detail report আনিছো ছাৰ I The facilities from the Government of Assam 33% subsidy in capital, State GST of 15%, electricity subsidy 50, 50 lakhs subsidy in working capital. This is a very big amount, sir, and we have to think about this. And this is my earnest request. Why is this happening? They are not giving us, only they are taking the jobs and they are taking the subsidy from the ministry also. This is my concern, and I think the whole House will be concerned over this also. As per rule, 80% officers and 90% employees should be local. But no, sir, there's a Verse difference. More than 27 lakhs registered unemployed youths are in Assam, sir. This is a very big concern for নিবনুৱা সমস্যা I In Assam, we

have to take this as a serious request. I will request, through you, Sir, that the Industry Minister will take this into his concern, and I will get nearb not now, maybe after this, he will give us a reply so that the House will satisfy why we are giving these whole opportunities. We are not getting, Sir. If you bring a statistical report, we are not getting outside even fourth-grade or lower than fourth-grade jobs. But here we are giving big big posts to the outsiders. Why sir? This is my question. I don't know who the concerned Minister is and when will reply, I don't want reply today. Let him give us 10 days, 15 days later, with some reports Sir. Okay, thank you.

**মাননীয় অধ্যক্ষ** :- এতিয়া উদ্যোগ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীবিমল বড়া, মন্ত্ৰী** :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বদৰুদ্দিন আজমল ডাঙৰীয়াই মন্ত্ৰী কোন গম নাপায়, এইটো আমাৰ সদনৰ কাৰণে এটা পৰিতাপৰ বিষয় । কাৰণ তেখেতক বিধান সভালৈ তেখেতৰ সমষ্টিৰ পৰা পঠিয়াইছিল, কিন্তু তেখেতে শপত গ্ৰহণ কৰিলে নে নাই সেইটো আমি গম নাপাও, গতিকে যদি নাই কৰা শপত গ্ৰহণটো কৰি লবলৈ অনুৰোধ জনাইছো। কাৰণ তেখেতক আজি প্ৰথম দেখিছো।

**শ্ৰীবদৰুদ্দিন আজমল :-** মই লৈ লৈছো l You know, you very well know. I am first, you are also new here.

**শ্ৰীবিমল বড়া, মন্ত্ৰী** :- ঠিক আছে, আপোনাৰ প্ৰশ্নৰ উত্তৰটো দিব লৈছো, মাননীয় অধ্যক্ষ মহোদয়, অসমত যি ঐতিসাহিক ৰূপান্তৰৰ যুগত উপনীত হৈছে কাৰণ অসমে যোৱা দিন বিলাকত যি অভিজ্ঞতা সঞ্চয় কৰিছে সেই অভিজ্ঞতা আছিল অশান্তি আৰু অস্থিৰতাৰ লগত জড়িত। আৰু লাহে লাহে যোৱা এটা দশক ধৰি অসমে আজি শান্তি প্ৰগতি বিনিয়োগৰ এক অনুকুল পৰিৱেশৰ উজ্জ্বল নিদৰ্শন হিচাপে সমগ্ৰ দেশ জুৰি চৰ্চা লাভ কৰিছে। মাননীয়

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বৰ লগতে মাননীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ অটল সহযোগিতা আৰু দিগ্ নিৰ্দেশনাত অসমে অন্তৰ্ভূক্তিমূলক সৰ্বাংগীন আৰু Sustainable Development ৰ পথত দ্ৰুত গতিৰে আজি আগবাঢ়িছে। আমাৰ দেশৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই সদায় উত্তৰপূবক আগুৱাই লৈ যাবৰ কাৰণে তেখেতে এটা বাক্য ব্যৱহাৰ কৰিছে যে NE, এতিয়া NE ৰ অৰ্থ কেৱল Northeast হৈ থকা নাই New Engine of India আৰু সেই কাৰণে দেশৰ অষ্ট লক্ষ্মী হিচাপে আজি তেখেতে Northeastক তুলি ধৰিবৰ কাৰণে প্ৰয়াস কৰিছে। আৰু তাৰ ফলত বিগত এটা দশক জুৰি ৰাজ্যখনে infrastructure development, communicational development, logistic ৰ পৰা আৰম্ভ কৰি Digitalised connectivityলৈকে এক নজিৰ বিহীন উন্নয়নৰ সাক্ষী হবলৈ সক্ষম হৈছে আৰু এইটো অভূতপূৰ্ব উন্নয়ন। এই double engine চৰকাৰৰ শক্তি আৰু কাৰ্য দক্ষতাই আজি আগুৱাই লৈ গৈছে তাৰ ফলত অসমে এটা ভাল ইনভেষ্টমেণ্ট destination হিচাপে ইতমধ্যে সমগ্ৰ বিশ্বজুৰি গ্ল'বেল লিডাৰসকলৰ ওচৰত আজি আমাৰ পৰিচয় দাঙি ধৰিবৰ কাৰণে আমি সক্ষম হৈছোঁ। আমাৰ ৰাজ্যৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ স্পষ্ট দিগ নিৰ্দেশনা আছে যে অসমে বৃহৎ লক্ষ লৈ আগবাঢ়িব লাগিব ক্ষীপ্ৰতাৰে পদক্ষেপ গ্ৰহন কৰিব লাগিব আৰু জনসাধৰণৰ জীৱনত বাস্তৱ ভিত্তিক আৰু দৃশ্যমান পৰিবৰ্তন নিশ্চিত কৰিব লাগিব। আৰু তাৰ ফলত আজি উদ্যোগ আৰু বাণিজ্য এই বিভাগটোৱে এই দৃষ্টিভংগীৰ অনুপ্ৰাণিত হৈ আজি উদ্যোগিক নীতি আমি প্ৰৱৰ্তন কৰিছোঁ। ঠিক তেনেদৰে পতিষ্ঠানগত ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে ইজ অফ ডুইং বিজনেছ আমি শীপ্ৰতাৰে ৰূপায়ন কৰিছোঁ। ব্যৱসায় বাণিজ্য অনুকুল পৰিৱেশ সৃষ্টিৰ কাৰণে বিভিন্ন ধৰণৰ administrative reforms আমাৰ চৰকাৰখন আমি কৰি গৈ আছোঁ আধুনিক যি সমূহ উদ্যোগীক উদ্যাণ modern industrial state আজি গঢ়ি তুলিবৰ কাৰণে আমাৰ প্ৰয়াস হৈছে। লজিষ্টিক আৰু শক্তি ক্ষেত্ৰত আন্তগাঁথনিক য'ত আমি উন্নীত কৰিব পৰা তাৰ আমাৰ

প্ৰয়াস হৈছে। উদ্যোগ স্থাপনৰ কাৰণে ভূমিৰ availability এই ক্ষেত্ৰত আমি বিভিন্ন সংস্কাৰলৈ যাতে উদ্যোগ স্থাপন কৰা ব্যক্তি সকলে ভূমিৰ ক্ষেত্ৰত reclassification ৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধাৰ সন্মূখিন নহয়, এই কথা বতৰা বিলাকো আমি চৰকাৰ খনে দ্ৰুততাৰে আমি আগুৱাই লৈ গৈছো। আৰু সামগ্ৰিক ভাৱে দক্ষতা বিকাশৰ পৰা আৰম্ভ কৰি যি সমূহ বিধি সন্মত যি সমূহ অনুমোদন সেই অনুমোদনো আজি সহজ সৰলত গৈ কৰি তোলাৰ ফলত আজি MSME sector ত আমাৰ উদ্যোগ সমূহ গঢ়ি তুলিবৰ কাৰণে আমাৰ Entrepreneur সকল আজি আগবাঢ়ি আহিছে। আৰু আমাৰ যি উদ্যোগিক নীতি আছে এই নীতিকো আমি কিছু সংশোধন কৰি যাতে বিনিয়োগ কাৰী সকল অসমৰ প্ৰতি আকৰ্ষিত হয় তাৰ কাৰণে আমাৰ প্ৰয়াস আছে আৰু যাৰ ফলত তাৰ সুদূৰ প্ৰসাৰী যি প্ৰয়াস প্ৰভাৱ লাহে লাহে মানুহৰ মনত স্পষ্ট হৈ আহিছে ৰাজ্য খনত  জাগীৰোডত আজি টাটা ইলেক্ট্ৰনিক্সৰ ছেমিকণ্ডাক্টৰ সংক্ৰান্তীয় প্ৰকল্প ইতিমধ্যে নিৰ্মীয়মাণ অৱস্থাত আছে। মাল্টিনেশ্যনেল কোম্পানী পেপছিক'ৰ খাদ্য প্ৰস্তুতকৰণৰ উদ্যোগ ইতিমধ্যে নলবাৰীত আৰম্ভ হোৱাৰ পথত। হিন্দুস্তান ইউনিলিভাৰৰ উৎপাদন গোটৰ পৰা আৰম্ভ কৰি আমাৰ যিসমূহ FMCG-ৰ এনেধৰণে বহু উৎপাদন সংস্থা আজি অসমত উপলব্ধ হৈছে।

স্বাস্থ্য সেৱাৰ পৰা আৰম্ভ কৰি হস্পিটেলিটি ছেক্টৰলৈকে সেই ক্ষেত্ৰত আমি নতুন দিগন্ত অন্বেষণ কৰাৰ লগতে ৰাজ্যখনৰ প্ৰগতি, অৰ্থনৈতিক কৰ্মসংস্থাপন সৃষ্টি, সৰ্বাংগীন উন্নয়নৰ দিশত এক শক্তিশালী ভেটি প্ৰস্তুত কৰিবৰ কাৰণে লাহে লাহে আগবাঢ়ি গৈছোঁ। আৰু স্থানীয় যি সকল যুৱক-যুৱতী এই যুৱক-যুৱতীসকলে উদ্যোগ প্ৰতিষ্ঠানত পৰ্যাপ্ত কৰ্মসংস্থাপনৰ সুযোগ নাপায় বুলি যিটো প্ৰশ্ন আজি ইয়াতে উত্থাপন কৰিছে মাননীয় সদস্য ডাঙৰীয়াই, সেই গোটেই বিষয়ত আমি গুৰুত্ব সহকাৰে গ্ৰহণ কৰোঁ। কাৰণ আমাৰ কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত চৰকাৰৰ চাকৰিখিনিৰ বাহিৰেও আমাৰ যুৱক-যুৱতীসকলে শিক্ষা-দীক্ষাৰে শিক্ষিত হৈ যদি আমি কৰ্মসংস্থাপনৰ অভিযোগ সৃষ্টি কৰিব লাগে নিশ্চিত ভাৱে উদ্যোগিক ক্ষেত্ৰ খনতে তাৰ যথেষ্ট অৱকাশ আছে। সেই কাৰণে

এই গোটেই বিষয়টো সামগ্ৰিক দৃষ্টিভংগীৰে বিচাৰ কৰা প্ৰয়োজন। সামগ্ৰিক দৃষ্টিভংগীৰ প্ৰয়োজন আছে। ইয়াত এটা ছ'চিয়েল ইমপেক্টো আছে। কেৱল মাত্ৰ চৰকাৰে উদ্যোগিক নেটৱৰ্ক স্থাপন কৰি, ইণ্ডাষ্ট্ৰিয়েল ষ্টেট নিৰ্মাণ কৰি, উদ্যোগীসকলক আমি আমন্ত্ৰণ জনাই, অসমত উপলব্ধতা যিবোৰ আছে ৰ' মেটেৰিয়েলচৰ পৰা বজাৰ এই গোটেই কথাখিনি আমি যেতিয়া প্ৰম'ট কৰিম তেতিয়া কিন্তু এটা ছ'চিয়েল এনভাইৰনমেণ্ট, উদ্যোগিক বাতাবৰণ নিৰ্মাণ কৰাৰ তেনেকুৱা ধৰণৰ এটা পৰিৱেশৰ আমাৰ প্ৰয়োজনীয়তা আছে। আৰু সেইকাৰণে চৰকাৰৰ যি সমূহ মূল উদ্দেশ্য কেৱল বিনিয়োগ আকৰ্ষণেই মূল উদ্দেশ্য নহয়। ইয়াৰ প্ৰধান লক্ষ্য হৈছে আমাৰ যুৱ সমাজক কেনেকৈ অৰ্থপূৰ্ণ আৰু স্থায়ী কৰ্মসংস্থাপনৰ সুযোগ আমি ইয়াত সৃষ্টি কৰোঁ। আমাৰ দৃষ্টিভংগী তেনেধৰণে আমি আগুৱাই লৈ গৈছোঁ, য'ত আমাৰ পুত্ৰ-কন্যা, সন্তানসকলে কৰ্মসংস্থাপন পোৱাৰ লগতে ৰাজ্যৰ বাহিৰলৈ যাব নলগীয়া এটা পৰিৱেশৰ সৃষ্টি হয়, কাৰণ নিজ ৰাজ্যতেই সফল পেছাগত বা জীৱন তেওঁলোকে গঢ়ি তুলিব পাৰে।

এই কাৰণে চৰকাৰৰ যিসমূহ মূল উদ্দেশ্য, কেবল বিনিয়োগ আকৰ্ষণেই নহয়, ইয়াৰ প্ৰধান লক্ষ্য হৈছে আমাৰ যুৱ সমাজৰ বাবে কেনেকৈ অৰ্থপূৰ্ণ আৰু স্থায়ী কৰ্ম সংস্থাপনৰ সুযোগ আমি সৃষ্টি কৰিব পাৰো । আমাৰ দৃষ্টিভঙ্গী আমি তেনেধৰণে আগবঢ়াই লৈ গৈছো, য'ত আমাৰ পুত্ৰ-কন্যা সকলে কৰ্মসংস্থাপন পোৱাৰ লগতে ৰাজ্যৰ বাহিৰলৈ যাব নলগা এটা পৰিৱেশ সৃষ্টি হৈছে। তেওঁলোকে যাতে এটা পেছাগত জীৱন গঢ়ি তুলিব পাৰে, এই লক্ষ্য বাস্তৱায়িত কৰাৰ উদ্দেশ্যে চৰকাৰে ঔদ্যোগিক ব্যৱস্থাক এনেধৰণে ৰূপায়ণ কৰিছে যাতে যুৱক-যুৱতী সকলক প্ৰত্যক্ষ কৰ্ম সংস্থাপনৰ সৈতে জড়িত কৰিব পাৰি আৰু অসম ঔদ্যোগিক আৰু বিনিয়োগ বিধি ২০১৯ তাক আমি amendment কৰি যিসমূহ Industry য়ে অসমত ১০০ কোটি টকা invest কৰে বা minimum 200 employment generate কৰে তেওঁলোকক আমি customised Industrial Policy ৰ আধাৰত উদ্যোগ স্থাপন কৰিবৰ কাৰণে উৎসাহিত কৰো আৰু যিবিলাক management ৰ পদবী থাকে সেইসমূহ ৮০ শতাংশ আৰু

management ৰ বাহিৰৰ যিসমূহ চাকৰি, সেই সমূহৰ ৯০ শতাংশ অসমৰ স্থায়ী বাসিন্দাক তেওঁলোকে নিযুক্তি দিয়াটো বাধ্যতামূলক । এই ব্যৱস্থা পালনৰ জৰিয়তে দক্ষতা নিয়োগ আৰু উদ্যমিতা বিভাগত জাৰী কৰা নিয়োগ প্ৰমান পত্ৰৰ জৰিয়তে নিশ্চিত কৰা হয়। তেওঁলোক দক্ষ হয় নে নহয় সেই কথাটো প্ৰমাণ কৰিবৰ কাৰণে আমাৰ চৰকাৰৰ দক্ষতা নিয়োগ আৰু উদ্যমিতা বিভাগে যিসমূহ training হয়, সেই training ৰ আধাৰত তেওঁলোকে যি প্ৰমান পত্ৰ দিয়ে তাৰ পৰা নিশ্চিত কৰা হয় । মই দেখা পাইছো যে আমাৰ মাননীয় সদস্য গৰাকীয়ে এখন বাতৰি কাকতৰ উদ্ধৃতি দি এই প্ৰশ্নটো কৰিছে । এই যি পৰিসংখ্যা প্ৰস্তুত কৰিছে, সেয়া সম্পূৰ্ণ প্ৰামানিক তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হোৱা নাই। ইয়াত প্ৰকাশ হোৱা যিসমূহ পৰিসংখ্যা সংশ্লিষ্ট বিভাগৰ সংৰক্ষণৰ যিসমূহ তথ্য আছে, তাৰ লগত সামঞ্জস্যপূৰ্ণ নহয়। সেইকাৰণে মই ক'ব বিচাৰিছো যে অতি দায়িত্ব সহকাৰে এই ঔদ্যোগিক ক্ষেত্ৰখনত আমি কাম কৰি গৈছো । আমাৰ Industrial Policy,2019 খন আজি আমি amendment কৰিম customise policy আমি Introduce কৰিছো। তাৰফলত আজি ৬৩ টা উদ্যোগৰ প্ৰস্তাৱত আমি অনুমোদন জনাইছো। ইয়াৰ জৰিয়তে প্ৰায় ৫০,৩৯১ কোটি টকা বিনিয়োগৰ প্ৰস্তাৱ আমি লাভ কৰিছো। ইয়াৰ ফলত ২০,০০০ জন প্ৰত্যক্ষ কৰ্ম-সংস্থাপন আৰু ৰাজ্যজুৰি প্ৰায় ৬১,৩৬৫ জন অতিৰিক্ত যুৱক-যুৱতীৰ কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি কৰা হৈছে। যেতিয়া MoU কৰা হয়, তেতিয়া আমি amendment policy ৰ আধাৰত ৬৩ টা প্ৰস্তাৱত আমি যি অনুমোদন দিছো তাত এনেধৰণে ইমানখিনি কৰ্ম-সংস্থাপন সৃষ্টি হ'ব । কৰ্ম-সংস্থাপনৰ তাড়নাত মানুহ এঠাইৰ পৰা আন ঠাইলৈ যায়েই। এইটো বিকাশশীল অৰ্থনীতিৰ স্বাভাৱিক প্ৰক্ৰিয়া। গাৱঁৰ পৰা চহৰলৈ যায়, চহৰৰ পৰা ডাঙৰ চহৰলৈ যায় বা এখন দেশৰ পৰা আন এখন দেশলৈ যায় উন্নত জীৱিকাৰ সন্ধানত বা অধিক সুযোগৰ সন্ধানত । সেইকাৰণে সমগ্ৰ বিশ্বতে উদ্যোগ য'ত, সুযোগ ত'ত এনেধৰণৰ এটা ধাৰণা আছে । সেইকাৰণে দক্ষ জনশক্তিও কৰ্ম-সংস্থাপনৰ সন্ধানত তেনেধৰণে বিভিন্ন ঠাইলৈ যায় আৰু আমাৰ ভাৰতবৰ্ষও এখন একক

বজাৰ হিচাপে প্ৰতিগৰাকী নাগৰিকক যাতে যিকোনো প্ৰান্তত কাম কৰাৰ পৰিৱেশ পাব পাৰে তাৰো অধিকাৰ প্ৰদান কৰিছে। গতিকে কৰ্ম-সংস্থাপনৰ কাৰণে মানুহৰ স্থানান্তৰ অৰ্থনৈতিক বিকাশৰ এটা স্বাভাৱিক অংশ। কিন্তু একে সময়তে অসমৰ যুৱ সমাজে যাতে শিল্পায়নৰ সুফল সৰ্ব্বাধিকভাৱে লাভ কৰিব পাৰে, এইক্ষেত্ৰত অসম চৰকাৰ সম্পূৰ্ণভাৱে প্ৰতিশ্ৰুতিবদ্ধ। আমাৰ লক্ষ্য কেবল উদ্যোগ প্ৰতিষ্ঠাতেই সীমাবদ্ধ নহয়, আমাৰ লক্ষ্য বৃহৎ উদ্যোগ, ক্ষুদ্ৰ উদ্যোগ, মজলীয়া উদ্যোগ, start-up,স্থানীয় যিসমূহ সৰু entrepreneur, Service sector, দক্ষ মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰতো আমাৰ চৰকাৰখনে এটা ভাল eco system এটা গঢ়ি তোলাৰ প্ৰয়াস কৰিছো। সেইকাৰণে অসম চৰকাৰখনে MSME Sector খণ্ডক কৰ্ম-সংস্থাপনৰ সুযোগ যাতে বেছি সৃষ্টি হয়, MSME Sector ক আমি  অধিক গুৰুত্ব অৰ্পণ কৰিছো আৰু সমগ্ৰ ভাৰততে আজি MSME Sector ৰ যিটো ঘৰুৱা উৎপাদন, সেয়া প্ৰায় ৩০ শতাংশ। ৰপ্তানিত আমাৰ পৰা প্ৰায় ৪৫ শতাংশ অৰিহণা যোগাইছো MSME Sector য়ে। সমগ্ৰ ভাৰতবৰ্ষতে প্ৰায় ২৮ কোটিতকৈ অধিক লোকক MSME Sector ত কৰ্ম-সংস্থাপন দিবলৈ সক্ষম হৈছো। সেইকাৰণে MSME Sector আমাৰ দেশৰ মেৰুদণ্ড সদৃশ। অসমতো উদ্যম portal প্ৰায় ৭ লাখ entrepreneur আজি অন্তৰ্ভুক্ত হৈ আছে। এই উদ্যম portal ত অন্তৰ্ভুক্ত হৈ থকা উদ্যোগৰ সংখ্যা যোৱা কেইবাটাও বছৰত অভাৱনীয়ভাৱে বৃদ্ধি হৈছে। ইয়াৰ কাৰণ হৈছে  আমাৰ ৰাজ্যখনত যিসমূহ যোগাযোগ ব্যৱস্থা, শক্তিখণ্ডত আমাৰ যি উত্তৰণ, আমাৰ বজাৰ ব্যৱস্থাটোৰ পৰা আৰম্ভ কৰি ক্ৰেতাৰ purchase capacity বৃদ্ধিৰ ফলতে এখন বজাৰ পোৱা সম্ভৱ হৈছে। ইয়াৰ ফলত আমি  MSME আৰু উদ্যম portal ত পঞ্জীয়নৰ সংখ্যা বৃদ্ধি হোৱাটো আমাৰ সমাজৰ কাৰণে গুৰুত্বপূৰ্ণ। সেইকাৰণে MSME সকলে ৮ ৰ পৰা ৪০ জনলৈকে কৰ্ম-সংস্থাপন সৃষ্টি কৰে আৰু তাৰ ফলত হাজাৰ হাজাৰ যুৱক-যুৱতীৰ কৰ্ম-সংস্থাপন সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। আমাৰ যি এই নতুন ঔদ্যোগিক বাতাৱৰণ সৃষ্টি হৈছে, আমাৰ যুৱক-যুৱতী সকল যাতে skilled হয়, যাতে আমি অসমত শক্তিশালী মানৱ

সম্পদ গঢ়ি তুলিব পাৰো তাৰ কাৰণে আমাৰ অসম দক্ষতা উন্নয়ণ অভিযান, বিভিন্ন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ আছে, অসম দক্ষতা বিশ্ববিদ্যালয় আছে, ঠিক তেনেদৰে semi conductor খণ্ডত মানৱ সম্পদ গঢ়ি তুলিবৰ কাৰণে আমাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ো এটা পাঠ্যক্ৰম আৰম্ভ কৰিছে –Post Graduate Diploma in Semi Conductor Theory and Application. আৰু আমাৰ যি Skill University আছে, তেওঁলোকেও Digital Manufacturing Technology এই বিষয়ত Diploma পাঠ্যক্ৰম প্ৰস্তুত কৰিছে । আমাৰ গুৱাহাটী IIT য়ে Semi Conductor প্ৰযুক্তিৰ ক্ষেত্ৰত কাৰিকৰী দক্ষতা বৃদ্ধি আৰু উদ্ভাৱনক উৎসাহিত কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ কৰ্মশালা আয়োজন কৰি আহিছে । আমাৰ চৰকাৰে ইতিমধ্যে এখন NIELIT স্থাপনৰ কাৰণে জাগীৰোডত ভূমি আৱন্টন দিছে, য'ত Semi Conductor আৰু Electronics উৎপাদন খণ্ডত বিভিন্ন ধৰণৰ প্ৰশিক্ষণ, প্ৰমান পত্ৰ, বিকাশ ইত্যাদি সমূহত এই NIELIT প্ৰতিষ্ঠানটোৱে আমাৰ যুৱক-যুৱতী ,সকলক দক্ষতাপূৰ্ণ কৰি তুলিবৰ কাৰণে প্ৰয়াস কৰিব । গতিকে মাননীয় যিগৰাকী বিধায়কে এই গোটেই বিষয়টো উত্থাপন কৰিছে, মই তেওঁক জনাব বিচাৰিছো যে আমাৰ অসমে এতিয়া এটা নতুন ঔদ্যোগিক যাত্ৰা আৰম্ভ কৰিছে । আগন্তুক দিনত আমি সকলোৱে যিটো বিষয়ত লৈ সদায় সংশয়ত থাকো যে আমাৰ যুৱক-যুৱতী সকলক কেনেদৰে আমি সংস্থাপিত কৰিম এই প্ৰশ্নটোৰ উত্তৰ মই ভাৱো যে সকলোৰে সহযোগত আমি এটা সমাধানৰ পথেৰে আগুৱাই যোৱাৰ পথ লাহে-লাহে উন্মোচিত হৈছে । মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই India ত যি Semi Conductor mission আৰম্ভ কৰিলে, যি mission ৰ অধীনত আমাৰ দেশৰ ৬ খন ৰাজ্যত ১০ টা Semi Conductor উদ্যোগ স্থাপন কৰিবৰ কাৰণে যি অনুমোদন দিছিলে, তাৰ ভিতৰত দুটা আৰম্ভ হৈছে –এটা গুজৰাটৰ ধলেৰাত আৰু এটা অসমৰ জাগীৰোডত । Semi Conductor ত যেতিয়া আমাৰ জাগীৰোডত আৰম্ভ হৈছে সমগ্ৰ বিশ্বজুৰি ইয়াৰ এটা প্ৰচাৰ চলিছে Electronics World খনত । এই প্ৰচাৰৰ ফলত অসম As a good destination for investment, এই কথাটো এতিয়া সমগ্ৰ বিশ্বত চৰ্চ্চা হৈছে

। যাৰ ফলত আজি কেইদিনমানৰ আগত আমাৰ অসমলৈ European Union য়ে আহি Global যি Gateway , সেই Global Gateway ৰ অধীনত পদক্ষেপ গ্ৰহণ কৰি European Blue Valley Cluster Pilot কাৰ্য্যসূচী আজি অসমত আৰম্ভ কৰিছে, এইটো এটা খুব ডাঙৰ পদক্ষেপ । এই পদক্ষেপে অসমক সমৃদ্ধ কৰাৰ লগতে অসমৰ যি প্ৰাকৃতিক সম্পদ আছে, ঐতিহ্য গত শক্তিৰ সৈতে আমাৰ European Union ৰ, বিভিন্ন তেওঁলোকৰ উদ্ভাৱনি যিবিলাক চিন্তা আছে, যিবিলাক গৱেষণা আছে যিবিলাক Advance technology আছে, সেই গোটেই বিলাক লৈ আমাৰ অসমৰ চাহ, সুগন্ধি, বিভিন্ন প্ৰাকৃতিক জৈৱ বৈচিত্ৰতাৰ মাজত থকা বিভিন্ন উদ্ভিদ এই সকলো বিলাক লৈ আজি বিশ্ব বজাৰত এটা চৰ্চ্চা আৰম্ভ হৈছে , আৰু মই ভাৱো এটা মুক্ত বানিজ্য চুক্তি যদি কাৰ্য্যকৰী হয় আগন্তুক দিনত অসমত আৰু নতুন কৰ্মসংস্থাপনৰ সুযোগ স্থাপন হ'ব। গতিকে মই আজি এই গোটেই বিষয়টো উত্থাপন কৰাৰ বাবে মাননীয় বিধায়ক গৰাকীক ধন্যবাদ জনাইছো। কিন্তু তাৰ সমান্তৰাল ভাৱে আমি তেওঁক এটা আহ্বানো জনাওঁ, তেখেতো এটা ব্যৱসায়ৰ লগত জড়িত। যিটো ব্যৱসায় মই ভাৱো যদি Legally কৰে তেতিয়া অসমত বহুত কৰ্ম সংস্থাপন সৃষ্টিৰ সুযোগ সৃষ্টি হ'ব। তেখেতে যিটো ব্যৱসায়ৰ লগত জড়িত , যিটো export ৰ লগত জড়িত। কিন্তু সেই export আৰম্ভনিৰ পৰাই এতিয়া illegal বুলিয়েই ধৰা হয়। আমাৰ চৰকাৰে এই ক্ষেত্ৰত যথোপ যুক্ত ব্যৱস্থা আমি গ্ৰহণ কৰিম আৰু তেখেতকো আহ্বান জনাম যাতে অসমৰ অৰ্থনীতি শক্তিশালি কৰাৰ ক্ষেত্ৰত সেই ব্যৱসায়টো যাতে legalize কৰি সহযোগিতা কৰে। ধন্যবাদ।

**মঃ বদৰুদ্দিন আজমল, (বিন্নাকান্দি)ঃ** Our business is not illegal**.** Sir, I am very very grateful to you, আপুনি ইমান দিঘলীয়াকৈ ভালকৈ মোক উত্তৰ দিছে, I am very much satisfied. We are not illegal businessman. My father has started in 1951. That is in record.

**শ্ৰী বিমল বৰা, মন্ত্ৰী ,এক্ট ইষ্ট পলিচি এফেয়াৰচ,উদ্যোগ বানিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদিঃ** ঠিক আছে, কিন্তু অসম চৰকাৰে যি ধৰণে ৰাজহ পাব লাগে সেই ধৰণে ৰাজহ নাপায়। সেইকাৰণে

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষঃ –** আজমল চাহাব, Please,বহক। চৰকাৰে Industrialization কৰিছে। সেইটো সকলোৱে আমি জ্ঞাত। বহুত Employment পাইছে। সেইটো সকলোৰে জ্ঞাত। তাৰ কাৰণে চৰকাৰ ধন্যবাদৰ পাত্ৰ। তেখেতৰ বিষয়টো আছিল, আমাৰ যিমান উদ্যোগ হৈছে, সেই উদ্যোগ বিলাকত local youth সকলে তাত নিযুক্তি পাইছেনে পোৱা নাই। আপুনি কৰ্ম সংস্থাপন কৰিছে ঠিকেই, কিন্তু কৰ্ম সংস্থাপন কৰোতে local youth যদি নাপায়, সেইটো আমাৰ কাৰণে দুখ লগা কথা। সেই কাৰণে যিটো চাবচিডি পায় ৩৩ শতাংশ , যিহেতু তেওঁলোকে GST ১৫ বছৰৰ কাৰণে relaxation পায়। গতিকে তেওঁৰ আবেদনটো হৈছে যে যিহেতু অসমত ইমান Industrialization হোৱাৰ পিছত অসমৰ local youth য়ে যাতে তাতে নিযুক্তি পায়। সেইকাৰণে আপোনালোকে বিভাগীয় ভাৱে সেই উদ্যোগী সকলক মাতি আনি বা কিবা চৰ্কোলাৰ দি তেনেকুৱা ব্যৱস্থা আছে নেকি ? সেইটোহে দৃষ্টি আকৰ্ষণ কৰিছে।

**শ্ৰী বিমল বৰা, মন্ত্ৰী ,এক্ট ইষ্ট পলিচি এফেয়াৰচ,উদ্যোগ বানিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদিঃ** সেইটো তাতে প্ৰভিজনে আছে ,তাতে ৮০ শতাংশ local youth ক নিযুক্তি দিব লাগিব।

**মাননীয় অধ্যক্ষঃ** আপুনি কওঁতে Skilled হ'ব লাগিব বুলি কৈছিল। Local youth শব্দটো কোৱা নাছিল। তথাপি আপুনি এটা কাম কৰিব, আপুনি এবাৰ সকলো Industrialist ক আপুনি বিভাগৰ জৰিয়তে, পূৰ্বৰ যিখন চাৰ্কোলাৰ আছে, সেইখন ঘুৰাই দিব যাতে বহুতে যদি পাহৰি যায়, মনত পৰিব।

**মঃ বদৰুদ্দিন আজমল,(বিনাকান্দি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়, I am grateful to you আপুনি বহুত দীঘলীয়া, বহুত ভাল, উত্তৰ দিলে মই আপোনাক এটা পৰামৰ্শ দিম, Your Ministry, you go with AI, and checked with AI, Try to use AI, he will reply you, he will suggest you and I can suggest you, (----- হিন্দী-----)

**শ্ৰী বিমল বৰা, (মেন্ত্ৰী ,এক্ট ইষ্ট পলিচি এফেয়াৰচ,উদ্যোগ বানিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি)ঃ** আপোনাক আহ্বান জনাইছো,World market ত যাতে legally যায়, সেইক্ষেত্ৰত যাতে আপুনি চৰকাৰক সহযোগ কৰক।

**মঃ বদৰুদ্দিন আজমল, (বিন্নাকান্দি)ঃ** I am request you to use AI, you will get so many information.

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং দফাৰ অধীনত Manas National Park and Tiger Reserve ৰাষ্ট্ৰীয় অভয়াৰণ্যখনৰ সমস্যা সমূহৰ শীৰ্ষক বিষয়টো মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব।

**শ্ৰী মৃণাল শইকীয়া, (খুমটাই)ঃ** ধন্যবাদ আজি ৩০১ ত মোৰ এই বিষয়টো উত্থাপন কৰিবলৈ মোক সুযোগ দিলে। মানস কেৱল অভয়াৰণ্যই নহয়,এখন Tiger Reserve ও ২,৮৩৭ Square কিঃ মিঃ এইখন এখন ৰাষ্ট্ৰীয় উদ্যান। কাজিৰঙা আৰু মানস এই দুয়োখন আমাৰ অসমৰ গৌৰৱ, ভাৰতৰ গৌৰৱ। এই দুয়োখনে বিশ্ব বিখ্যাত। এই দুয়োখনকেই ইউনেস্কোই World Heritage Site হিচাবে ঘোষণা কৰিছে। মানসৰ সৌন্দৰ্য্য বেলেগ আৰু কাজিৰঙাৰো সৌন্দৰ্য্য বেলেগ। দুয়োটাৰে সৌন্দৰ্য্য কিন্তু বেলেগ বেলেগ। দুয়োখনে সৌন্দৰ্য্যপূৰ্ণ। মই মানসৰ সৌন্দৰ্য্যটো বেছি ভাল পাওঁ। তাৰ কাষেৰে বৈ গৈছে বেঁকী নৈ, তাৰ সেই বেকা- বেকি ভাজবোৰে মোক খুব আপ্লুত কৰে। মন বিলাক ভাল লাগে। তাতে

এইবাৰ মানসত যিটো হ'ল যে black panther ৰে লোক দৃষ্টিৰ সন্মুখতে পোৱালি জগাইছিল আৰু সদায় ৰাস্তা এটা পাৰ হয়, আৰু পোৱালি থাকে এফালে আৰু মাক থাকে এফালে। বাঘ বিলাকে সাধাৰনতে পোৱালি বিলাক লুকুৱাই ৰাখে যাতে মতা বাঘ বিলাকে খাই নিদিয়ে। পোৱালি বিলাক লুকুৱাই থয় এফালে আৰু মাক থাকে এফালে। যেতিয়া ৰাস্তা পাৰ হয়, সেই ৰাস্তা পাৰ হোৱাটো চাবলৈ ইমান স্থানৰ পৰা পৰ্য্যটক আহি কেমেৰা লৈ লৈ বহি থাকে। মই তিনিবাৰ ভ্ৰমন কৰিলো সিহঁতৰ ৰাস্তা পাৰ হোৱাটো চাবলৈ। ৩ নং বাৰত মই দেখিলো, মানসৰ এইবাৰ এই দৃশ্যাৱলীয়ে কিন্তু বহুত মানসক আগুৱাই লৈ গ'ল। তেতিয়া তাত টুৰিষ্টৰ সংখ্যা বহুত বাঢ়ি গ'ল। আগতে তাত ড০ ৰমেশ বুলি এজন ডাইৰেক্টৰ আছিল এতিয়া ড০ সোনালী ঘোষ। মই চৰকাৰক ধন্যবাদ দিওঁ যে দুয়োজনে অতি সুদক্ষ অফিচাৰ। দুয়োখন বিখ্যাত অভয়াৰণ্যত ড০ সোনালী ঘোষ আৰু ড০ ৰমেশক নিযুক্তি কৰি থৈছে। সেইটো হৈছে চৰকাৰৰ commitment যে ভাল অফিচাৰক দিয়া হৈছে। এতিয়া কথা হৈছে কি মানসৰ প্ৰধান সমস্যাটো হৈছে কি grassland কমি গৈছে। ১৯১৯ ত এই grassland আছিল ৫৩.৬১ শতাংশ। মানসৰ যিটো মাটিকালি ২,৮৩৭ Square কিঃ মিঃ। তাৰ grassland ১৯১৯ ত আছিল ৫৩.৬১ শতাংশ। ২০১৯ ত যেতিয়া চাৰ্ভে কৰিছিল তেতিয়া decrease হৈ ৩০.২৪ শতাংশ হ'ল। তাৰ মানে কিমান কমি আহিলে ? ২৯ বছৰত ২৩ শতাংশ কমি আহিল। কমি অহাৰ ফলত কি হয় Animal concentration টো য'ত ঘাঁহ থাকে তালৈ concentration টো বেছি হৈ যায়। ইফালে যিখিনি জীৱজন্তু আছে সেইখিনিয়ে য'ত খোৱা বস্তু থাকিব তালৈয়ে গুছি যাব। যিখিনি জীৱজন্তু আগতে ৩০.২৪ শতাংশত আছিল ১৯৯০ চনত ৫৩.৬১ শতাংশ Grassland ত আছিল এতিয়া সেই গোটেই জীৱজন্তুখিনি concentrated হ'লগৈ ৩০.২৪ শতাংশত। ২৯ বছৰত ২৩ শতাংশ কমি আহিল। তাৰ মানে আৰু ২০ বছৰ যদি যায় কিমান শতাংশ থাকিবগৈ। সেইটো এটা ডাঙৰ সমস্যা আছে। কিহৰ কাৰণে Grassland টো কমিছে ? কিছুমান invasive weeds আহি গৈছে তাত যিবিলাক weeds এ আমাৰ Grass খিনি নাইকিয়া কৰি পেলায়। এনেকুৱা invasive বহুত আছে , তাৰ ভিতৰত Bombax ceiba, Dilleniapentagyna এই দুটাই বিশেষকৈ আমাৰ Grassland বোৰ নোহোৱা কৰিছে । সেইকাৰণে

UNESCO টো আমি এখন কমিটি এটা study tour ত গৈছিলো আৰু তাত যাওঁতে এইখিনি কথা গম পালো। কেইবাজনো সন্মানীয় বিধায়ক আমাৰ লগত আছিল। আমি এই বিষয়ত UNESCO কো এখন পত্র প্রেৰণ কৰিছিলো, যিহতু এইখন এখন World Heritage Site, হিচাপে UNESCO ই declare কৰিছিল । মই দেখিছো এইবিলক United Nation ৰ যিবিলাক subsidiary organization আছে সেইবিলাক সকলো বগা হাতী, white elephant. কাৰণ আমাৰ ইমান দিন হৈ গ'ল পত্র প্রেৰণ কৰাৰ, এটা reply ও অহা নাই যে এনেকুৱা এটা সমস্যা পাইছো । তেওঁলোকৰ যিবিলাক কৰিব লাগে কৰি দিলে UNESCO Heritage য়ে তাৰ পিছত কোনো accountable নহয় । মোৰ পৰামৰ্শ হ'ল আমি কমিটিয়ে যিকেইটা পৰামৰ্শ UNESCO ক কৈছিলো সেইকেইটাকে মই পঢ়ি দিওঁ আৰু মাননীয় অধ্যক্ষ আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক প্রেৰণ কৰিলো লগতে তেওঁ যিহেতু নতুন young minister, আশা ৰাখিম যে এইখিনি সমস্যা সমাধান হ'ব। আমি UNESCO লৈ পঠাইছিলো-

In view of the above the committee on Act Implementation respectfully seeks UNESCO's support expertise and cooperation in the following areas providing technical guidance for preparing a comprehensive Grassland restoration and management strategy for Manas. Assisting with advance habitate monitoring tools including satellite based digitations analysis and invasive specis map. Fecilitating access to international funding revenues and collaborative conservation, mechanisms to support Grass skills, restorations efforts. Supporting capasity building programmes to take fill staffs in Grassland restoration invasive specis control and scientific fire management practices. এই বিষয় বস্তু কেইটা যদি আমি seriously নলওঁ তেতিয়াহ'লে মানস অভয়াৰণ্যত কিন্তু ২০-২৫ বছৰ পিছত অভয়াৰণ্যখন থাকিব, বেকী নদী খন থাকিব, forester থাকিব, Director থাকিব কিন্তু তাত জীৱ-জন্তু নাথাকিব । জীৱ-জন্তু বিলাক

migrate কৰিব বা যি আমাৰ জনবসতি সেইফালে ঢাপলি মেলিব। আকৌ সেই Man-Animal conflict টো বেছি হৈ যাব। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আমাৰ এই পত্ৰ খন মন্ত্ৰী মহোদয়লৈ প্ৰেৰণ কৰিলো। তাত আৰু সমস্যা আছে Encroachment ৰ। Forest পৰা পোৱা ডাটা মতে ৩৭০৯ কি.মি. পানবাৰী আৰু ভূঞাপাৰাত  Encroachment আছে। সেইটোৰ বিষয়ে চৰকাৰে অলপ নজৰ দিব বুলি মোৰ অনুৰোধ থাকিল। ইয়াত আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো আমি তাত যাওঁতে দুজনী forest guard পাইছিলো পম্পী আৰু কণিকা। young and energetic তেওঁলোকে দৈনিক ২০ কি.মি খোজ কাঢ়ি জীৱ-জন্তুৰ পৰা মানুহক আৰু মানুহৰ পৰা জীৱ-জন্তুক ৰক্ষা কৰে  আৰু black panther যেতিয়া ওলাই থাকে সেইটোও তেওঁলোকে control কৰে। মই তেওঁলোকক সমস্যাবোৰ সুধিছিলো, তেওঁলোকে ক'লে যে টাইগাৰ ৰিজাৰ্ভত থকা বনকৰ্মীয়ে বছৰেকীয়া ভাট্টা এটা পায়। সেইটো কাজিৰঙাত থকা সকলে পায়, কিন্তু মানসত থকা সকলে নাপায়। সেইটোত তেওঁলোকৰ মনটো বেয়া লাগে বুলি ক'লে। যিটো ভাট্টা, ভাট্টা বা কি কয় কোনোবাই পায় অৰ্থাৎ আমাৰ ধৰক বিধায়ক ৫০ জনে দৰমহা এক লাখ পাওঁ আৰু ৫০ জনে ৫০ হাজাৰ পায় সেইটো কিন্তু বহুত অন্যায় হয়, illegal হয়। এই বিষয়টো সদনৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো। এইটো বিষয়ত মই  Chief conservative of forest  যাদৱৰ লগত মানসৰ পৰাই আলোচনা কৰিছিলো। তেখেত নিশ্চয় ইয়াত আছে। আৰু এটা বিষয়ত Tourism বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, তাত tourist বহুত আহে। Foreign tourist ও আহে। তাত Tourism বিভাগৰ দুটা ডাঙৰ বিল্ডিং সম্পূৰ্ণ হৈছে কিন্তু খোলা নাই। এটা আগতে চলাইছিল কোনোবাই কিন্তু সেইটো এতিয়া চৰকাৰে আকৌ লৈ ল'লে বুলি শুনিছো। সেইকাৰণে এই দুইটা বিল্ডিং আকৌ কামত লগাব লাগে, যাতে tourist সকল আহি তাত থাকিব পাৰে সেই ব্যৱস্থাটো কৰিব লাগে। তাত এটা Forest ৰ IB আছে। আমি তিনিজন মান থাকিব গ'লো তাত ক'লে যে পানী পৰে। International এটা স্থানত International এটা tourist place ত ও  টিনৰ পৰা

পানী পৰে আৰু AC এটা ৰূমত নাছিল, এটা বেয়া আছিল। মই গৈ নিজৰ পইচাৰে এটা ৰূমত AC লগালো। এটা AC ভাল কৰিলো আৰু তাৰ ৰেঞ্জাৰক মই ২০ হাজাৰ টকা দি আহিছো বেলেগ টিন আনি replace কৰিবলৈ আৰু কৈছো প্ৰয়োজন হ'লে মই আকৌ পইচা দিম। পিছত তেখেতে ক'লে যে এইবোৰ কৰি আছো আৰু ডাক্তৰ ৰমেশে কিবা  Fund এটা  arrange কৰি গৈছে, সেইকাৰণে আপুনি ব্যক্তিগতভাৱে দিব নালাগে। মানসৰ আৰু এটা বৈশিষ্ট্য হ'ল –মানসৰ লগতে ভূটান লাগি আছে তাংবাং। ভূটানখন এখন সুন্দৰ প্ৰাকৃতিক স্থান লগত ৰিৰ্জটো আছে। মই জানিব পৰা মতে মাননীয় অধ্যক্ষ মহোদয়ে অলপ দিন আগতে ভূটানত থাকি আহিছে। তেখেতেওঁ সেই সৌন্দৰ্য্যটো উপভোগ কৰিব পাৰিছে। ভূটানৰ লোকসকল খুৱ শান্তিপ্ৰিয়, টুৰিষ্ট তেওঁলোকে আমাৰ নিচিনা মাতি নাথাকে, টুৰিষ্টো control কৰিবলৈ চেষ্টা কৰে। তথাপিও তাত তেওঁলোকৰ শুশ্ৰূষা বহুত ভাল। মাননীয় অধ্যক্ষ মহোদয়ৰ ফটো তাত দেখি আহিছো, টিটো ল'জত আছিল তেখেতে তাত মইও আছিলো, সেইকাৰণে এইখিনি কথাকে আজি ক'লো  আৰু এই মানসখন যাতে মৃত্যুমুখত নপৰে সেইটো কিন্তু সোনকালে ব্যৱস্থা কৰিব লাগ। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া Minister Forest.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য মৃনাল শইকীয়া ডাঙৰীয়াই অত্যন্ত গুৰুত্বপূৰ্ণ দিশ এটা আজি এই সদনৰ মজিয়ালৈ আনিছে। মই তেখেতক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। আমি সকোলৱে জানো যে এখন ৰাষ্ট্ৰীয় উদ্যান বা জৈৱ বৈচিত্ৰ সুন্দৰভাৱে থাকিব লাগিলে তাত Woodland আৰু Grassland ৰ ratio টো সদায় মিলি থাকিব লাগিব। নিশ্চয়কৈ তেখেতৰ যিখিনি concern বা তেখেতে যিখিনি কথাত অত্যন্ত গুৰুত্ব দিছে সেয়া আজিৰ তাৰিখত সকলোৰে কাৰণে অত্যন্ত গুৰু  পূৰ্ণ। কাৰণ আমি যদি যোৱা ১৯৭০ চনৰ পৰা মানসৰ Woodland আৰু Grassland ৰ ratio টো চাওঁ তেতিয়াহ'লে দেখিবলৈ পাম যে ক্ৰমাগতভাৱে তাত Grassland টো কমি আহিছে। ১৯৭০ চনত Woodland আছিল ৩৭০, Grassland আছিল বৰ্গ কিঃমি। ১৯৮০

চনত Woodland বাঢ়ি গ'ল ৩৩০ হ'ল, Grassland কমি আহিল ৪১৫ ত। এনেকৈ Woodland বাঢ়ি গৈ আছে আৰু Grassland টো কমি গৈ আছে। তাৰমানে জংঘল বাঢ়িছে, ঘাঁহনি কমি গৈছে। গতিকে কথাটো হ'ল Woodland আৰু Grassland ৰ ratio টো যদি সমান সমান থাকে সেইটো ভাল। কিন্তু এটা সময় আছিল যে তাত Grassland ৬৩ শতাংশলৈ আছিল। কিন্তু লাহে-লাহে ই কমি আহি এতিয়া ৩০ শতাংশ হ'ল। সেইকাৰণে এইটো এটা যথেষ্ট concern ৰ বিষয় কিন্তু এই গোটেই ব্যৱস্থাটো কিয় হৈছে ইয়াৰো এটা ইতিহাস আছে। ইয়াৰ ইতিহাস এইটোৱে যে ইয়াত কিছুমান বিশেষ কাৰণত ঘাঁহনি যিটো কমি আহিল তাৰ কাৰণ যিটো জলবায়ু আৰু জলতান্ত্রিক পৰিৱর্তন মানে বিভিন্ন সময়ত যেতি্য়া ভূটানত বিভিন্ন infrastructure হৈছিল বা আগতে বেকী নৈত মথাউৰি নাছিলে এই পানীবিলাক যেনি-তেনি গুছি গৈছিল। যাৰকাৰণে পানী যেতিয়া হয় এই পানীবোৰে Grassland টোৰ ratio টো maintain কৰাত সহায় কৰে। এতিয়া মথাউৰি হ'ল পানী তেনেকৈ যাব নোৱাৰা হ'ল কিছুমান infrastructure ৰ কাৰণে ভূটানৰ পানী diversion হ'ল ইত্যাদি বিভিন্ন কাৰণত grassland টো কমি আহিল। দ্বিতীয়তে, আপোনালোকে জানে যে মোটা-মোটি ১৯৭৯ চনৰ পৰা ২০০৩ চনলৈকে তাত এটা বৰ অশান্তিময় পৰিৱেশ এটা আছিল। গোটেই মানস অভয়াৰণ্যত সংগ্ৰামে এনেকুৱা এটা ৰূপ লৈছিল যে তাত মানুহ যাবই নোৱাৰে, এনেকুৱা এটা পৰিৱেশ হৈছিল। ২০০৩ চনৰ চুক্তিৰ পিছত লাহ-লাহে তাত এটা শান্তিৰ পৰিৱেশ আহিলে। এই বিভিন্ন কাৰণবিলাকে মানসত এইধৰণৰ grassland টো কমাই আনিলে। আৰু এটা কথা ঠিক আমি যিবিলাক অপতৃণ বুলি কওঁ সেই অপতৃণ বিলাকে grassland টোৰ ক্ষতি কৰে। যেনেকৈ আমাৰ তাত জাৰ্মানী বন, কপৌলতা, কুকুৰ ঠেঁঙীয়া এই ধৰণৰ যিবিলাক অপতৃণ, এই অপতৃণ বিলাকে grassland টোৰ ক্ষতি কৰে। বিশেষকৈ যিটো শিমলু গছ বুলি কয়, সেই শিমলু গছৰ তুলাবোৰ উৰি গৈ য'তে – ত'তে পৰি আকৌ নতুন গছ হয় আৰু নতুন গছবোৰৰ বাবে তাত grassland ৰ অত্যন্ত ক্ষতি হৈছে। কিন্তু সেইটো কথা নহয় যে বিভাগে grassland ৰ development ৰ বাবে আঁচনি লোৱা নাই বা

কাম কৰা নাই, বিভাগে যথেষ্ট কাম কৰি আছে। ২০২২ চনৰপৰা ২০২৫ চনলৈকে আমাৰ যিটো 'APFBC' - PPF ৰ অধীনত French Project চলিছিল, সেই প্ৰজেক্টত আমি প্ৰায় ৬৯৭ হে'ক্টৰ grassland বিভিন্ন ঠাইত এনেকুৱা অপতৃণ নষ্ট কৰিবৰ কাৰণে, অপতৃণবোৰ কমাই নি যাতে grassland সৃষ্টি কৰিব পাৰে তাৰকাৰণে কাম কৰিছে। ঠিক তেনেদৰে, Pygmy Hog Conservation Project ত আমাৰ যিটো নলগাহৰী সংৰক্ষণৰ প্ৰজেক্ট আছে সেই প্ৰজেক্টৰ জৰিয়তেও প্ৰায় ৮০৬ হে'ক্টৰ ভূমিত অপতৃণ নিৰ্মূল বা আক্ৰমণাত্মক প্ৰজাতি সমূহ নিৰ্মূল কৰাৰ কাৰণে কাম কৰিছে। ঠিক তেনেকৈ CAMPA ৰ অধীনত ২০২৫-২৬বৰ্ষত প্ৰায় ২০০ হে'ক্টৰ ভূমিত ঘাঁহৰ বীজ সিঁচা, ৰাইজ'ম ৰোপনৰ জৰিয়তে নিয়মীয়া অপতৃণ নিৰ্মূল বা সেইসমূহৰ গজালি উভালি পেলোৱাৰ কাম কৰিছিল। প্ৰায় ১৬৯৬ হে'ক্টৰ ভূমিত এনেকৈ ৩টা প্ৰজেক্টৰ জৰিয়তে কাম কৰা হৈছিল। কিন্তু এটা কথা লক্ষণীয় যে যিধৰণে কাম কৰিছে , সেইধৰণে ফল হ'ব লাগিছিল কিন্তু সেই ফলটো বিভিন্ন কাৰণত বিশেষকৈ ইক'ল'জিকেল, জলবায়ুৰ যি পৰিৱৰ্তন সেই পৰিৱৰ্তনৰ কাৰণে যিমান কাম হৈছে সেইধৰণে আমি ফল লাভ কৰা নাই। গতিকে মই আশা ৰাখিম যে আগন্তুক দিনত মৃণাল শইকীয়া ডাঙৰীয়াৰ যিটো concern, সেইটো অতি গুৰুত্ব সহকাৰে লৈ আমি তাত কেনেকৈ ঘাঁহ-বন গজাব পাৰো, কাৰণ বেছিভাগ জীৱ-জন্তু  ঘাঁহনিতে থাকে আৰু তাৰ লগে লগে যিটো 'Tiger Project' – বাঘবোৰকো ঘাঁহনিৰ প্ৰয়োজন নিজৰ চিকাৰৰ বাবে। যদি ঘাঁহ-বনেই নাথাকে তেন্তে 'Tiger Project' ৰো কোনো ভেল্যু নাই। কাৰণ ঘন অৰণ্যত বাঘ নাথাকে, ঘাঁহনিৰ মাজতে বাঘ থাকিব লাগিব। বাঘে তাত চিকাৰ কৰি খাব পৰা পৰিৱেশ লাগিব। নলগাহৰি এবিধ দুষ্প্ৰাপ্য জীৱ। এই নলগাহৰি সংৰক্ষিত হ'বলৈ হ'লেও ঘাঁহ-বন লাগিব। গতিকে ইয়াৰ ঐতিহাসিক কথাটো চায় আৰু এইখন এখন ইতিহাস প্ৰসিদ্ধ UNESCO Heritage Site.  ইয়াৰ এটা দীঘলীয়া ইতিহাস আছে। স্বাধীনতাৰ আগত উত্তৰ সংমণ্ডল বনাঞ্চলৰ পৰা ই লাহে-লাহে আহি ২০১২ চনত সংৰক্ষিত বনাঞ্চলৰ ৰূপ পায় আৰু তাৰপৰা ক্ৰমাগত ভাৱে আহি ই ৰাষ্ট্ৰীয় উদ্যান আৰু 'Tiger Project' লৈকে বিভিন্ন

সময়ত ই আগবাঢ়ি গৈ আছে। ইয়াক আমি সংৰক্ষণ কৰাটো আমাৰ সকলোৰে দায়িত্ব। গতিকে আমি নিশ্চয়কৈ মৃণাল শইকীয়া ডাঙৰীয়াই যি কথা কৈছে সেই কথাটো অত্যন্ত গুৰুত্ব সহকাৰে লৈ আৰু মই যি সমষ্টি বা যি অঞ্চলৰপৰা প্ৰতিনিধিত্ব কৰো তাৰ ওচৰতে মানাহ আৰু মানাহৰ গোটেই ভূমি বা সেই অঞ্চলটোৰ বিষয়ে মই ভালকৈ পৰিচিত। গতিকে ই আমাৰ এটা priority হ'ব। মানহৰ grassland খিনিক আমি কেনেকৈ সুৰক্ষিত কৰি ৰাখিব পাৰো, অকল মানাহেই নহয় কাজিৰঙাটো এই সমস্যাটো আছে। কিন্তু মানাহত এই সমস্যাটো যথেষ্ট বেছি। সেইকাৰণে মানাহৰ এই grassland সংৰক্ষণৰ ক্ষেত্ৰত যথেষ্ট দায়িত্ব সহকাৰে কাম কৰিম। ঠিক তেনেকৈ আজি তেখেতে যিখিনি কথা দৃষ্টিগোচৰ কৰিলে যে forest guard এ Tiger Project ৰ যদি কিবা ভাট্টা পোৱা নাই, যিটো মোৰ knowledge ত নাছিল কিন্তু তেখেতে উল্লেখ কৰিছিল। মই এটা কথাত তেখেতক ধন্যবাদ দিম যে অসমৰ forest guard সকলে বা ফৰেষ্টত বিশেষকৈ wildlife ত কাম কৰা যিসমূহ তৃণমূল পৰ্য্যায়ৰ কৰ্মী আছে তেওঁলোকৰ যি অদম্য সাহস আৰু যিধৰণে বিভাগটোৰ কাৰণে জীৱন দি কাম কৰি আছে সেয়া কিন্তু সঁচাকৈ প্ৰসংশনীয়। আজি অসমৰ বনাঞ্চল ৰক্ষা কৰা মূল নায়কেই হ'ল তেওঁলোক। আজি কাজিৰঙা বা মানাহত মহিলা forest guard সকলেও ১৫-২০ কিমি খোজ কাঢ়ি সেই বনাঞ্চল খনক protection দিবৰ বাবে আৰু জীৱ-জন্তুক ৰক্ষা কৰিবৰ বাবে মানুহ আৰু জীৱ-জন্তুৰ সমন্বয় ৰক্ষা কৰিবৰ বাবে প্ৰতিটো সময়ত কাম কৰে। এনেকুৱা বনৰক্ষীসমূহৰ বাবে আমাৰ এই বনাঞ্চলসমূহক এই পৰ্য্যায়ত ৰখাই থ'ব পাৰিছো বা ইয়াৰ ৰক্ষণা-বেক্ষণ সম্ভৱ হৈছে। গতিকে যদি তেনেকুৱা forest guard এ পাব লগীয়া Tiger Project ৰ ভাট্টা পোৱা নাই immediately তাৰ ওপৰত খবৰ লৈ মই জানি ল'ম। নিশ্চয়কৈ তেখেতে tourism ৰ Guest House কথা কৈছে। মই যিহেতু আগতে পৰ্য্যটন বিভাগত আছিলো সেয়ে মই জানো। Tourism ৰ Wildlife Project ত আমি কাম কৰিছিলো আৰু তাত কেইবাটাও নতুন Guest House বনোৱা হৈছিল। Tourism ৰো এটা guest house আছে। ইয়াৰ আগতে এটা বেলেগ কোম্পানীয়ে লীজত

লৈছিল, এতিয়া লীজ পাৰ হৈ যোৱাৰ পিছত নতুনকৈ চিন্তা কৰি থকা হৈছিল। এতিয়া কি ষ্টেজত আছে বিভাগীয় মন্ত্ৰীয়ে জানিব। কিন্তু তাত আমি নতুন infrastructure বনাইছিলো যিহেতু এইটো এটা বিটিচি অধ্যুষিত অঞ্চল, এই অঞ্চলটোত infrastructure খিনি কেনেকৈ কি শ্বেয়াৰত revenue collection হ'লে কেনেকৈ কি শ্বেয়াৰিং কৰিম, এই ধৰণৰ কেইটামান সিদ্ধান্তৰ কাৰণে সেই সময়ত লীজ ব্যৱস্থাটো ৰৈ আছিল আৰু যি সময়ত আমি এই কামখিনি কৰিছিলো কিছুমান স্থানীয় লোকৰ সহায় লৈছিলো, তেওঁলোককো কেনেকৈ সংযোজিত কৰিম এই কথা কেইটাৰ কাৰণে কামটো ৰৈ আছিল। মই ভাৱো পৰ্য্যটন বিভাগে আৰু বন বিভাগৰ ফালৰ পৰাও যি সহায় লাগে আমি কৰিম যাতে সোনকালে কামখিনি সম্পূৰ্ণ হৈ উঠে। কাৰণ এইটো কথা স্পষ্ট যে যোৱা কিছুদিনত Black Panther য়েই হওঁক বা অন্যান্য বিভিন্ন প্ৰজাতিৰ খবৰবোৰে যথেষ্ট পৰিমাণে মানুহৰ আগ্ৰহ বৃদ্ধি কৰিছে মানাহ অভয়াৰণ্যলৈ। গতিকে মানাহলৈ বহুত মানুহ যায়। Tourist সকলে সেই ধৰণৰ সুবিধা পাব লাগিব। কিন্তু এইবাৰ আমাৰ বন বিভাগৰ আটাইতকৈ ডাঙৰ লক্ষ্যটো হ'ব যে আমি কিমান বেছি tourist ৰ অন্যান্য destination বোৰো ডেভেলপ কৰিব পাৰো। কাজিৰঙালৈকে পৰ্য্যটক আহি আছে, আহি থাকিব কিন্তু আজিৰ তাৰিখত কাজিৰঙাৰ যিটো পৰিৱেশ হৈছে যে তাত আৰু mass tourism কৰিব পৰা পৰিৱেশ নাই। যদি তাত বেছি পৰিমাণে mass tourism লৈকে যাওঁ তেনেহ'লে তাৰ অন্য প্ৰাণীসমূহৰ  জৈৱবৈচিত্ৰত আঘাত হ'ব। সেইকাৰণে মানাহেই হওঁক বা অন্যান্য যিবোৰ অঞ্চল আছে য'ত পৰ্য্যটকসকলে গৈ একেধৰণৰ বা তাতকৈ বেছি অভিভূত হ'ব তেনেকুৱা অঞ্চলবোৰ আমি ডেভেলপ কৰিব লাগিব আৰু তাত সেইধৰণৰ infrastructure develop কৰিব লাগিব। বেছিভাগ  tourism বন বিভাগৰ অধীনতে থাকে। গতিকে বন  মন্ত্ৰী হিচাপে আমি এই কথাবোৰ অতি গুৰুত্ব সহকাৰে ল'ম যাতে আমি সেই কথাবোৰতো গুৰুত্ব দিব পাৰো। তাৰ লগে লগে যিসকল high end tourist আহে research বা বিভিন্ন ধৰণৰ ফট'গ্ৰাফীৰ কাৰণে, তেওঁলোকে হয়তো বহুত টকা খৰছ কৰিব বিচাৰে, ১০-১৫ দিনৰ বাবে

ভালকৈ ইয়াত থাকিব বিচাৰে সেই ধৰণৰ পৰ্য্যটকখিনিৰ বাবে আমি  চিন্তা কৰিব লাগিব। কাৰণ আম যদি চাওঁ Ranthambore আৰু Jim Corbett ৰ দৰে এইধৰণৰ অভয়াৰণ্য বা বনাৰণ্য বিলাকত যদি আমি চাওঁ তাত যিমান পৰ্য্যটক আহে তাৰ তুলনাত revenue collection বহুত বেছি হয়। কিন্তু আমাৰ ইয়াত বেছি পৰ্য্যটক আহে কিন্তু ৰেভেনিউ কম হয়। তাৰ অৰ্থ হ'ল আমি অত্যন্ত কম পইছাত সকলোকে একেধৰণৰ কৰি পেলাইছো। গতিকে আমাৰ দায়িত্বটো হ'ব যিসকল high end tourist কিছু কিছু যি সকলে special cause ত ইয়াত আহে, photography হওঁক বা বিভিন্ন গৱেষণাৰ বাবে আহে তেওঁলোকৰ কাৰণে tourism  ৰ এটা বেলেগ শ্লেৱ ৰেভেনিউ জেনেৰেশ্যনৰ কামো আমি কৰিব লাগিব, য'ৰ পৰা আমাৰ ৰাজহ সংগ্ৰহৰ এটা ডাঙৰ সম্ভাৱনা হ'ব পাৰে। গতিকে সেইধৰণে আমাৰ বিভাগটোৱে নতুন চিন্তা-চৰ্চাৰে কাম আগবঢ়াইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমি আশা ৰাখিছো যে এই সকলোবোৰ concern আমি আগত ৰাখি আগন্তুক দিনত প্ৰয়োজনীয় সকলো কাম grassland ৰ development য়েই নহয় জৈৱ বৈচিত্ৰৰ সংৰক্ষণৰ কাৰণে যি যি কামৰ প্ৰয়োজন সেইবোৰ সুন্দৰভাৱে কৰি যাম আৰু সময়ে সময়ে বিধানসভাৰ মজিয়াত আপোনালোকক তথ্য প্ৰদান কৰি যাম। ধন্যবাদ।

**শ্ৰী মৃণাল শইকীয়া, খুমটাইঃ** তাত যিবিলাক অপতৃণ ওলাইছে সেইবোৰ manually উঠাই থকা দেখিছো । সেই কামটো অলপ জোৰদাৰ কৰিব লাগে আৰু লগতে এটা কথা মই উত্থাপন কৰিব বিচাৰিছো যে Forest আৰু Tourism department দুটা unite কৰিব লাগে, যেনেদৰে মই  এইখন সদনতে বহুত দিন আগতে কৈছিলো যে কৃষি আৰু জলসিঞ্চন বিভাগ  দুটাক  এক কৰিব লাগে। য'ত আমাৰ বন আছে তাতেই পৰ্য্যটন আছে । অসমত এনেকুৱাই হৈছে নামেৰীয়ে হওঁক বা কাজিৰঙাই হওঁক বা মানাহেই হওঁক। গতিকে এই বিভাগ দুটা একেলগ হ'ব লাগে বুলি মই সদনত প্ৰস্তাৱ ৰাখিলো।

**শ্ৰী মানৱ ডেকা, লক্ষীমপুৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ লক্ষীমপুৰ জিলাৰ পাভৈ অভয়াৰণ্যত সাংঘাতিক ধৰণে encroachment হৈছিল, ২০২৩

চনত আমি কেইবা হাজাৰ বিঘা মাটি মুকলি কৰিলো। এই ঠাই খন Wild Buffalo আৰু নলগাহৰীৰ কাৰণে famous হয় । এতিয়া তাত গছ-বন বোৰ সজীৱ হৈ ওলাইছে। মই কিন্তু আপোনাৰ বিভাগৰ কেইবাজনো মুৰব্বী বিষয়া তাত দিবলৈ অনুৰোধ কৰিলো কিন্তু আজিলৈকে সুফল পোৱা নাই। যাতে অনাগত সময়ত তাত বনৰীয়া ম'হ আৰু নল গাহৰি দিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী পদ্ম হাজৰিকা, (চতিয়া) :** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগতে মই মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে Sixth Addition to the Kaziranga National Park যাৰ মাটিকালি এই কাজিৰঙাতকৈ সেইফালে বেছি আছে আৰু যথেষ্টখিনি জীৱ-জন্তু তালৈ গৈছে । যদিও তাত পৰ্য্যটকৰ কাৰণে চেষ্টা কৰি থকা হৈছে কিন্তু যি ধৰণে জীপ ছাফাৰি, হাতী ছাফাৰিৰ কাৰণে ব্যৱস্থা কৰিব লাগিছিল তেনেধৰণে হোৱা নাই। দলং আদিকে ধৰি তাত কিছুমান কাম কৰিবলগীয়া আছে। যথেষ্ট পৰ্য্যটক তালৈ যোৱা আৰম্ভ কৰিছে। ইয়াক পৰ্যটন স্থলী হিচাপে গঢ় দিবলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ :** ইয়াৰ ওপৰত আৰু ক'ব নালাগে । কাৰণ ইয়াত supplementary নাহে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, ( মন্ত্ৰী, বিত্ত তথা বন ইত্যাদি বিভাগ ) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই অপতৃণ নষ্ট কৰাৰ যিটো কথা কৈছে আৰু যাৰ কাম চলি আছে । মই নিজেও অতি সোনকালে মানসলৈ যাম । তাত এই কামটো আৰু খৰতকীয়াকৈ কৰিবলৈ ব্যৱস্থা কৰিম । কাৰণ অপতৃণ নষ্ট কৰিবই লাগিব । নহ'লে ঘাঁহনি কেতিয়াও বৃদ্ধি হ'ব নোৱাৰে। সেয়েহে ইয়াত আমি special preference দিম । আমাৰ সন্মানীয় সদস্য মানব ডেকা ডাঙৰীয়াই যি পাভে অৰণ্যৰ কথা কৈছে মই অতি সোনকালে তালৈ ও যাম । আমাৰ বনাঞ্চলত উচ্ছেদ কৰাৰ মূল কাৰণটোৱেই আছিল যে সেই অঞ্চলসমূহত আমি বনাঞ্চল বনাব পাৰো। গতিকে এই বনাঞ্চলসমূহ বনোৱা বা তাত নল গাহৰি বা যি সমূহ বন্য প্ৰাণীৰ প্ৰয়োজন আছে সেই কথাখিনি আমি

গুৰুত্বসহকাৰে লম। যটো Sixth Addition ৰ কথা কৈছে, এই কথাটো হয় যে সেই ফালে যথেষ্ট বন্যপ্ৰাণী গৈছে। তাত কিছুমান স্থানীয় সমস্যাও আছে। যিবিলাক আমি গৈ সমাধান কৰিব লাগিব আৰু এই কথাবিলাক আমি খুব গুৰুত্বসহকাৰে লম। আমাৰ লক্ষ্য হ'ব আৰু আমাৰ সংকল্প পত্ৰত এটা কথা স্পষ্টকৈ আছিল যে আমি পৰিৱেশ ৰক্ষা কৰি বনাঞ্চল বৃদ্ধি কৰাটো আমাৰ আটাইতকৈ বেছি প্ৰায়োৰিটি থাকিব। গতিকে আমি পৰিৱেশ তন্ত্ৰ বা জৈৱ বৈশিষ্ট ৰক্ষা কৰাৰ বাবে এই কামবোৰ কৰিবই লাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দ্দেশনা মৰ্ম্মে এই কামবোৰ কৰি যাম। এই ছেগতে মই আমাৰ প্ৰতিগৰাকী মাননীয় বিধায়কক এটা অনুৰোধ কৰিম যে এই যি বন সপ্তাহ চলি আছে, কালিলৈ ইয়াৰ সামৰণি পৰিব। ১ তাৰিখৰ পৰা ৭ তাৰিখলৈ বন সপ্তাহ চলে। কালিলৈ বন সপ্তাহৰ সামৰণি উৎসৱ হিচাপে আমি প্ৰত্যেকটো সমষ্টিতে এখন উদ্যান কৰিব বিচাৰিছো। যি খনক আমি জন্মদিন শপত উদ্যান হিচাপে ঘোষণা কৰিছো। প্ৰত্যেকটো সমষ্টিতে এখন উদ্যান হ'ব আৰু বন বিভাগে ইতিমধ্যে এই উদ্যানৰ বাবে ঠাই চাইছে। এই বিষয়ে আপোনালোকক জনাই দিব। আপোনালোকৰ নিজৰ অঞ্চলত এই উদ্যানখন প্ৰস্তুত কৰিব। এই উদ্যানৰ চাৰিসীমা তথা পৰিচালনাৰ সকলোখিনি বন বিভাগে চোৱা-চিতা কৰিব। আপোনালোকৰ কাম হ'ল যে যি কোনো মানুহে যাতে জন্ম দিনৰ দিনাখন নিজৰ জন্মদিনটো মনত ৰাখিবৰ বাবে তাত এডাল গছ পুলি ৰোপণ কৰে। গছ পুলিটো লৈ তেওঁ এটা শপত লয় যে আমি সেউজ অসমৰ কাৰণে কাম কৰিম। এই কামটো অহাকালি আমি ডিমৰীয়া সমষ্টিত আৰম্ভ কৰিম আৰু এই ১২৬ টা সমষ্টিতেই জন্মদিন শপত উদ্যান হ'ব। বিধায়ক সকলে এই কথাটোত অলপ গুৰুত্ব দিয়ে যাতে প্ৰত্যেকজন মানুহকে বনৰ লগত আত্মীয়তা আনিব পাৰো। কোৱল বন বিভাগে ৰুলে নহ'ব। জনসাধাৰণ ও ইয়াৰ লগত জড়িত হ'ব লাগিব। গছ পুলিও আমি দিম আৰু ইয়াৰ যত্ন লোৱাৰ দায়িত্ব আমাৰ থাকিব। ইয়াৰ লগে লগে এই বিধান সভাৰ মাজতে যিসকল বিধায়কৰ হাতী আৰু বান্দৰৰ সমস্যা আছে, তেখেতসকলৰ লগত বিধান সভাৰ central hall ত এই বিষয়ে আলোচনা

কৰিম। হাতী আৰু বান্দৰৰ সমস্যাৰ ওপৰত কি ধৰণে মোকাবিলা কৰিব পৰা যায় আৰু আপোনালোকৰ সহায়-সহযোগিতা বিচাৰিম।

**মাননীয় অধ্যক্ষ :** মাননীয় মন্ত্ৰী ডাঙৰীয়া, মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই যিটো বিষয় আনিছে, সেইটো অতি উদ্বেগজনক বিষয়। আগতে মানস অভয়াৰণ্যখন মোৰ সমষ্টি সৰভোগতে আছিল। সাধাৰণতে আমি মানসখন grass land বুলিয়েই জানো। কাজিৰঙা আৰু মানসৰ কেৰেক্টাৰটো বেলেগ। ইয়াত grass  ৰ পৰিমাণটো বেছি আছিল। কিন্তু এইয়া যদি কমি গৈ থাকে যাৰ বিষয়ে মৃণাল শইকীয়া ডাঙৰীয়া আৰু আপুনি উল্লেখ কৰিছে grass land কমি গৈ থাকিলে তাত এটা ভয়ঙ্কৰ কথা হ'ব। তাত প্ৰাণী নাথাকিব অথবা ভূটানৰ ফালে গুছি যাব। নাইবা জনসাধাৰণৰ মাজলৈ আহিব। আপোনালোকে ইতিমধ্যে অপতৃণবোৰ উঠোৱাৰ বাবে আলোচনা কৰিছে। অপতৃণবোৰ উঠাবলৈ গ'লে যদি ঘাঁহবোৰ নষ্ট হয়, তেতিয়া এটা ডাঙৰ কথা হ'ব। সেইকাৰণে মই ভাৱো যে ইয়াৰ ওপৰত আপোনালোকৰ বিভাগৰ ফালৰ পৰা এখন উচ্চস্তৰীয় বিশেষজ্ঞৰ সমিতি গঠন কৰে।  Grass Land কমি গৈ থকাটো আমাৰ কাৰণে ডাঙৰ কথা। আমাৰ এখন বিশেষজ্ঞৰ সমিতিৰ প্ৰয়োজন আছে আৰু এই ক্ষেত্ৰত বিভাগে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এতিয়া মাননীয় সদস্য মহম্মদ নুৰুল হুদা ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ অধীনত ৩০১ নং দফাৰ অধীনত সমষ্টি পুনৰ নিৰ্ধাৰণ আৰু জিলা পুনৰ গঠনৰ নামত সৃষ্টি হোৱা বিভিন্ন অসুবিধা সম্পৰ্কে শীৰ্ষ বিষয়টো সধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব। এতিয়া মাননীয় সদস্য নুৰুল হুদা ডাঙৰীয়াই কওঁক।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) :** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ অধীনত ৩০১ নং দফাৰ অধীনত সমষ্টি পুনৰ নিৰ্ধাৰণ আৰু জিলা পুনৰ গঠনৰ নামত সৃষ্টি হোৱা বিভিন্ন অসুবিধা সম্পৰ্কে শীৰ্ষ বিষয়টো উত্থাপন কৰিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনালো। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পৰিপ্ৰেক্ষিতত ২০২২ ৰ ৩১ ডিচেম্বৰত অসমৰ

কেবিনেটে ৰাজ্য খনৰ একাংশ জিলাৰো পুনৰ গঠন কৰে। এই পুনৰ গঠনৰ ফলত ৰাজ্যখনত একাংশ গাওঁ অন্য জিলালৈ সংযোজিত কৰা হয়। ইয়াৰ ফলত ভৌগলিক আৰু সাধাৰণ প্ৰশাসনিক আৰু জনসংখ্যা গত দিশৰ পৰা এনে গাওঁ সমূহ নতুন জিলাৰ অধীনলৈ গ'লেও ৰাজহ, আৰক্ষী আৰু ডাক সংক্ৰান্তীয় দিশৰ পৰা উক্ত গাওঁ সমূহ  পূৰ্ব্বৰ জিলাতে অন্তৰ্ভূক্ত হৈ থাকিবলগীয়া হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত এখন জিলাৰ পৰা আন এখন জিলালৈ সংযোজিত হোৱাত গাওঁৰ লোকসকল কাৰ্য্যতঃ বিভিন্ন ক্ষেত্ৰত দুখন জিলাত অন্তৰ্ভূক্ত হৈ থাকিবলগীয়া হৈছে। এনে গাওঁৰ লোকৰ উন্নয়ণৰ কাম-কাজ দুখন জিলাৰ ঠেলা-হেঁচাত স্তব্ধ হৈ পৰিছে। একোটা বিধান সভা সমষ্টিৰ লোক ঠাই বিশেষে ৪-৫ খন চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত অন্তৰ্ভূক্ত হৈছে। যাৰ ফলত লোকসকলে যমৰ যাতনা পাবলগীয়া হৈছে । এই প্ৰক্ৰিয়াৰ পৰা জনসাধাৰণক পৰিত্ৰাণ দিবলৈ জৰুৰী ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজনীয়। আমাৰ সমষ্টিৰ যি পুনৰ গঠন হৈছে সেই পুনৰ গঠনৰ সময়ত কিছুমান সমষ্টি ডেৰ লাখ লোকৰ দ্বাৰা গঠিত হৈছে আৰু কিছুমান ৪ লাখত এটা সমষ্টি হৈছে। সমষ্টিসমূহ সমান ভাৱে বিভক্ত হোৱা নাই। অসমৰ ভৌগলিক চাৰিসীমাৰ ভিতৰত আমাৰ যিমান জনসংখ্যা আছে সেই অনুপাতে ১২৬ টা বিধান সভা সমষ্টিৰ ভাগ কৰিব লাগিছিল। আজি এখন সমষ্টি য'ত ডেৰ লাখ জনসংখ্যা আছে তাত যিখিনি বিধায়কৰ পুঁজি পাব চাৰি লাখ জনসংখ্যা থকা সমষ্টিতো একেখিনি পুঁজিয়েই পাব। এই ক্ষেত্ৰত উন্নয়ণ কেনেকৈ হ'ব ? গতিকে সমষ্টি পুনৰ নিৰ্ধাৰণে সম বিকাশ আৰু সম উন্নয়ণ দেখুওৱা নাই।  মোৰ ৰূপহীহাট বিধান সভা সমষ্টিৰ কলিয়াভোমোৰা দলঙৰ পশ্চিম ফালৰ পৰা আৰম্ভ হৈছে। পশ্চিমফালে ১ নং বৰঘূলি আৰু ২ নং বৰঘূলি দুখন গাওঁ আছে । সমষ্টি পুনৰ নিৰ্ধাৰণৰ সময়ত বৰঘূলি গাওঁ পঞ্চায়তখন আগতে কলিয়াবৰ সমষ্টি আছিল  আৰু কলিয়াবৰ ৰাজহ চক্ৰ আছিল। সেই কলিয়াবৰ সমষ্টি আৰু ৰাজহ চক্ৰৰ পৰা বৰঘূলি কাটি আনি ৰূপহীহাটত সন্নিৱিষ্ট কৰা হ'ল । মাননীয় অধ্যক্ষ মহোদয়, পশ্চিমফালে নদীখন দুভাগত বিভক্ত হৈ গৈছে। মাজত এটা চৰ পৰিছে। আৰু সেই চৰটো কলিয়াবৰ আমাৰ

বৰ্তমান ৰূপহী বিধানসভা সমষ্টি, কলিয়াবৰ চাৰ্কোলৰ এক নং আৰু দুই নং আৰু তিনি নং বৰ্গলীৰ হয়। কিন্তু মই যোৱা বৃহস্পতিবাৰে মই সেই চৰটোলৈ গ'লো। তাৰমানে কলীয়া ভোমোৰা ব্ৰীজৰ পশ্চিমফালে মাজত এটা চৰ পৰিছে, উত্তৰফালে এখন নদী আৰু দক্ষিণফালে নদী। দক্ষিণফালৰ নদীটো সম্পূৰ্ণ আমাৰ নগাঁৱত পৰিছে আৰু চৰটো যিটো পৰিছে, সেই চৰটো আমাৰ নগাঁৱত পৰিছে। নগাঁও জিলা, কলিয়াবৰ ৰাজহ চক্ৰ আৰু সমষ্টি আমাৰ ৰূপহী। কিন্তু তাত সেই চৰটোত মানুহে যাব নিদিয়ে, শোণিতপুৰে কৈছে শোণিতপুৰৰ চৰ। শোণিতপুৰে সেইটো তেওঁলোকৰ বুলি কৈ আছে। মই যোৱা বৃহস্পতিবাৰে ভূট নাও লৈ মই তাত গ'লো। গৈ মই ভূমিলৈ যিটো হেৰি, ভূ-নক্সা, ভূ-নক্সা মই লোকেচন, লাইভ লোকেচন চালো, মই সেই চৰত থিয় হৈ দেখিলো যে সেইটো ৪২৯ নম্বৰ দাগ, দুই নং বৰ্গলী। ভূ-নক্সা, লাইভ লোকেচনে দেখাইছে চাৰি নং, দুই নং বৰ্গলী, ৪২৯ নম্বৰ দাগ। গতিকে এইটো আমাৰ সম্পূৰ্ণ নগাঁও ৰূপহী বিধানসভা সমষ্টি কলিয়াবৰ চাৰ্কলৰ। কিন্তু এইটো শোণিতপুৰে দাবী কৰি আছে, শোণিতপুৰে তাত আমাৰ মানুহে যাব নিদিয়ে। এইটো কি হ'ব পাৰিলে, সেইটো আমাৰ নাইকিয়া কৰিব লাগিব। তাৰপিছত আমাৰ ৰাজহ চক্ৰ, আমাৰ ৰূপহী বিধানসভা সমষ্টিত পাঁচটা ৰাজহ চক্ৰ, এটা কলিয়াবৰ, এটা চামগুৰি, এটা ৰূপহী, এটা নগাঁও সদৰ, এটা ধিং, মানে সিচৰিত হৈ আছে। মানে মানুহৰ যমৰ যাটনা আৰম্ভ হৈছে। আজি এটা বিধানসভা সমষ্টিত খুব বেছি হ'লে দুটা ৰাজহ চক্ৰ থাকিব লাগিছিল, দুটা থানা থাকিব লাগিছিল। এটা থাকিলেতো বেছি ভাল। কিন্তু পাঁচটা, ছটা ৰাজহ চক্ৰ, পাঁচটা, ছটা থানা এলেকা মানুহৰ প্ৰশাসনিক কাম-কাজৰ ক্ষেত্ৰত, পাৰিবাৰিক কাম-কাজৰ ক্ষেত্ৰত বহুতো অসুবিধা সৃষ্টি হৈছে চাৰ। ইতিমধ্যে আমাৰ পূৰ্বৰ ৰূপহী সমষ্টিৰ অন্তৰ্ভুক্ত আছিল শ্ৰুতীপাৰ গাঁও পঞ্চায়ত আৰু এই শ্ৰুতীপাৰ গাঁও পঞ্চায়ত ডিলিমিটেচনতো শ্ৰুতীপাৰ গাঁও পঞ্চায়ত ৰূপহীত আছে। এই ৰূপহীৰ সেই শ্ৰুতীপাৰৰ দহটা ওৱাৰ্ড, শ্ৰুতীপাৰ গাঁও পঞ্চায়ত। তিনি নম্বৰ ওৱাৰ্ড আপোনাৰ চিতলমাৰী বিল এল.চি, ছয় নম্বৰ ওৱাৰ্ড চেনীমাৰী। এইটো মেপতো আছে, আমাৰ ডিলিমিটেচনতো আহিছে,

পূৰ্বৰ পৰাই আছে। আমাৰ ৰূপহী বিধানসভা সমষ্টিত আমাৰ চক্ৰ আছে, ৰূপহী চক্ৰ। কিন্তু সৌসিদিনা লোকপিয়লৰ মানুহে গৈ মেপ দেখাইছে। সেই মেপৰ পৰা আপোনাৰ তিনি নম্বৰ ওৱাৰ্ড চিতলমাৰী বিল এন.চি, চিতলমাৰী বিল এন.চি তিন নম্বৰ ওৱাৰ্ড আৰু ছয় নম্বৰ ওৱাৰ্ড চেনীমাৰী এন.চি, এই দুটা বোলে শোণিতপুৰত গৈছে। কেনেকৈ এইটো হ'ব? নগাঁও জিলাৰ ৰূপহী বিধানসভা সমষ্টি, থানা ৰূপহী, ৰূপহী ৰাজহ চক্ৰ, জুৰীয়া থানা ৰূপহী ৰাজহ চক্ৰৰ অন্তৰ্গত। সেই গাঁও আকৌ নতুনকৈ এতিয়া লোকপিয়লত দেখাইছে শোণিতপুৰ বুলি। এই যে বিসংগতি বিলাক হৈ আছে, এই বিসংগতি বিলাক নাইকিয়া কৰিব লাগিব। গতিকে এই বিসংগতিপূৰ্ণ যাতে এই আসোৱাহ সমূহ নাইকিয়া কৰাৰ কাৰণে, আজি মই আপোনাৰ জৰিয়তে চৰকাৰক মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, যাতে এই যে তিনি নম্বৰ ওৱাৰ্ড আমাৰ চিতলমাৰী বিল এন.চি আৰু ছয় নম্বৰ ওৱাৰ্ড চেনীমাৰী, এইখিনি যাতে আমাৰ নগাঁৱতেই থাকে, সেইটো সুনিৰ্দিষ্ট কৰি দিব লাগে। শোণিতপুৰত যিটো দাবী কৰি আছে, এই চৰটো শোণিতপুৰত নহয়। এইটো আমাৰ নগাঁও জিলাৰ, নগাঁও জিলাৰ কলিয়াবৰ ৰাজহ চক্ৰ, ৰূপহী বিধানসভা সমষ্টি, আৰু এই সমষ্টিৰ লোকসকলক তাত তাত খেতি-বাতি কৰা কাৰণে সুযোগটো দিব লাগে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক মই এইটো অনুৰোধ জনাব বিচাৰিছো। আৰু এটা কথা চাৰ, ৰূপহী বিধানসভা সমষ্টি, কিন্তু ৰূপহী গাঁও বা ৰূপহী পঞ্চায়ত ৰূপহীত নাই। এইটো কেনেকৈ হ'ব পাৰে? আমাৰ যিটো ভৌগোলিক চাৰিসীমা, ৰূপহী বিধানসভা সমষ্টিৰ যিটো ভৌগোলিক চাৰিসীমা, সেই চাৰিসীমাটো ঠিক নাই, ইয়াত এটা কৰিডৰ বনাই দিছে, কিন্তু তাত ৰূপহী নাই। ৰূপহী গাঁওখন নাই, ৰূপহী পঞ্চায়তখন নাই, কিন্তু তাৰপিছতো নাম ৰূপহী হৈ আছে। গতিকে ৰূপহী পঞ্চায়তটো আমাৰ হয়তো ৰূপহীত অন্তৰ্ভুক্ত কৰিব লাগে, কৰি নামটো ঠিক কৰি কৰিব লাগে, আৰু যদি ৰূপহী পঞ্চায়ত ৰূপহীত অন্তৰ্ভুক্ত কৰিব নোৱাৰে, তেতিয়াহ'লে ৰূপহীৰ নাম সলনি কৰি জুৰীয়া বিধানসভা সমষ্টি কৰিব লাগে। কাৰণ এতিয়া নামটোৱেই নাই ইয়াত, কেনেকৈ এইটো হ'ব? এইটো নামটোৱেই নাই

ইয়াত, কেনেকৈ এইটো হ'ব পাৰিব। গতিকে এই কথাখিনি মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই অৱগত কৰিলো, যাতে এই অসুবিধাখিনি দূৰ কৰি আমাৰ জনসাধাৰণৰ জীৱন যাত্ৰা সুচল পৰিৱেশ সৃষ্টি কৰে, তাৰ কাৰণে মই অনুৰোধ জনাই মোৰ কথাখিনি সাঁমৰণি মাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াই যি কেইটা কথা উত্থাপন কৰিছে, এই কথা কেইটা মই যথাযথ ভাৱে তাৰ উত্তৰটো দিবলৈ মই চেষ্টা কৰিম। যেতিয়া ডিলিমিটেচন হ'ল, ডিলিমিটেচন হোৱা সময়ত অসমৰ কেইখনমান জিলা পুনৰ গঠন হৈছিল। তাৰ ভিতৰত নগাঁও, শোণিতপুৰ বা মৰিগাঁও নাই। মানে আমাৰ যি কেইখন জিলাই ৰূপহী সমষ্টিত প্ৰভাৱ পেলাব পাৰে। কিন্তু এটা কথা ইয়াৰ পূৰ্বে আমি দেখিছিলোঁ যে নগাঁও জিলাৰ বটদ্ৰৱা সমষ্টিৰ ভিতৰত মৰিগাঁও জিলাৰ পাঁচটা পঞ্চায়ত সোমাই আছিল। নগাঁও, নগাঁও জিলাৰ ধিং সমষ্টিৰ অন্তৰ্গত মৈৰাবাৰীক ধৰি এটা ব্লকেই প্ৰায় মৰিগাঁও জিলাত সোমাই আছিল বা লাহৰীঘাট সমষ্টিত অন্তৰ্ভুক্ত হৈ আছিল। কিন্তু যেতিয়াই ডিলিমিটেচনৰ প্ৰিন্সিপলটো এবাৰ ডিষ্ট্ৰিক্ট বাউণ্ডাৰী ক্ৰছ নকৰে এই সিদ্ধান্তটো আহিল, সেইটো পূৰ্বৰ ধৰণে হৈছিল। মানে জিলা ক্ৰছ কৰি এটা সমষ্টি দুখন জিলাৰ মাজত আছিল। এতিয়া এই যিটো জিলাটো সীমা ক্ৰছ নকৰা কথাটো সীমা ভিতৰত থাকিব, তেতিয়া মৰিগাঁওলে বটদ্ৰৱা সমষ্টিত থকা পাঁচটা পঞ্চায়ত গুচি গ'ল। ঠিক ইফালে লাহৰীঘাট সমষ্টিত থকা যিটো সীমা আছিল সেইটো সীমা পুনৰ নগাঁও জিলাৰ ভিতৰত থকাখিনি নগাঁও জিলাৰ ভিতৰত হ'ল, মৰিগাঁও জিলাৰ বিলাক আকৌ লাহৰীঘাটৰ ভিতৰত থাকিল। গতিকে এইটো এটা পূৰ্বৰ জিলাখন থকা সত্বেও সমষ্টি কেইটা দুটা দুটা জিলাত এটা এটা সমষ্টি আগতে সোমাই আছিল৷ পিছৰ কথাটো কওঁ যে শোণিতপুৰ জিলাৰ মই একেবাৰে তথ্যটো আজিয়েই ইয়াত মই দি দিব নোৱাৰিম। এই সমস্যাটো মই কলিয়াবৰটো দেখি থাকোঁ। শোণিতপুৰ জিলাৰ নটিফিকেচনটো এনেকুৱা আছিল যে, ব্ৰহ্মপুত্ৰৰ পানী চাউথ বেংকত যলৈকে থাকে, তলৈকে শোনিতপুৰ জিলা। গতিকে যলৈকে থাকে, তলৈকে শোনিতপুৰ

জিলা হ'লে এই চৰ যি পৰিল তাত আগতে গাওঁ আছিল। গাওঁখন কলিয়াবৰ ৰাজহ চক্ৰ আছিল। সেই ৰাজহ চক্ৰ ভিত্তিত ইয়াতেই আছেই। কিন্তু পানীক যিমানেই মানে ঠেলি পেলায় দক্ষিণ পাৰটো ভাঙি আহি আছে, শোণিতপুৰৰ জিলাৰ  সীমাও তেনেকে বাঢ়ি আছে। কিন্তু ইয়াত কিছু মাজতে আমাৰ শ্ৰদ্ধেয় পাটোৱাৰী ডাঙৰীয়া বন মন্ত্ৰী থাকোতে, মানে ফৰেষ্ট বিভাগৰো কিছু কথা আহিছিল যে কোনখিনিলৈকে ফৰেষ্টটো কাৰ পৰিব। তেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা পৰামৰ্শ আহিছিল এইটো কাৰ্যকৰী হ'ব লাগিব যে নদীখনৰ মাজেদিয়েই দুইখন জিলাৰ সীমাটো নিৰ্ধাৰণ হ'লে এই সমস্যাবিলাক নাইকিয়া হ'ব। তেতিয়া এইফালৰ জাগা ইয়াত হ'ব, সেইফালৰ জাগা সেইফালে হ'ব আৰু কেইটামান তেখেতে কৈছে যে শিতলমাৰী বিল, শিতলমাৰী পথাৰ, চেনীমাৰী বিল এই গাঁওখিনিৰ মানুহ কি হয় যে তেখেত সকলৰ ভোট ইয়াত আছে বোধকৰো পৰে শোণিতপুৰত তেনেকুৱাকৈ কৈছে হুদা ডাঙৰীয়াই। তাৰমানে তেখেতসকলৰ কিছু থকা জাগাৰ সীমাতো আৰু ভোটাৰৰ জাগাটো অলপ ইফাল সিফাল হৈ পূৰ্বৰ পৰাই আছে।  যেনেকৈ আমি কাৰ্বি আংলঙৰ সীমাত যিবিলাক আমি জিলা আছোঁ তাতো দুই ফালে ভোট দিয়ে নহয়, আমাৰ তাতো ভোট দিয়ে আৰু কাৰ্বি আংলঙতো দিয়ে।

তেনেকুৱা কিছুমান Nature আছে। গতিকে সদ্যহতে সেইখিনিত অলপ চাবলগীয়া বিষয় নথকা নহয় । ৰূপহী সমষ্টিত এই গণ্ডগোলটো অতীজৰ পৰাই আছে । যোৱাবাৰ ৰূপহী সমষ্টিত মই যেতিয়া স্বাস্থ্য বিভাগৰ দায়িত্বত আছিলো তাত ব্লক PHC নাই । ইফালৰ ব্লক PHC এখনে আধা লয়, সিফালৰ ব্লক PHC এখনে আধা লয় । এনেকুৱা সমস্যা ডিলিমিটেশ্যনৰ আগতেও আছিল । ডিলিমিটেশ্যনৰ পিছত এতিয়া বিভাগ বিলাকত co ডিষ্ট্ৰিক্টৰ ভিত্তিত এটা এটাকৈ নিজৰ বিভাগৰ কামখিনি কৰি আহিছে । ইতিমধ্যে ব্লকৰ কামখিনি হৈছে । ব্লক Reorganised হৈছে । ডেভেলপমেণ্ট ব্লক, সেই ডেভেলপমেণ্ট ব্লক সেইধৰণে লোৱা হৈছে । এতিয়া আৰু তেখেতে যিটো বৰগুলি ১ নং, ২ নং বৰগুলি কথা কৈছে সেইটো পশ্চিম কলিয়াবৰ ব্লকত আছিল, সেইটো তেওঁলোকৰ ব্লকত

সোমাল । ঠিক তেনেধৰণে P.W.D. ৰ বিল্ডিং আৰু ৰোডছেও লৈছে । সেইবিলাক চাব ডিভিজন সেইমতে Reorganised হৈ গ'ল । আমি ৰাজহ বিভাগে ইতিমধ্যে ইয়াৰ reorganization ৰ কামটো কৰি আছো । প্ৰায় ৮০% কাম কোনো কাৰো আপত্তি নোহোৱাকৈ আনিব পৰা হৈ আছোঁ। কিন্তু কিছু জেগাত অলপ আপত্তি-বিপত্তি হ'ব পাৰে । আপত্তি-বিপত্তিটো এনেকুৱা মানে ব্লক অফিচটো য'ত আছে তাত তেওঁলোকৰ দুই-চাৰিখনহে গাঁও পৰে । কিন্তু গোটেই চাৰ্কোল অফিচটো । বাকী গাঁওবিলাক অন্য ফালে পৰে । এতিয়া অফিচ উঠাই আনিব নোৱাৰি গতিকে এই চাৰ্কোল অফিচটো কি কৰিব পৰা যাব ? আমাৰ মূল প্ৰিন্সিপলটো আছিল যে এটা সমষ্টিত এটা ৰাজহ চক্ৰ, এটা উন্নয়ন খণ্ড । কিন্তু ক'ৰবাত দুটা যদি আগৰ পৰাই সমানে আছে তাক আমি নাইকীয়া কৰিবলৈ বিচৰা নাই । গতিকে এতিয়া ৰাজহ চক্ৰৰ reorganization ৰ কথাটো আমি কৰি আছো । মাননীয় হুদা ডাঙৰীয়ায়ো তেখেতৰ পৰামৰ্শ ৰাখিব যাতে তেখেত সকলৰ সুবিধাজনক কোনটো চাৰ্কোলৰ আন্দাৰত সকলোখিনি সুমুৱাই দিলে কামটো ভাল হয় । গতিকে তেখেতৰ প্ৰায় ৫ টা ৰাজহ চক্ৰ টুকুৰা-টুকুৰকৈ তাত এতিয়া সোমাই আছে । গতিকে এই গোটেই কথাখিনি আজি সদনৰ দৃষ্টিগোচৰ কৰাৰ কাৰণে ধন্যবাদ । কিন্তু এই কামখিনি লৈ চৰকাৰে কোনো ধৰণে বহি থকা নাই । চৰকাৰৰ কেৱল ৰাজহ চক্ৰৰ কামখিনি বাকী আছে । বাকী বিভাগৰ কামখিনি ইতিমধ্যে কৰি থকা হৈছে । আৰু মই ভাবিছো যে আমাৰ এই সমস্যাবিলাক আমি অতি সোনকালে দূৰ কৰিব পাৰিম আৰু দূৰ কৰিলেই ৰাইজৰ কিছু সা-সুবিধা হ'ব । আৰু তাৰ ভিতৰতো যদি ক'ৰবাত এনেকুৱা খুব exceptional কথা আহি পৰিছে, দুই-চাৰিখন, এই শীতলমাৰী বিল, শীতলমাৰী গাঁও, চেনিমাৰী এইবিলাকৰ কথা সেইখিনি কথাও বিচাৰ বিবেচনা কৰিব লাগিব । আৰু নগাঁও আৰু শোণিতপুৰৰ সীমা নিৰ্ধাৰণ- এই কথাটো আমাৰ কাৰণে জৰুৰী হৈ আছে । এই কথাটো আমি পুনৰ বিবেচনা কৰাৰ প্ৰয়োজন আছে । গতিকে মই অধ্যক্ষ মহোদয়, এইখিনি কথা আগবঢ়ালোঁ।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** এনেকুৱা চিষ্টেম নহয়।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, এক মিনিট দিয়ক। মই এটা কথা আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছোঁ। আমাৰ যি ৬ নং শীতলমাৰী চেনিমাৰী বিল।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, বাওঁখুংগ্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন বিধায়ক হিচাপে আমাকো অলপ সুযোগ দিব লাগে। তেখেতৰ অধীনত মাত্ৰ ৫ টা ব্লকহে আছে কিন্তু মোৰ অধীনত ৭ টা ব্ৰলক পৰিছে।

**মাননীয় অধ্যক্ষঃ** আপুনি এই প্ৰশ্নটোৱে নানিব next time. আপোনাক যোৱাকালি আৰু এই দুদিনৰ training ত সেয়াই বুজালো।

**শ্ৰী ৰূপম চন্দ্ৰ ৰয়, বাওঁখুংগ্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাতি পুৱাই ইতিমধ্যেয়ে এজন সন্মানীয় বিধায়কে গোটেই কুৱেচনৰ সময় খিনি লৈ ল'লে। আমাক যি এক ঘণ্টা সময় দিয়ে সেই খিনি সময়চোৱাত আমি সকলোৱে ক'বলৈ সুযোগ নাপাওঁ। সন্মানীয় এইগৰাকী বিধায়কে আজি গোটেইখিনি সময় লৈ ল'লে। মই এটা কথা এক মিনিটৰ কাৰণে ক'ব বিচাৰিছো যে মোৰ সমষ্টিৰ অন্তৰ্গত ৭ টা ব্লক পৰিছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া একো ক'ব নালাগে। যদি কৈ থাকে মাইকটো অফ কৰি দিয়া হ'ব।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়লৈ এটা অনুৰোধ জনাব বিচাৰিছোঁ, আপোনাৰ জৰিয়তে যে ৩ নং চিতলমাৰী বিল এন.চি. আৰু ৬ নং চেনিমাৰী এই পঞ্চায়তৰ যিটো ৱাৰ্ড পূৰ্বৰ পৰা ৰূপহীত আছে আৰু ডিলিমিটেশ্যনতো ৰূপহীতে আছে। ৰূপহীৰ ভোটাৰ, ৰূপহী আমাৰ ৰাজহ চক্ৰ ৰূপহী আৰু জুৰীয়া থানা নগাঁও জিলাৰ। গতিকে এতিয়া যিটো পিয়ল হ'ব সেই পিয়লৰ মেপৰ পৰা এই দুটা ৱাৰ্ড নাইকীয়া হৈ

আছে বুলি মই শুনা পাইছোঁ। সেয়েহে আপোনাক অনুৰোধ জনাব বিচাৰিছো যাতে সন্নিৱিষ্ট কৰি লোৱা হয়।

**মাননীয় অধ্যক্ষঃ** সেইটো আপুনি লিখিতভাৱে দি দিব তেখেতক। মই এটা কথা জনাব বিচাৰিছো হয়টো ৰূপহীটো তেওঁৰ সমষ্টিটো আনিব লাগিব নাইবা ৰূপহী গাওঁখন যিহেতু সমষ্টিটোত নপৰে গতিকে ৰূপহী গাঁওখন সলনি কৰিব লাগিব। সেইটো justified কাৰণ সেই গাঁওখনে যদি নাই নাম সলাবই লাগিব। পৰৱৰ্তী সময়ত আহিলে বিহীত ব্যৱস্থা লোৱা হ'ব। এতিয়া সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীয়ে ক'ব।

**শ্ৰী পীযুষ হাজৰীকা, মন্ত্ৰীঃ** মই এটা সৰু কথা ক'ব বিচাৰিছো। আমি যোৱাবাৰ এটা সিদ্ধান্ত লৈছিলো যে Zero hour, 301 আদি যিবোৰ থাকে তাত আমি ৫ মিনিটকৈ কৰিছিলো। মানে ৫ মিনিটত উপস্থাপন কৰিব লাগিব আৰু মন্ত্ৰীয়ে ৫ মিনিটৰ ভিতৰত উত্তৰ দিব লাগিব। মই এইখিনি কোৱাৰ বাবে বেয়া নাপাব। নহ'লে আমাৰ সময় বহুত  লাগিব। আজি zero hour তে ২ ঘণ্টা পাৰ হৈ গ'ল।

**মাননীয় অধ্যক্ষঃ** আমাৰ অধিবেশন যিহেতু ২ বজাৰ আগতে শেষ হ'ব আৰু প্ৰথম দিন কাৰণে ক'বলৈ দিয়া হ'ল।

**শ্ৰী পীযুষ হাজৰীকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এদিন ক'লেই সকলোৱে সদায় সময় বিচাৰি থাকিব।

**মাননীয় অধ্যক্ষঃ** কাইলৈৰ পৰা সকলোখিনি নিয়মীয়া ভাৱে হ'ব।

**শ্ৰী পীযুষ হাজৰীকা, মন্ত্ৰীঃ** ঠিক আছে, ছাৰ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং দফাৰ অধীনত পান্সগ্ৰাম পেপাৰ মিলে জমিতে একটি ইণ্ডাষ্ট্ৰিয়েল হাব গঢ়ে তোলাৰ এক প্ৰস্তাৱ শীৰ্ষক বিষয়টো বাণিজ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ।

**শ্রী কমলাক্ষ দে পুরকায়স্থ  ( কাটিগড়া সমষ্টি:-)** মাননীয় অধ্যক্ষ মহোদয়, পাঁচগ্রাম পেপার মিলে একটি ইন্ডাস্ট্রিয়াল হাবে রূপান্তরিত করা, এ বিষয়টা রুল ৩০১-এ উত্থাপন করার সুযোগ দেওয়ার জন্য ধন্যবাদ জ্ঞাপন করছি । স্বামী বিবেকানন্দ বলেছিলেন, "ওঠো , জাগো লক্ষ্যে উপনীত না হওয়া পযর্ন্ত থেমো না ।'' বর্তমান সরকার, বর্তমান সরকারের মুখ্যমন্ত্রী একটা লক্ষ্য নিয়ে কাজ করছে এবং সেটা বিগত পাঁচ বছর  বিভিন্ন কার্যকলাপের মাধ্যমে  আমরা দেখতে পেয়েছি । অধ্যক্ষ মহোদয়, 'অ্যাডভান্টেজ আসাম-২', তার ফলে আসামে প্রায় ৪ লক্ষ ৯১ হাজার কোটি টাকা বিনিয়োগ হয়েছে । লক্ষ্যমাত্রা ঠিক করা হয়েছে যে দেড় লক্ষ চাকুরি দেওয়া হয়েছে, আরো ২ লক্ষ চাকুরি দেওয়া হবে। যুব সমাজের মানুষের মধ্যে অনেক প্রত্যাশা খুঁজে পেয়েছে ।  বর্তমান সরকারের কিছু  করার জন্য যে সংকল্প, যে লক্ষ্যমাত্রা, সত্যি সেটা প্রশংসনীয় ব্যাপার ।

অধ্যক্ষ মহোদয়, জাগীরোডে সেমিকন্ডাক্টর করা হয়েছে তার জন্য বিধায়ক হিসেবে আমি ধন্যবাদ জ্ঞাপন করছি। জাগীরোডে একটা বড় ইন্ডাস্ট্রি করা হয়েছে । অধ্যক্ষ মহোদয়, পাঁচগ্রামে কাগজ কল স্থাপিত হয়েছিল ১৯৮৫-তে আর সেটা ২০১৪-তে বন্ধ হয়েছিল, । ২০০১ থেকেই ধ্বংসলীলা শুরু হয়, ২০১৪-তে  সম্পূর্ণভাব  সেটা বন্ধ হয়। আমরা সবাই জানি কী জন্য বন্ধ হয়েছে, কাদের নেতৃত্বে পাঁচগ্রাম পেপার মিলের  দুর্নীতি চলছিল । একটা ট্রাককে তিন-চার বার লোডিং ট্রাক দেখিয়ে বিল  আত্মসাৎ করা হয়েছিল । অধ্যক্ষ মহোদয়, বর্তমানে আমাদের মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা মহাশয়ের, সরকার গঠন হওয়ার পর পাঁচগ্রাম পেপার মিলের প্রায় ৩১০০ বিঘা ল্যান্ড  ক্রয় করা হয়েছে। বর্তমানে এআইডিসি (AIDC) সেই ল্যান্ডগুলো দেখাশোনা করছে ।  সেই ৩১০০ বিঘা ল্যান্ড বরাক ভ্যালির ঠিক মধ্যখানে অবস্থিত। শিলচর থেকে প্রায় ২০ কিলোমিটার, হাইলাকান্দি থেকে ২০ কিলোমিটার এবং শ্রীভূমি থেকেও ২০ কিলোমিটার। । এবং সেই জায়গায় একটা ইন্ডাস্ট্রি স্থাপনের জন্য বারবার বিধানসভায় উত্থাপন করেছিলাম। মন্ত্রী মহোদয় সেটা নিয়ে সক্রিয়। লাস্ট ইলেকশনে যখন মুখ্যমন্ত্রী বরাক ভ্যালিতে  গিয়েছিলেন, মুখ্যমন্ত্রীকেও আমাদের অঞ্চলের মানুষ সেই দাবি

জানায় এবং মুখ্যমন্ত্রী সেই সভায় বলেছিলেন যে এখানে একটা বড় ইন্ডাস্ট্রি করা হবে। অধ্যক্ষ মহোদয়, আমি বিশ্বাস করি এই ইন্ডাস্ট্রি হওয়ার সাথে সাথে এই অঞ্চলে বিভিন্ন ব্যবসা বানিজ্য  ত্বরান্বিত হবে এবং আমাদের বেকার সমস্যা কিছু সমাধান হবে। মুখ্যমন্ত্রী মহোদয় বেকার সমস্যা সমাধানের জন্য যে একটা সংকল্প নিয়েছেন, আমি বিশ্বাস করি,  আমাদের বরাক ভ্যালির বেকার সমস্যা সমাধানের জন্য  বৃহৎ একটা ইন্ডাস্ট্রির দরকার। অধ্যক্ষ মহোদয়, আজকের দিনে আমি বিশেষ করে মন্ত্রী মহোদয়ের কাছে  দাবি রাখছি এবং আজকের দিনে আমার একটা কথা বারবার মনে পড়ছে, রমেন্দ্র নারায়ণ কলিতা, উনি বিধায়ক ছিলেন, উনি বারবার দীপোর বিল নিয়ে এখানে সদনে উথ্থাপন করতেন। এবং আমি  পাঁচগ্রাম পেপার মিল নিয়ে বারবার উথ্থাপন করতাম। তাই রমেন্দ্র নারায়ণ কলিতা হয়তোবা এখন বিধায়ক হননি, কিন্তু আজকের দিনে আমি বিশেষ করে বরাক ভ্যালির প্রায় ৪৫ থেকে ৫০ লক্ষ মানুষের তরফ থেকে ডিমান্ড করছি মাননীয় মন্ত্রীর কাছে। মুখ্যমন্ত্রী মহোদয় সেই ব্যাপারে মিটিংয়ের মধ্যেও সেখানে কমিটমেন্ট দিয়েছিলেন এবং যেভাবে 'অ্যাডভান্টেজ আসাম'-এর মারফতে সে একটা পরিবেশ সৃষ্টি হয়েছে, আমি মনে করি এখানে ইন্ডাস্ট্রি একটা করা হোক। অধ্যক্ষ মহোদয়, সবচেয়ে বড় ব্যাপার হচ্ছে পাঁচগ্রাম অব্দি হাই কন্ট্রোল এক্সপ্রেস হাইওয়ে হচ্ছে, সেখানে রোড কমিউনিকেশন হবে, সেখানে এয়ার কমিউনিকেশন আছে, সেখানে বরাক রিভার আছে, সেখানে পাঁচগ্রাম পেপার মিল অব্দি রেল সংযোগ করা হয়েছে, পুরো ইনফ্রাস্ট্রাকচার সেখানে আছে, অধ্যক্ষ মহোদয়। আমাদের এই অঞ্চলের ডেভেলপমেন্ট, এই অঞ্চলের ডেভেলপমেন্টের চাবিকাঠি—এই অঞ্চলকে যদি এগিয়ে নিতে হয়, তাহলে আমি বিশ্বাস করি এখানে একটা হেভি ইন্ডাস্ট্রির দরকার আছে। পাঁচগ্রামে একটা বৃহৎ ইন্ডাস্ট্রি করা হোক, যাতে আমাদের বেকার সমস্যার  সমাধান হয়। আর বিশেষ করে আমাদের চাওয়া-পাওয়া, আমাদের অধিকার, আমাদের যেগুলো প্রত্যাশা, সেই প্রত্যাশাগুলো যাতে পূরণ হয়। এই সরকারের উপর বিরাট প্রত্যাশা মানুষের। এই সরকারের উপর

মানুষের অনেক আশা। এই জন্য আশা, এই জন্য প্রত্যাশা আমাদের মুখ্যমন্ত্রীর উপর, কারণ মুখ্যমন্ত্রী বিগত পাঁচ বছর বিভিন্ন চুক্তির মাধ্যমে অনেকগুলো ইন্ডাস্ট্রি, এই রাজ্যকে এগিয়ে নিয়ে যাওয়ার জন্য, বিশেষ করে ভারতবর্ষের বুকে প্রতিষ্ঠিত রাজ্য করার জন্য উনার যে সংকল্প, উনার যে দৃঢ়তা, সেটা সম্পূর্ণ তখনই হবে যখন আমি মনে করি আমাদের পাঁচগ্রামে হেভি ইন্ডাস্ট্রি করা হবে এবং মুখ্যমন্ত্রী পারবেন, মুখ্যমন্ত্রীর সেই ক্ষমতা আছে, মুখ্যমন্ত্রীর সেই স্পৃহা, উৎসাহ, উদ্দীপনা, মুখ্যমন্ত্রীর সেই দৃঢ়তা আছে। আমি ধন্যবাদ জ্ঞাপন করছি এবং মন্ত্রী মহোদয়ের কাছে অনুরোধ করব যাতে আমাদের পাঁচগ্রাম পেপার মিলে অতিসত্বর একটা হেভি ইন্ডাস্ট্রি করার জন্য আমাদের সরকারের তরফ থেকে সেই তৎপরতা নেওয়ার। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** উদ্যোগ ও বাণিজ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীবিমল বৰা, মন্ত্ৰী, উদ্যোগ ও বাণিজ্য বিভাগ ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়**,** সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই পাঁচগ্ৰাম পেপাৰ মিলৰ ভূমি**ক** এটা উদ্যেগিক প্ৰতিষ্ঠানলৈ ৰূপান্তৰ কৰিবলৈ বিধান সভাৰ মজিয়াত বহুবাৰ উত্থাপন কৰি আহিছে। কাছাৰ জিলাৰ এই পাঁচগ্ৰাম পেপাৰ মিলৰ মাটিত এটা উদ্যোগিক চেন্টাৰ হিচাৰে গঢ়ি তুলিবৰ কাৰণে আমাৰ চৰকাৰে গোটেই বিষয়টো আগবঢ়াই লৈ গৈ আছে। পাঁচ গ্ৰাম পেপাৰ মিলত ২৯১৬ বিঘা মাটি আছে। এলোটমেন্টৰ সুবিধাৰ কাৰণে ৩ টা জোনত এই মাটিখিনি বিভক্ত কৰা হৈছে।৮১৮ বিঘা মাটি প্লেন এৰিয়াত অৱস্থিত। জোন-২ ত ৯৫৮ বিঘা মাটি আছে। প্লেন এৰিয়া আৰু তাতে পূৰ্ব্বৰ কাছাৰ পেপাৰ মিলৰ টাউনশ্বীপ আছিল। আৰু জোন-৩ ত ১১০০ বিঘা মাটি আছে – এইখিনি হিল এৰিয়া। পূৰ্ব্বতে তাতো টাউনশ্বীপ আছিল। যেতিয়া কাছাৰ পেপাৰ মিল বন্ধ হৈ গ'ল তেতিয়া মাটিখিনি চৰকাৰলৈ হস্তান্তৰিত কৰা হ'ল আৰু চৰকাৰে মাটিখিনি **AIDC য়ে** চোৱাচিতা কৰিবলৈ চৰকাৰক দায়িত্ব অৰ্পন কৰিলে। **AIDC** য়ে বিভিন্ন উদ্যোগৰ লগত এই কাছাৰ পেপাৰ মিলৰ মাটিখিনি প্ৰদান কৰি বিভিন্ন উদ্যোগ স্থাপন কৰিবলৈ ইতিমধ্যে যোগাযোগ অব্যাহত ৰাখিছে । এটা গুৰুত্বপূৰ্ণ

পদক্ষেপ আমি গ্ৰহণ কৰিছো , সেইটো হ'ল **Numaligarh Refinary Ltd.** ক আমি ১৩৬.১২৫ বিঘা সমতলৰ ভূমি ইতিমধ্যে আবন্টণ কৰা হৈছে। তেওলোকে **Rail fit petroleum product terminal** তাত নিৰ্মাণ কৰিব। এই প্ৰকল্পটোৰ নিৰ্মানকাৰ্য্য ইতিমধ্যে আৰম্ভ হৈছে আৰু কাম সুস্থিৰভাৱে আগবাঢ়ি গৈছে। প্ৰায় ২০৫ কোটি টকা বিনিয়োগেৰে এই প্ৰকল্পটো স্থাপন হ'ব । এই প্ৰকল্পটো কাৰ্যকৰী হ'লে মাননীয় বিধায়ক ডাঙৰীয়াক মই জনাব বিচাৰিছো তাত প্ৰায় ৩০০ **ৰো** অধিক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৰ্মসংস্থাপন লাভ বা উপকৃত হ'ব । যিটো টাৰ্মিনেল হ'ব , ইয়াত পেট্ৰলিয়াম সৰবৰাহৰ পৰা আৰম্ভ কৰি আন আন কামবিলাক হ'ব। বৰাক উপত্যকাৰ ৩ খন জিলাৰ লগতে আমাৰ দাঁতিকাষৰীয়া যিবিলাক ৰাজ্য আছে, তাত নুমলীগড় ৰিফাইনাৰীৰ প্ৰডাক্টসমূহ ইয়াৰ পৰা ৰপ্তানী কৰা হ'ব। ইয়াৰ লগতে এই কাছাৰ কাগজ কলৰ মাটিত আমি ১০০ এক'ৰৰ এখন **Multy Model Logistic Park** নিৰ্মানৰ পৰিকল্পনা আমি কৰিছো । **Multy Model Logistic Park** মানে তাত আটাইকেইটা কমি**উ**নিকেশ্যন মানে- ৰেলপথ, জলপথ, **আন**হাতে তাত এয়াৰ ৰেচ জৰিয়তে কানেক্টিভিটিৰ ব্যৱস্থা থাকিব। গতিকে লজিষ্টক হাব এখন তাত আমি পৰৱৰ্ত্তী দিনত গঢ়ি তুলিব পাৰো। তাৰ বাবে গুৱাহাটী **–**শিলচৰ ৰেল কৰিড'ৰৰ যোগেদি ৰপ্তানী আমদানী ইত্যাদি কৰিব পৰা যাব। লগতে যিসমূহ কন্টেনাৰ ঘৰুৱা ভিত্তিত মালবাহী পৰিবহন ৰেল আছে সেইবিলাক তাতে নিৰ্মান কৰাৰ সুযোগ থাকিব৷ এই লজিষ্টিক পাৰ্কখন **যেতি**য়া স্থাপন হ'ব , তেতিয়া সম্পূৰ্ণ ৰেল চাইডিং হ'ব যাতে মালবাহী ৰেলৰ পৰা বিভিন্ন বস্তু উঠোৱা নমোৱা কৰিব পাৰিব। তাত আমাৰ **Transit Bonded WereHouse, Cold Storage** কৃষি উদ্যা**ন** শস্যৰ সংৰক্ষণ পৰিচালনা আৰু পৰিবহনৰ বাবেও এটা **Cargo Centre,** হ'ব৷ ঠিক তেনেধৰণে **Customs Rail** আৰু অন্যান্য **Authorized Agency** আছে। সেই **, Agency** সমূহৰ ক্লিয়াৰেন্সৰ বাবে যি কাৰ্য্যালয়ৰ প্ৰয়োজন হ'ব এই প্ৰশাসনিক **, Complex,** সমূহ তাত হ'ব। আৰু **Transit** কৰিবৰ বাবে যিসমূহ সজুলিৰ দৰকাৰ যেনে **Trailer Truck** আদি ৰক্ষণা বেক্ষণৰ বাবেও তাত ব্যৱস্থা থাকিব।

গতিকে মই ভাবো এই **Logistic Park,**খ্নে প্ৰায় ২০০০ৰ পৰা ২৫০০ জন লোকক কৰ্ম সংস্থাপনৰ **সু**যোগ দিব। পাচগ্ৰাম উদ্যেগিক ক্ষেত্ৰক প্ৰায় ৬০ বিঘাৰ আধা পাহাৰীয়া ভূমিত **MSME** প্ৰযুক্তি কেন্দ্ৰ স্থাপনৰ প্ৰক্ৰিয়াও অব্যাহত আছে। এই প্ৰযুক্তি কেন্দ্ৰৰ মূল লক্ষ্য হৈছে অধিক উৎপাদনৰ সুবিধা প্ৰদান কৰাৰ বাবে যুৱক যুৱতীসকলক কাৰিকৰী দক্ষতা প্ৰদান কৰা। উন্নত **সু**যোগ লাভ কৰি যাতে স্কীলড মেনপাৱাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে। তাৰ কাৰণে ভাৰত চৰকাৰৰ পৰা প্ৰায় ২০০ কোটি টকা বিনিয়োগৰ প্ৰস্তাৱ আমাৰ হাতত আছে । আনহাতে **Buildesk Investment Private Ltd.** য়ে **Per Anum1.5 Million Matric Ton Cement Granding Unit** এটা স্থাপন কৰিবলৈ আমালৈ প্ৰস্তাৱ আগবঢ়াইছে আৰু প্ৰায় ১৫০ বিঘা ভূমি আমাৰ পৰা বিচাৰিছে। ঠিক সেইদৰে ভাৰত চৰকাৰে এটা **PSU** সেইটো হ'ল **BPCL – Bharat Petrolium Corporation Ltd.** য়েও টাউনশ্বীপ এলেকাৰ পৰা প্ৰায় ২০ একৰ ভূমিত এটা **LPG Bottling Plant** স্থাপন কৰিবলৈ আমালৈ প্ৰস্তাৱ আগবঢ়াইছে। এই প্লানটো আৰম্ভ হ'লে তাতো বহু কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব। তাত ক'ৰ , ৰাজহ, পৰিবহন ,ইত্যাদি সমূহৰ ক্ষেত্ৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে আমি বহু লাভান্বিত হ'ম। আমাৰ লক্ষ্য হৈছে MSME সমূহক অধিক উৎপাদন প্ৰযুক্তিৰ সুবিধা প্ৰদান কৰিবৰ বাবে যুৱক যুৱতী সকলক ডিচমেন্টেলিং পৰ্য্যায়ত থকাৰ কাৰণে পুৰ্বৰ যি কাগজ কলৰ যন্ত্ৰপাতি আছিলে সেই সাঁ সজুলি সমূহ আছে সেইবিলাক তাতেই ৰখা হৈছে আৰু এইখিনি আমি AIDC য়ে Auction ৰ জৰিয়তে আমি মুকলি কৰিবৰ কাৰণে আমি প্ৰয়াস অব্যাহত ৰাখিছো আৰু মই ভাবো যে আমাৰ মুকলি হৈ থকা মাটিখিনিত ইতিমধ্যে যিকেইটা কথা মই কলো যে Multi Model Logistic Park আপোনাৰ ভাৰত পেট্ৰলিয়াম নুমলীগড় ৰিফাইনেৰী লিমিটেড বুল ডেস্ক ইনভেষ্টমেন্ট প্ৰাইভেট লিমিটেড আৰু MSME ৰ এই কেন্দ্ৰ সমূহ হৈ উঠিলে মই মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ যেনে ধৰণে আপুনি ভাবিছে আপোনাৰ পাঁচগ্ৰাম অঞ্চলটো পুনৰ

আকৌ উজ্জীৱিত হৈ পৰক Industrialization ৰ জৰিয়তে এই প্ৰয়াস আমাৰ অব্যাহত আছে। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ**, **কাটিগড়াঃ** মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো এটা কথা এইটো ঠিক আছে আমাৰ এটা বৃহৎ Industry কৰাৰ কাৰণে । যাতে আপুনি পদক্ষেপ লয় তাৰ কাৰণে মই দাবী জনাইছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৬ তাৰ আগে আগে মই এটা Question Hour ৰ সময়ত মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই যেতিয়া Question Hour ৰ সময়ত মাননীয় বিধায়ক শ্ৰী মানৱ ডেকা সন্দৰ্ভত এটা অসাংবিধানিক শব্দ ব্যৱহাৰ কৰিছিলে মই সেই অসাংবিধানিক শব্দটো Expunge হোৱা বুলি ঘোষণা কৰিলো। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই Administrative Reforms Training Pension on Public Grievance বিভাগৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ Administrative Reforms Training Pension and Public Grievance বিভাগৰ ২০২৪-২৫ বৰ্ষৰ প্ৰশাসনিক বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৭ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসম শক্তি বিভাগৰ Assam Power Distribution Company Limited ৰ ২০২৪-২৫ বৰ্ষৰ দ্বাবিংশতিতম বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ শক্তি বিভাগৰ Assam Power Distribution Company Limited ৰ ২০২৪-২৫ বৰ্ষৰ দ্বাবিংশততম বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ৮ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসম শক্তি বিভাগৰ Assam Electricty Grid Corporation Limited ৰ ২০২৪-২৫ বৰ্ষৰ দ্বাবিংশতিতম বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** ৯ নম্বৰ এতিয়া ? অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ হৈ শক্তি বিভাগৰ Assam Power Generation Corporation Limited ৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন আৰু হিচাপ সদনত দাখিল কৰিলো আৰু এটা আছে নেকি ?

**মাননীয় অধ্যক্ষঃ The** Assam Electricity Grid Corporation সেইখন কলে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মই কৈ দিছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ শক্তি বিভাগৰ Assam Electricity Grid Corporation ৰ দ্বাবিংশতিতম বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী শ্ৰী ৰামেশ্বৰ তেলী ডাঙৰীয়াই লেবাৰ ৱেলফেয়াৰ বিভাগৰ Assam Tea Employees Provident Fund Organiasation ২০১৯-২০ ৰ পৰা ২০২১-২২ বিত্তীয় বৰ্ষৰ Separate Audit Report কেইখন সদনত দাখিল কৰিব।

**শ্ৰী ৰামেশ্বৰ তেলী, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চাহ কৰ্মচাৰীৰ ভবিষ্যৎ নিধি সংগঠনৰ হিচাপ সমূহৰ পৃথক হিচাপ পৰীক্ষা ২০১৯-২০ আৰু ২০২১-২২ লৈকে প্ৰতিবেদনখন সদনৰ মজিয়াত দাখিল কৰা হ'ল।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মাননীয় অধ্যক্ষঃ এতিয়া** কাৰ্য্যসূচী নং -১১ । মাননীয় মন্ত্ৰী ৰামেশ্বৰ তেলী ডাঙৰীয়াই Transformation and Development বিভাগৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰশাসনিক প্ৰতিবেদন সদনত দাখিল কৰিব।

**শ্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীঃ মাননীয় অধ্যক্ষ মহোদয় অসম চৰকাৰৰ ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ** ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰা হ'ল।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মাননীয় অধ্যক্ষঃ এতিয়া** কাৰ্য্যসূচী নং- ১২। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী অশ্বিনী ৰয় সৰকাৰ ডাঙৰীয়াই Social Justice and

Empowerment বিভাগৰ Office of the Commissioner for the Persons with Disabilities 2023-24 আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী অশ্বিনী ৰয় সৰকাৰ, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Social Justice and Empowerment বিভাগৰ Office of the Commissioner for Persons with Disabilities 2023-24 আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ এতিয়া** কাৰ্য্যসূচী নং ১৩। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই Finance Taxation ২৩-১২-২০২৫ ৰ পৰা ৩০-০৬-২০২৬ লৈ ৰাজপত্ৰিত অধিসূচনা কেইখন সদনত দাখিল কৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ মাননীয় অধ্যক্ষ মহোদয় মই** Finance Taxation বিভাগৰ ২৩-১২-২০২৫ ৰ পৰা ৩০-০৬-২০২৬ লৈ ৰাজপত্ৰিত অধিসূচনা কেইখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ এতিয়া** কাৰ্য্যসূচী নং ১৪। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই Assam Financial Corporation ৰ ৩১-০৩-২০২৪ চেপাৰেট অডিট ৰিপৰ্ট আৰু চাৰ্টিফিকেটখন  সদনত দাখিল কৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ মাননীয় অধ্যক্ষ মহোদয়, মই** Assam Financial Corporation ৰ ৩১-০৩-২০২৪ বৰ্ষৰ শেষলৈ চেপাৰেট অডিট ৰিপৰ্ট আৰু চাৰ্টিফিকেটখন  সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ এতিয়া** কাৰ্য্যসূচী নং ১৫ মাননীয় মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই "The Assam State Legislature Members (Removal of Disqualifiations) (Amendment) Ordinance, 2026" খন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam State Legislature Members (Removal of Disqualifiations) (Amendment) Ordinance, 2026" খন সদনত দাখিল কৰিলো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, মাননীয় অধ্যক্ষঃ এতিয়া কাৰ্য্যসচী নং -১৬ এতিয়া** মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহল ডাঙৰীয়াই শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়লৈ কাৰ্যনিৰ্বাহক পৰিষদলৈ সদস্য নিৰ্বাচনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী অশোক সিংহল, মন্ত্ৰীঃ Hon'ble Speaker Sir, I would like to introduce "That This House do now elect (3) Members to the General Council of Srimanta Sankardeva University of Health Sciences (SSUHS) under Section-18 (1)(m) of the Srimanta Sankardeva University of Health Sciences Act, 2007 and one Member from amongst the three Members to the Executive Council of SSUHS under Section-19(1)(k)."**

**মাননীয় অধ্যক্ষঃ এতিয়া কাৰ্য্যসচী নং- ১৭ । এতিয়া** মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই প্ৰস্তাৱ কৰিব যে এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলী ২৪২ অধীনত একল সংক্ৰমনীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্যসকলৰ মাজৰ পৰা ১৩ জন সদস্যৰে গঠন হবলগীয়া অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ পৰৱৰ্তী কাৰ্য্যকালৰ বাবে সদস্যকলক নিৰ্বাচন কৰিব। গঠন হবলগীয়া সমিতিয়ে ৩০ মাহতকৈ অধিক দিন কাৰ্য্যনিৰ্বাহ কৰিব নোৱাৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই প্ৰস্তাৱ কৰো যে এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ২৪২ অধীনত একল সংক্ৰমনীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুসৰি সদনৰ সদস্যসকলৰ মাজৰ পৰা ১৩ জন সদস্যৰে গঠন হবলগীয়া অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ পৰৱৰ্তী কাৰ্য্যকালৰ বাবে সদস্যকলক নিৰ্বাচন কৰিব। গঠন হবলগীয়া সমিতিয়ে ৩০ মাহতকৈ অনাধিক কাৰ্য্যনিৰ্বাহ নকৰিব।

**মাননীয় অধ্যক্ষঃ এতিয়া কাৰ্য্যসচী নং- ১৮ । এতিয়া** মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা অসম বিধান সভাৰ কাৰ্য্য আৰু পৰিচালনা নিয়মাৱলী ২৪৪ ৰ ১ নং নিয়মমতে প্ৰাককলন সমিতি গঠন কৰিবলৈ অসম বিধান সভা ১৩ জন সদস্য নিৰ্বাচিত কৰে যি সমিতি গঠন হোৱা তাৰিখৰ পৰা একাধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই প্ৰস্তাৱ কৰো যে এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ২৪৪ ৰ ১ নং নিয়মমতে তথা একল সংক্ৰমনীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুযায়ী অসম বিধান সভাৰ প্ৰাককলন সমিতি গঠন কৰিবলৈ অসম বিধান সভা ১৩ জন সদস্য নিৰ্বাচিত কৰে। যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব ।

**মাননীয় অধ্যক্ষঃ এতিয়া কাৰ্য্যসূচী নং- ১৯ । এতিয়া** মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই প্ৰস্তাৱ কৰে যে, এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ২৬০ খ (১) নম্বৰ নিয়ম অনুসৰি ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি গঠন কৰিবলৈ বিধান সভাৰ ১৩ জন সদস্য নিৰ্বাচিত কৰে যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই প্ৰস্তাৱ কৰো যে এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ২৬০ খ (১) নম্বৰ নিয়ম অনুসৰি ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি গঠন কৰিবলৈ বিধান সভাৰ ১৩ জন সদস্য নিৰ্বাচন কৰে যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ২১ । মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ কৰিব যে এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম ২৬০ (ছ) (১) অনুসৰি অন্যান্য

পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতি গঠন কৰিবলৈ ১৩ জন সদস্য নিৰ্বাচন কৰে যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**শ্ৰী পীযুষ হাজৰিকা , মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে এই সদনে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ২৬০ (ছ) (১)ৰ নিয়ম অনুসৰি তথা একল সংক্ৰমণীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিত্ব নীতি অনুযায়ী অসম বিধান সভাৰ অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতি গঠন কৰিবলৈ অসম বিধান সভাৰ ১৩ জন সদস্য নিৰ্বাচন কৰে যি সমিতিয়ে গঠন হোৱা তাৰিখৰ পৰা অনাধিক ৩০ মাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ২২। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগুয়ে Bodoland University Court ৰ সদস্য নিৰ্বাচনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, জনজাতি পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে এই সদনে Bodoland University Court ৰ পূৰ্বৰ সদস্যসকলৰ কাৰ্য্যকাল উকলি যোৱাত Bodoland University আইন, ২০০৯ ৰ ধাৰা ১৫ (১) (b) ১৬ ৰ অধীনত Bodoland University Court ৰ সদস্য পদৰ বাবে অসম বিধান সভাৰ সদস্যসকলৰ মাজৰ পৰা ৭ গৰাকী সদস্য নিৰ্বাচন কৰিব। নৱ নিৰ্বাচিত সদস্যসকলে ৩ বছৰৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ২৩ - উপাধ্যক্ষ নিৰ্বাচন। উপাধ্যক্ষ নিৰ্বাচন ৰ বাবে ৩ খন মনোনয়ন পত্ৰ দাখিল কৰিছে। প্ৰথমখন ভাৰতীয় জনতা পাৰ্টীৰ পৰা প্ৰাৰ্থী শ্ৰী হাবে টেৰন। প্ৰস্তাৱক শ্ৰী পীযুষ হাজৰিকা, সমৰ্থক শ্ৰী সুশান্ত বুঢ়াগোঁহাই। দ্বিতীয়খন অসম গণ পৰিষদ দলৰ পৰা প্ৰাৰ্থী শ্ৰী হাবে টেৰন। প্ৰস্তাৱক ড° তপন দাস, সমৰ্থক শ্ৰী ধৰ্মেশ্বৰ ৰায়। তৃতীয়খন বিপিএফ দলৰ পৰা প্ৰাৰ্থী শ্ৰী হাবে টেৰন। প্ৰস্তাৱক শ্ৰী চৰণ বড়ো, সমৰ্থক শ্ৰী মনেশ্বৰ ব্ৰহ্ম। তিনিওখন মনোনয়নে বৈধ হয়। আন কোনো প্ৰাৰ্থীয়ে উপাধ্যক্ষ পদৰ

বাবে মনোনয়ন পত্ৰ দাখিল নকৰাত শ্ৰী হাবে টেৰনক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো।

এতিয়া কাৰ্য্যসূচী নং ২৪- নৱনিৰ্বাচিত উপাধ্যক্ষলৈ সম্বৰ্ধনা।

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে তেখেতৰ সন্দৰ্ভত কিছু বক্তব্য ৰাখিব । তাৰ আগতে দলৰ সদস্যসকলে নৱনিৰ্বাচিত উপাধ্যক্ষগৰাকীক তেখেতৰ আসনলৈ আদৰি আনক ।

(সদনত মন্ত্ৰীসহ প্ৰতিটো দলৰে কিছু সদস্যই আগবাঢ়ি আহি নৱনিৰ্বাচিত ডাঃ হাবে টেৰনক উপাধ্যক্ষৰ আসনলৈ আদৰি আনে।)

**শ্ৰী পীযুষ হাজৰিকা , মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নৱ গঠিত আমৰি সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে প্ৰতিনিধিত্ব কৰি অসম বিধান সভালৈ নিৰ্বাচিত হৈ আহিছে ডাঃ হাবে টেৰন। ডাঃ হাবে টেৰন ডাঙৰীয়াক আমাৰ দলৰ ফালৰ পৰা তথা আমাৰ মিত্ৰজোটৰ ফালৰ পৰা উপাধ্যক্ষ পদৰ বাবে প্ৰাৰ্থীত্ব দিছিলো আৰু তেখেত বিনা প্ৰতিদ্বন্দ্বিতাৰে আজি অসম বিধান সভাৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। ডাঃ হাবে টেৰন হৈছে জনজাতিসকলৰ কাৰণে সংৰক্ষিত বিধান সভাৰ নৱ গঠিত ১১২ নং আমৰি সমষ্টিৰ প্ৰথম গৰাকী নিৰ্বাচিত বিধায়ক। তেখেত প্ৰথমবাৰৰ বাবে বিধান সভালৈ নিৰ্বাচিত হৈ আহিছে। চিকিৎসা সেৱাৰ ক্ষেত্ৰত নিষ্ঠা সহকাৰে জন সেৱাৰ প্ৰতি অনুকৰণীয় অৱদানৰ জৰিয়তে তেওঁ সৰ্ব সাধাৰণৰ গভীৰ সন্মান আৰু আস্থা অৰ্জন কৰিবলৈ সক্ষম হৈছে । পশ্চিম কাৰ্বি আংলং জিলাৰ ৰাপাদাং গাঁৱত জন্ম গ্ৰহণ কৰা ডাঃ টেৰনে অধ্যৱসায় আৰু একাগ্ৰতাৰে ২০০৮ চনত ডিব্ৰুগড়স্থিত অসম মেডিকেল কলেজৰ পৰা MBBS Degree লাভ কৰে। পৰৱৰ্তী সময়ত তেখেতে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ পৰা Radiology বিষয়ত স্নাতকোত্তৰ ডিপ্লমা লাভ কৰে। ৰাজহুৱা জীৱনলৈ অহাৰ পূৰ্বে ডাঃ টেৰনে পশ্চিম কাৰ্বি আংলঙৰ খেৰণি মডেল চিকিৎসালয়ত জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়া হিচাপে সেৱা আগবঢ়ায়। পৰৱৰ্তী সময়ত

তেখেতে ডিফুতো জ্যেষ্ঠ চিকিৎসা আৰু স্বাস্থ্য বিষয়া হিচাপে দায়িত্ব পালন কৰে। চিকিৎসক হিচাপে কৰ্ম জীৱনৰ এই সময়ছোৱাত তেখেত মানৱীয় দৃষ্টিভংগী আৰু নিষ্ঠাপূৰ্ণ সেৱাৰ বাবে জনসাধাৰণৰ আস্থা আৰু প্ৰশংসা তুলিবলৈ সক্ষম হৈছে। অধ্যক্ষ ডাঙৰীয়া, চিকিৎসক হিচাপে কৰ্ম জীৱনৰ সমগ্ৰ সময়ছোৱাত ডাঃ টেৰনে ''বেটী বচাওক বেটী পঢ়াওক'' অভিযানকে ধৰি বিভিন্ন জনকল্যাণমূলক কাৰ্য্যসূচীত সক্ৰিয় ভাৱে অংশগ্ৰহণ কৰে। চিকিৎসা সেৱাৰ পৰা ৰাজহুৱা জীৱনলৈ তেখেতৰ আগমন সমাজৰ সামগ্ৰিক কল্যাণ আৰু উন্নয়নৰ প্ৰতি থকা তেখেতৰ চিৰন্তন অংগীকাৰেই এক স্বাভাৱিক প্ৰতিফলন। নৱ গঠিত আমৰি সমষ্টিৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰতিনিধি হিচাপে ডাঃ টেৰনে কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ জনজাতীয় জনগোষ্ঠীৰ আশা-আকাংক্ষা, অধিকাৰ আৰু সৰ্বাংগীন উন্নয়নৰ এক শক্তিশালী মুখপাত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। অসম বিধান সভাৰ উপাধ্যক্ষ পদৰ বাবে মনোনয়ন তেখেতৰ সততা, নেতৃত্ব, দক্ষতা, গণতান্ত্ৰিক মূল্যবোধ আৰু জনসেৱাৰ প্ৰতি থকা তেখেতৰ অটল নিষ্ঠাৰ এক উজ্জ্বল স্বীকৃতি। এই গৌৰৱময় সাংবিধানিক পদলৈ মনোনয়ন তেখেতৰ জনসেৱা আৰু নেতৃত্বৰ দীঘলীয়া যাত্ৰাৰ এক উল্লেখযোগ্য মাইলৰ খুটি। ই কেৱল আমৰি সমষ্টিৰ জনসাধাৰণৰ বাবেই গৌৰৱৰ বিষয় নহয়, অবিভক্ত কাৰ্বি আংলং আৰু ডিমা হাচাওৰ দৰে অসমৰ পাহাৰীয়া জিলাসমূহৰ বাবে এক ঐতিহাসিক সাফল্য। তেখেতৰ এই দায়িত্ব গ্ৰহণে ৰাজ্যৰ গণতান্ত্ৰিক প্ৰতিষ্ঠান আৰু শাসন ব্যৱস্থাত পাহাৰীয়া অঞ্চলৰ নেতৃত্বৰ ক্ৰমবৰ্ধমান তাৎপৰ্যপূৰ্ণ অৱদানৰ এক সুস্পষ্ট প্ৰতিফলন ঘটাইছে। আমৰি সমষ্টিটো মই প্ৰতিনিধিত্ব কৰা জাগীৰোড সমষ্টিৰ সীমামূৰীয়া সমষ্টি।

তেখেতৰ সমষ্টিৰ ভিতৰুৱা গাওঁসমূহলৈ প্ৰায় গৈ থাকো। তেখেত এই অঞ্চলটোত যথেষ্ট জনপ্ৰিয় আৰু তেখেতৰ জনপ্ৰিয়তাৰ কাৰণে আমি যিমানদুৰ জানো, তাৰ স্থানীয় ৰাইজে তেখেতক ৰাজনীতি কৰিবলৈ আমন্ত্ৰণ জনাইছিল আৰু নিৰ্বাচন খেলি ৰাইজক সহায় কৰিবলৈ তেখেতক অনুৰোধ জনাইছিল। মাননীয় অধ্যক্ষ ডাঙৰীয়া Radiologist এজন আমাৰ কাৰণে অত্যন্ত গুৰুত্বপূৰ্ণ। Radiologist নহ'লে আমি

চৰকাৰী হস্পিতাল চলাব নোৱাৰো। গতিকে অন্য আমাৰ যদি এজন specialist কমি যায়, Radiologist কমিলে খুব বেছি আমাৰ কাৰণে অসুবিধা হয়। তথাপিতো ৰাইজৰ প্ৰবল দাবীত ডাক্তৰ হাবে টেৰণে অত্যন্ত গুৰুত্বপূৰ্ণ Radiologist চাকৰি বাদ দি কেৱল জনসাধাৰণক সেৱা কৰাৰ উদ্দেশ্যৰে আহি ৰাজনীতিত যোগদান কৰিলে, ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিলে আৰু নিৰ্বাচনত অৱতীৰ্ণ হ'ল আৰু বহুতো প্ৰতিকুল পৰিস্থিতিৰ পিছতো আমৰি সমষ্টিত যথেষ্ট ভোটৰ ব্যৱধানত তেখেতে জিকিবলৈ সক্ষম হ'ল। মই আকৌ কৈছো, তেখেত বহুত বেছি popular, কাৰণ মই কৈছো গোটেই অঞ্চলটো মোৰ সীমা। গতিকে তেখেতৰ সমষ্টিলৈকে মই প্ৰায় যাওঁ। গতিকে তেখেতৰ জনপ্ৰিয়তাৰ কাৰণে বহু হাজাৰ ব্যৱধানৰ ভোটত জিকিছে। তেখেত যে তেখেতৰ সমষ্টিত জনপ্ৰিয়, কাৰ্বি-আংলঙত যে জনপ্ৰিয়, ডিমা-হাচাওঁত যে জনপ্ৰিয়, এই জনপ্ৰিয়তা অসমৰ বেলেগ জিলালৈকে তেখেতে লৈ যাওঁক, তেখেতে লৈ যাব পাৰিব এই উপাধ্যক্ষ আসন খনৰ জৰিয়তে মই দৃঢ়ভাৱে বিশ্বাসী আৰু দীঘলীয়াকৈ নকওঁ, অধ্যক্ষ ডাঙৰীয়া, মই হাবে টেৰণ ডাঙৰীয়াক পুনৰ অভিনন্দন জনাইছো, শুভেচ্ছা জ্ঞাপন কৰিছো। তেখেতৰ এই উপাধ্যক্ষৰ যি বৰ্ণীল হ'বলগীয়া কাৰ্য্যকাল, এই কাৰ্য্যকালত তেখেতে নতুনকৈ প্ৰতিস্থাপিত কৰিব, জনমানসত অসমত আৰু তেখেতৰ গৃহজিলা কেইখনক। এইখিনিকে আশা কৰি মোৰ বক্তব্য সামৰিছো। বহুত বহুত ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** অসম গণ পৰিষদ দলৰ পৰা ক'ব।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ সন্মানীয় সদস্য ডাক্তৰ হাবে টেৰণ ডাঙৰীয়া অসম বিধান সভাৰ উপাধ্যক্ষৰ দৰে এখন সন্মানীয় পদত অধীস্থিত হোৱাৰ বাবে তেখেতক অসম গণ পৰিষদ বিধায়িনী দলৰ তৰফৰ পৰা মই আন্তৰিক অভিনন্দন জনাইছো । এগৰাকী খিলঞ্জীয়া ভূমিপুত্ৰ পাহাৰীয়া জিলাখনৰ এগৰাকী উচ্চশিক্ষিত কাৰ্বি যুৱক। এই আসনখনত অধীস্থিত হোৱাতো আমাৰ আটাইৰে কাৰণে গৌৰৱৰ বিষয়, আৰু বিশেষকৈ পাহাৰীয়া জিলাখনৰ কাৰণে । ইয়াৰ আগতেও ডাক্তৰ নোমল মমিন ডাঙৰীয়া, তেখেত কাৰ্বি-আংলঙৰ পৰা প্ৰতিনিধিত্ব কৰি তেখেত গাৰো আছিল এই আসনত অধীস্থিত হৈছিল। দুবাৰকৈ

কাৰ্বি-আংলঙৰ পৰা এই আসনত দুগৰাকী ব্যক্তি অধীস্থিত হোৱাতো জিলাখনৰ কাৰণেও নিশ্চয় গৌৰৱৰ বিষয় আৰু দুয়োজনেই চিকিৎসক আৰু আমি শুনামতে চিকিৎসা সেৱাৰ জৰিয়তে তেখেত Senior Medical and Health Officer আছিল কাৰ্বি-আংলঙৰ। অতি জনপ্ৰিয় আছিল। তেখেতৰ যি service আছিল চিকিৎসক হিচাপে আমি জনামতে সেই service আছিল Yeoman service. আৰু সেই কাৰণে স্থানীয় ৰাইজে তেখেতক এজন জনপ্ৰিতিনিধি হিচাপে বিচাৰিছিল। আজি বহুত বিষয়া আছে, বহুত বিষয়াৰ এম. এল. এ হ'বলৈ মন যায়, কৰ্মচাৰীৰ এম. এল. এ হ'বলৈ মন যায়। কিন্তু হ'ব নোৱাৰে। খুব কমেইহে আহিব পাৰে অসম বিধান সভালৈ চাকৰি কৰাৰ পিছত। ইচ্ছা থাকিলেও বহুতে হ'ব নোৱাৰে, কিন্তু যাৰ dedication থাকে, যাৰ জনসেৱাৰ প্ৰতি ধাউতি থাকে, ৰাইজৰ প্ৰতি দায়বদ্ধ থাকে, সেই মানুহক ব্যক্তিক জনসাধাৰণে চিনি পায় আৰু জনসাধাৰণে তেনে ব্যক্তিক জনপ্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰে। মই তেখেতক আন্তৰিক শুভেচ্ছা জনাইছো। এগৰাকী যুৱ বিধায়ক অভিজ্ঞতাসম্পন্ন বিধায়ক মই ভাবো যে তেখেতৰ যি দায়িত্ব, সেই দায়িত্ব নিশ্চয় অতি গুৰুত্ব সহকাৰে ল'ব। বহুতেই এই আসনখনক ভাবে যে Deputy Speaker, বিশেষ কাম নাই নেকি ? এনেকুৱা ধাৰণাও বহুতে লয়। কিন্তু আচলতে সেইটো নহয়। এগৰাকী Deputy Speaker ৰ কৰিবপৰা বহুতখিনি কাম আছে, বিধান সভাত যথেষ্টখিনি কাম আছে আৰু বিধান সভাৰ বাহিৰতো আজি সন্মানীয় অধ্যক্ষকে হওঁক, বা সন্মানীয় উপাধ্যক্ষকে হওঁক আজি জনসাধাৰণে বেলেগ দৃষ্টিৰে লয়। সমাজখন পৰিৱৰ্তনৰ কাৰণে আমি সকলোৱে মিলি চেষ্টা কৰি আছো। আমাৰ ৰাজ্যখন দেশৰ অগ্ৰণী ৫ খন ৰাজ্যৰ তালিকাত মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আগবঢ়াই লৈ যাবলৈ আমি সকলোৱে চেষ্টা কৰিছো . আমি আশা ৰাখিছো মাননীয় অধ্যক্ষৰ লগতে মাননীয় উপাধ্যক্ষও সহযোগিতাৰ হাত সম্প্ৰসাৰিত কৰিব আৰু বিধান সভাৰ পৰিচালনাৰ ক্ষেত্ৰতো এটা নতুন ৰাস্তাৰ তেখেতেও সন্ধান দিব। মই বিশেষ নকওঁ, তেখেতক আকৌ এবাৰ শুভেচ্ছা জনাই মোৰ চমু দুআষাৰ সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** বি পি এফ দলৰ পৰা ক'ব।

**শ্ৰীমনেশ্বৰ ব্ৰহ্ম, বাক্সাঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ এইখন পবিত্ৰ সদনত উপাধ্যক্ষ হিচাপে আমাৰ হাবে টেৰণ জনপ্ৰিয় এজন বিধায়ক হিচাপে পৰিগণিত হৈছে। নতুনকৈ আহিছে যদিও তেখেতৰ popularity যথেষ্ট থকা হেতুকে অনায়াসে তেখেতে জিকি আহিব। আজি উপাধ্যক্ষ পদত তেখেতে আগবাঢ়িবৰ কাৰণে সক্ষম হ'ল তাৰ বাবে বি.পি. এফ দলৰ সকলো সদস্যৰ হৈ আৰু আমাৰ বি. টি. চি অঞ্চলৰ ৰাইজৰ হৈ অসমবাসীৰ জনজাতীয় ৰাইজৰ হৈ তেখেতক অশেষ অভিনন্দন ও শুভেচ্ছা জনাইছো। আহি থকা দিনত তেখেতৰ যি দক্ষতা, সেই দক্ষতাৰে তেখেতে নিশ্চয় এইখন সদন পৰিচালনা কৰাৰ লগতে বিভিন্ন দিশত তেখেতৰ যথেষ্টখিনি আমাক অন্তত এইখন সদনৰ সদস্য সকলক যথেষ্টখিনি উপকৃত কৰিব , সেইটো আশা ৰাখিছো আৰু আহি থকা দিনত তেখেতৰ ৰাজনৈতিক জীৱন মঙ্গল হওঁক। ডাক্তৰ হৈয়ো তেখেতে আজি যি ধৰণে ৰাইজক সেৱা কৰিবৰ কাৰণে দুয়োটা আসনেই ৰাইজৰ সেৱা গতিকে ৰাইজে তেখেতৰ সমষ্টিবাসী ৰাইজৰ লগতে অসমবাসী ৰাইজেও আজি তেখেতৰ ওপৰত গভীৰ আস্থা ৰাখি তেখেতক আমি উপাধ্যক্ষ বাচনি কৰিলো আৰু নিশ্চয় আহি থকা দিনত তেখেতৰ দ্বাৰা যথেষ্টখিনি ৰাজ্যখন উপকৃত হ'ব সেইটো আশা ৰাখি পুনৰ শুভেচ্ছা আৰু তেখেতক অভিনন্দন জনাই বি. পি. এফ দলৰ পৰা ক'বলগীয়াখিনি কৈ সামৰিছো।

**মাননীয় অধ্যক্ষঃ** LOP (Leader of the Opposition )

**শ্ৰী ওয়াজেদ আলী চৌধুৰী, বীৰসিং জুৰুৱাঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ডাক্তৰ হাবে টেৰণ ডাঙৰীয়াক সৰ্বসন্মিতক্ৰমে উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা আমি Congress Legislature Party ৰ ফালৰ পৰা তেখেতক ধন্যবাদ আৰু অভিনন্দন জনাইছো লগতে ইতিমধ্যে তেখেতৰ Life history, Parliamentary Affairs Minister তেখেতে কৈছে, আমি যদিও ইমান চিনাকী নহওঁ, কিন্তু তেখেত এজন ভাল ডাক্তৰ আছিল বুলি গম পাইছো, যদিও আগৰ Deputy Speaker ৰো একে এলেকাৰ পৰা আছিল। তেখেত অলপ আছিল hard গতিকে ডাক্তৰ হাবে টেৰণ ডাঙৰীয়া বোধকৰো অলপ soft হ'ব যেন লাগিছে। গতিকে আমি আশা কৰিছো তেখতৰ নিৰপেক্ষ

ভূমিকাৰ জৰিয়েত সদন পৰিচালনা কৰিব। তেখেতক আমি সকলোৱে সহযোগিতা আগবঢ়াম আৰু আকৌ তেখেতক শুভেচ্ছা জ্ঞাপন কৰি বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** শ্ৰীশ্বেৰমান আলি আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক, মন্দিয়া সমষ্টিঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ এখন অন্যতম পশ্চাদপদ জিলা কাৰ্বি আংলঙৰ পৰা। মাননীয় শ্ৰী হাবে টেৰণ ডাঙৰীয়া আজি আমাৰ এই পবিত্ৰ বিধান সভাত উপাধ্যক্ষৰ দৰে সন্মানীয় আসনত অধিষ্ঠিত হোৱাৰ বাবে তেখেতক মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, যদিও মই বৰপেটা জিলাৰ, আপুনিও বৰপেটা জিলাৰ, এখেত কাৰ্বি আংলং জিলাৰ। কিন্তু আমাৰ দুয়োখন জিলাৰ মাজত এটা সাদৃশ্য আছে। সাদৃশ্যটো হ'ল বৰপেটা aspirational district আৰু কাৰ্বি আংলঙও aspirational district . এইখিনি পশ্চাদপদ জিলা উন্নয়ণৰ ক্ষেত্ৰতে হওঁক, দুয়োখন জিলাতে যথেষ্ঠ অভাৱ আছে। মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে জনাব খোজো যে তেখেতৰ চুবুৰীয়া উত্তৰ কাছাৰ পাৰ্বত্য জিলাত মই প্ৰায় ২০ বছৰ চাকৰি কৰিছিলো আৰু সেই সময়ত সেই উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ মানুহৰ যথেষ্ঠ কষ্টকৰ জীৱনযাত্ৰাৰ বিষয়ে মই উমান পাইছিলো। তাত বেছিভাগ Jhum Cultivation চলে আৰু তাৰ যাতায়াত ব্যৱস্থা যথেষ্ঠ দূৰ্যোগপূৰ্ণ। আধুনিক সা-সুবিধা আজিৰ পৰা ২০ বছৰ আগতে তাত নাছিলেই। আজিকালি কি হৈছে মই নাজানো। মই ভাবো কাৰ্বি আংলং তাৰ ব্যতিক্ৰম নহয়। অলপ তাতকৈ উন্নত হ'লেও কাৰ্বি আংলঙৰ মানুহে যেনেকৈ প্ৰতিকুল পৰিৱেশৰ লগত যুদ্ধ কৰি জীৱন নিৰ্বাহ কৰি আছে they are also aspire it to be developed. মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে জনাওঁ যে মোৰ বৰপেটা জিলাৰ মানুহো একেধৰণৰ এটা প্ৰাকৃতিক প্ৰতিকুল পৰিৱেশৰ মাজেৰে জীৱন সংগ্ৰাম চলাই আহিছে। আপোনাৰ জিলাৰ মানুহে যেনেকৈ Jhum Cultivation কে আদি কৰি বিভিন্ন আধুনিক সা-সুবিধা নোহোৱাকৈ তেওঁলোকে জীৱন সংগ্ৰাম চলাই আহিছে, ঠিক তেনেকৈ মোৰ জিলাৰ প্ৰায় ৫০-৬০ শতাংশ মানুহে নদীৰ

গৰাখহনীয়া, বানপানী আদিৰ লগত নিতৌ জীৱন সংগ্ৰাম কৰি আহিছে । মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয়ক মই এটায়ে আবেদন জনাম যে আমাৰ এই প্ৰতিকুল পৰিৱেশৰ লগত যুদ্ধ কৰি অহা জীৱন যাত্ৰা চলাই থকা বৰপেটা জিলাৰ প্ৰতি আপুনি অলপ বিশেষ দৃষ্টিভংঙ্গী দিব, আমাৰ বৰপেটা জিলাৰ অভাৱ-অভিযোগখিনি উত্থাপন কৰিবলৈ যাতে আমি আপোনাৰ পৰা কৰুণা লাভ কৰো সেই আশা কৰি মই আকৌ এবাৰ আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** মই অসম বিধান সভাৰ অধ্যক্ষ হিচাপে মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক মই উষ্ম অভিনন্দন জনাইছো। নিশ্চিত ৰূপত মোৰ পৰা যিখিনি সহায়-সহযোগিতা কৰিব লগীয়া আছে মই অধ্যক্ষ হিচাপে আপোনাক সহায়-সহযোগ কৰিম। আপুনি বিধান সভাৰ লগতে কাৰ্বি আংলং জিলাকো আগন্তুক দিনত যাতে গৰিমা বৃদ্ধি কৰে তাৰ বাবে শুভেচ্ছা জনাইছো।

এতিয়া কাৰ্যসূচী নং ২৫।

মাননীয় মন্ত্ৰী শ্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ নিয়ম ৬৯(১) ৰ অধীনত “The Assam State Legislature Members (Removal of Disqualification) (Amendment) Ordinance , 2026 ৰ ওপৰত ব্যাখ্যামূলক টোকা দাখিল কৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ নিয়ম ৬৯(১) ৰ অধীনত “The Assam State Legislature Members (Removal of Disqualification) (Amendment) Ordinance, 2026 ৰ ওপৰত ব্যাখ্যামূলক টোকা সদনত দাখিল কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে “The Assam State Legislature Members (Removal of Disqualification) (Amendment) Ordinance, 2026 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, Ordinance টো আগত আহিব লাগিছিল। তাৰ পিছতহে বিল আহিব। ইয়াৰ ওপৰত এখন Ordinance আছে । Ordinance খন প্ৰথমে তেখেত lay কৰি তাৰ পিছতহে বিলখন lay কৰিব লাগে । Item no. 15, regularize কৰিব লাগে, Ordinance already জাৰী হৈছে।

**মাননীয় অধ্যক্ষঃ** Ordinance আগতেই lay হৈ গৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, মন্দিয়াঃ** Lay হৈ গ'ল নেকি?

**মাননীয় অধ্যক্ষঃ** Lay আগতেই হৈ গৈছে।

এতিয়া কাৰ্যসূচী নং ২৬

মাননীয় মন্ত্ৰী শ্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াই "The Assam State LegislatureMembers (Removal of Disqualification) (Amendment) Bill, 2026 বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam State Legislature Members (Removal of Disqualification) (Amendment) Bill, 2026 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন সদনত উত্থাপন কৰাত সদনৰ অনুমতি আছে নে ?

যি সকল সপক্ষে আছে, তেওঁলোকে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰী গৰাকীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই "The Assam State Legislature Members

(Removal of Disqualification) (Amendment) Bill, 2026 সদনত উত্থাপন কৰিলো।

**माननीय অধ্যক্ষঃ** এতিয়া কাৰ্যসূচী নং ২৭। ৰাজভৱনৰ পৰা এটা বাণী আহিছে। বাণীটো –

Under the Provision of Article 207(1) of the Constitution of India, I, Shri Lakshman Prasad Acharya, Governor of Assam, recommend the introduction of The Assam Goods and Services Tax (Amendment) Bill, 2026 in the Assam Legislative Assembly.

মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই The Assam Goods and Services Tax (Amendment) Bill, 2026 বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ অনুমতি বিচাৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Goods and Services Tax (Amendment) Bill, 2026 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো৷

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন সদনত উত্থাপন কৰাত সদনৰ অনুমতি আছে নে ?

যি সকল সপক্ষে আছে, তেওঁলোকে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মাননীয় মন্ত্ৰী গৰাকীয়ে বিধেয়কখন উত্থাপন কৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Goods and Services Tax (Amendment) Bill, 2026 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মৃত্যু প্ৰসংঙ্গ।

## মৃত্যু প্ৰসঙ্গ

০৬-০৭-২০২৬

বিগত সময়ছোৱাত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা কেইবাগৰাকীও বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে।

সেইসকলৰ ভিতৰত অন্যতম আছিল-

প্ৰবীণ স্বাধীনতা সংগ্ৰামী তথা বিশিষ্ট সমাজ সেবক -কালীনাথ কোঁৱৰ

বিশিষ্টা সমাজসেৱিকা -প্ৰিয়দা গগৈ

অসম আন্দোলনৰ অন্যতম নেত্ৰী তথা বিশিষ্টা সাহিত্যিক -ৰেখা শৰ্মা

জ্যেষ্ঠ বিজ্ঞানী, বিশিষ্ট লেখক তথা সমাজকৰ্মী -ড° অঞ্জন বৰুৱা

বিশিষ্ট ক্ৰীড়া সংগঠক তথা প্ৰবীণ সাংবাদিক -ৰাজেন বৰকাকতি

বিশিষ্ট সংগীত শিল্পী তথা সমাজকৰ্মী -সুমন কল্যাণ দত্ত

অতি দুঃখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এইসকল লোকৰ বিয়োগত শোক প্ৰকাশ কৰিছোঁ।

এতিয়া, এই বৰেণ্য ব্যক্তিসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি থিয় হৈ ক্ষন্তেক সময় মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যাসকলৰ প্ৰতি মই অনুৰোধ জনালোঁ।

(শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ অসম বিধান সভাৰ সচিব ডাঙৰীয়াই এই শোকপ্ৰস্তাৱৰ প্ৰতিলিপি প্ৰেৰণ কৰিব)

ওঁম শান্তি

যুগদ্ৰষ্টা ড° শ্যামা প্ৰসাদ মুখাৰ্জী দেৱৰ আজি জন্ম তিথি, সেই জন্ম তিথিত তেখেতলৈ অন্তৰৰ পৰা শ্ৰদ্ধাঞ্জলি জনাই আজিৰ

সদন ০৭-০৭-২০২৬ তাৰিখৰ ৰাতিপুৱা ০৯:৩০ বজালৈ স্থগিত ৰখা হ'ল।